ডিগবৈ মহাবিদ্যালয় আলোচনী



# Digboi College

# Magazine

Issue : 2009 - 2010

*With Best Wishes*

*To* ......Library......................................................

..............................................................................

*Editor*
Sanjay Sarkar

**'MAGAZINE' 2009-10**
DIGBOI COLLEGE MAGAZINE
31ST ISSUE

**: Published by Digboi College Students' Union and edited by Sanjay Sarkar**

# *Editorial Board :*




***President*** : Mrs. Deepika Hazarika
Principal, Digboi College

***Vive-President*** : Dr. Amrit Ch. Deka
Vice-Principal, Digboi College

***Advisor*** : Dr. Mrinal Kr. Gogoi, Teacher

***Editor*** : Sanjay Sarkar

***Teacher Member*** : Mrs. Sangita B. Saikia
Mr. Dipesh Mondal
Mr. Sanjay Das
Mr. Paban Gogoi

***Student Member*** : Miss Himami Borah
Sri Lakhyajyoti Gogoi

***Cover Page*** : Sanjay Sarkar and
Sandeep Sarkar (Ex Student)

***Designing*** : Sanjay Sarkar and
Sandeep Sarkar (Ex Student)

***Publisher*** : Digboi College Student Union

***Printers*** : Saneka Press
Saneka Panja, Digboi, Tinsukia (Assam)
Tel. No. : 03751-264392 (O)

# Dedication

*We dedicated this college magazine to all the sincere teacher, staff and student-friends of Digboi College who have left for heavenly abode, sincerely doing there jobs for the welfare of Digboi College.*

*Editorial Board*

প্ৰদ্যুৎ বৰদলৈ
মন্ত্ৰী,
শক্তি, ৰাজহুৱা প্ৰতিষ্ঠান,
উদ্যোগ ও বাণিজ্য, অসম
দিশপুৰ, গুৱাহাটী- ৭৮১০০৬

দূৰভাষ ঃ ০৩৬১-২২৩৭০০৮ (কাঃ)
০৩৬১-২২৬২২৩৬ (কাঃ)
০৩৬১-২২৫১৩২৬ (ঘ ঃ)

দিনাংক ঃ ..................................

# শুভেচ্ছাবাণী

ডিগবৈ মহাবিদ্যালয়ৰ ২০০৯-২০১০ বৰ্ষৰ আলোচনীখন প্ৰকাশৰ বাবে আয়োজন চলাই থকা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো।

ডিগবৈ কলেজে পিচপৰা অঞ্চলৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ চাহিদা জন্মলগ্নৰে পৰা নিষ্ঠাৰে পূৰণ কৰি আহিছে। ইয়াৰ বিভিন্ন ভাষা ভাষী আৰু জনগোষ্ঠীৰ আশা-আকাঙ্খাকো সমানেই গুৰুত্ব দি আহিছে।

ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনে মহান অনুষ্ঠানটিৰ সাফল্য- সমস্যাৰাজি প্ৰতিফলিত কৰি ভৱিষ্যতৰ এখন ঐতিহাসিক দলিল হিচাপে প্ৰতিফলিত হ'ব বুলি আশা কৰিলো।

ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখন সৰ্ব্বাঙ্গঁ সুন্দৰ হোৱাতো কামনা কৰাৰ লগতে এই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

(প্ৰদ্যুত বৰদলৈ)


Principal I/C Mrs. Deepika Hazarika.

# Editorial Board


Principal Mrs. Deepika Hazarika
President


Vice-Principal Dr. Amrit Ch Deka
Vice-President


Dr. Mrinal Kr. Gogoi
Advisor


Mrs. Sangita Baruah Saikia
Teacher Member


Mr. Dipesh Mondol
Teacher Member


Mr. Sanjay Das
Teacher Member


Mr. Paban Gogoi
Teacher Member


Sri. Sanjay Sarkar
Editor


Miss. Himami Baruah
Student Member


Sri. Lakhyajyoti Gogoi
Student Member

# Digboi College Students Union
## Session- 2009 - 2010

Shyam Bdr. Pradhan
President

Rohit Chetry
Gen. Secretary



Sanjay Sarkar
Editor of the College Magazine



Sunil Gurung
Music Secretary



Rekha Moni Das
Cultural Secretary



Himami Borah
Debate & Symposia Secretary



Tridip Mech
Major Games Secretary



Rustom Gogoi
General Sports Secretary

Deepjyoti Sonowal
Minor Games Secretary



Bhaskarjyoti Gogoi
Social Service & Gymnasium Secretary



Mon Bdr. Chetry
Boys Common Room Secretary

Jinti Gogoi
Girls Common Room Secretary

## College Pride




Sanjay Sarkar (Left) and Subhasis Das (Right). Winner of the Inter College, Tinsukia District Quiz Competition, Organised by Digboi Bed. College in 2009.




Bubul Handique(Left) and Sidhant Bharali (Right). Winner of the Inter College, Tinsukia District Quiz Competition, Organised by Margherita College in 2010.

# Editorial....



Yes, I know its corny ; but just like everything else that sounds hackneyed. This cliche is also true.

There's a little story behind every magazine of Digboi College from planing to printing to distributions Each and every magazine ever published here at Digboi College is a Torch of knowledge and is unique in itself.

So what makes this issue so special, what makes this cover so special ? Why am I writing about the magazine covers, when I could be writing something witty or informative and jargon filled instead.

After days of looking at options and yet more options for the cover, trying to earn into something informative or abstract or geeky, we got nowhere. Although the idea stems from the frustration of unsuccessful trying to cram in too much, its not the reason for our simple cover. instead it's a reinforcement of our idealogy.

Each and every student of this prestigious institution will testify, whether it's environment or atmosphere, teaching or living, this institution aims to take the complexities of the world, and simplify it for us.

Each and every person related with this institution shows honesty, loyalty, love and inspiration in each and every step here. And promise to do even more in the future to take this institution and its idealogies to zenith.

In my view, it's not what's on covers that matter, but what's between them. And Digboi College will continue to serve the society the best education - hot, fresh and tasty. And yes, as one of the chefs of this detectable buffet, it's always available for your brickbats or bouquets.

***Editor***
**Sanjay Sarkar**

# CONTENTS

## ARTICALS


Imbalance of Our Atmosphere / Dr. Arun Chandra Sharma / 01
ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা দুটামান বিশেষ অনুষ্ঠানৰ বেঙনি / পবন গগৈ / ০৩
TIME TRAVEL / Rofique Hussain / 07
বনছাই / হিমামী বড়া / ১০
আহোমসকলৰ পৰম্পৰাগত অনুষ্ঠান 'চকলং বিবাহ' / চাও লক্ষ্যজ্যোতি গগৈ / ১৩
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান ... / মঃ চেহিদুল হাচান বৰা / ১৫
ইছলাম এটা প্ৰাচীন ধৰ্ম / হাছান আখটাৰ ফৰিদ / ১৮
CHALLENGER- A CHALLENGING FLIGHT .... / Raj Sonor / 20
Whats Gotra got to do with it ?? / Chandan Dey / 22
STUDENTS AND THE PRESENT EDUCATIONAL SYSTEM / Siddharth Dutta / 24
মানৱ অধিকাৰ আৰু পৰিবেশ / মুন মুন বুঢ়াগোহাঁই / ২৫
"TWO SIDES OF A SAME COIN" -- INDIA / Debabrata Sengupta / 27
"ম'বাইলৰ পৰা ব্যাধি" / দেববাজ নিৰৌলা / ২৮
চাহ জনগোষ্ঠীয়ে কঢ়িয়াই আনক গৌৰৱ / ৰুবেন টপ্প / ২৯
एसियाई शेर के लिए मीठी गोलियाँ / दिल्लीराम वर्मा / ३१
NATIONAL CADET CORPS राष्ट्रीय कैडिट कोर / Pawan Jaishy / 32
गोरखा शब्दको भ्रम न राजनीतिको खेल? / मन बाहादुर छत्री /३३


## STORYS


তোমাৰেই অপেক্ষাত ... মই ! / তৃষ্ণা গগৈ / ৩৫
অমানিশাৰ শেষত / ৰেখামণি দাস / ৩৮
মদাৰৰে ফুল / জোনমনি বৰুৱা / ৪১


## POETRY


SOULS' PRAYER / Subhasish Das / 43
YOU AND ME ..... / Chandan Dey / 43
চিলা / দিব্যজ্যোতি কাকতি / ৪৪
বিনিদ্ৰ ৰাতিৰ প্ৰহৰী / বিনীতা শইকীয়া / ৪৪
পোহৰ / হৰিকান্ত চেতিয়া / ৪৫
SMILE FILE / Abhiram Hasa Arah / 45
তৰ প্যাৰ কেৰ কচম / মানৱপ্ৰতীম বাঞ্চি / ৪৬
ছাত্রের সংগ্রাম / মঃ ছামিম উদ্দিন / ৪৬
'O' GOD PLEASE HELP THE WORLD / Baishali Bhattacharjee / 47
SOCIETY / Miss Chitra Debnath / 47
AWAKE THE LOST SELF CONFIDENCE / Sanchita Dhar / 48
খনিকৰ / অনিতা কোঁচ / ৪৮
সেই গীত গাব বিচাৰো / অম্লান দিহিঙ্গীয়া / ৪৯
আমি যাওঁ ... / জিতেন মুড়া / ৪৯
নিৰৱতা / মৃদুল মৰাণ / ৫০
অভিমান কৰি আঁতৰি গ'লা তুমি / মানসজ্যোতি বেজবৰুৱা / ৫০
জীৱন যাত্ৰা / দেৱপ্ৰিয় দাস / ৫১
ন-জোন / কৰ্মজ্যোতি গগৈ / ৫১
म हुँ असमीया नेपाली ठिटो / मन बाहादुर छत्री / ५२
माषण / मन बाहादुर छत्री / ५३
मं जाहन्छु ! / श्याम नेउपाने / ५३

সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন / ৫৪
তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন / ৫৫
REPORTS OF MAJOR GAME'S SECRETARY (D.C.S.U. 2009 -- 2010) / 56
REPORT OF BOY'S COMMON ROOM SECRETARY / 57
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন / ৫৮
সমাজসেৱা আৰু শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / ৫৯
সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / ৬০
43rd ANNUAL COLLEGE WEEK CELEBRATION / 61
RESULTS OF ARM WRESTLING / 63
ACADEMIC ACHIEVEMENTS / 64
FACULTY / 65
ADMINISTRATIVE AND MINISTERIAL STAFF OF DIGBOI COLLEGE / 66
Our Ex Editors / 67

# Imbalance of Our Atmosphere

*Dr. Arun Chandra Sharma*
*Dept. of Physics*

It is quite a grave concern that our atmoshere is never found pure in nature due to some natural due to some natural and man-made pollution, which contributes in disturbing the dynamic equilibrium of the atmosphere and hence it is difficult to breathe fresh air which is vital and precious for life to survive. The atmosphere is an insulating blanket around the earth. It is the source of essential gases. It acts as shield around the earth against UV radiations and meteors. It maintains a narrow difference of day and night temperatures. Without atmosphere there will be no lightening, no wind, no clouds, no rains, no snow and no fire. But pollutants present in the atmosphere disturb the dynamic equilibrium of earth environment among there are five primary pollutants that contribute togethermore than 90% of global pollution. These are -- carbon monoxide (CO), nitrogen oxides ($No_x$), hydrocarbons (HC), sulphur oxides ($SO_4$) and particulates.

The chief sources of these pollutants are automobiles, stoves, furnaces, open fires, forests and bush fires, burning of coal mines, factories, power plants etc. The significant contribution of CO from human activities are (a) Transportation of contributes about 64% ; the main components are motor vehicles -59%, aircrafts -2.5% and railroads 0.1% etc. (b) Miscellaneous sources -17% ; the main components are forest fires -7.3% and agricultural burning 8.5%, (c) Industrial processes ; mainly steel and iron industries and petrolium and paper industries contribute 9.6% CO to the air. CO causes difficulty in breathing, headache and irritation of mucous membranes. If CO is inhaled for few hours it combines with blood haemoglobin to form carboxyhaemoglobin about 210 times faster than oxygen does. Formation of it decreases the overall oxygen carrying capacity of blood to cells resulting into oxygen difficiency.

$CO_2$ is responsible for green house effect. Since it is confined exclusively to the troposphere of the atmosphere, it acts as a serious pollutant. Major amount of $CO_2$ is released in the atmosphere from burning of fossil-fuel. From it alone more than $18 \times 10^{12}$ tonnes of $CO_2$ is being released every year. In our country, thermal power plants release about 50 million tonnes of $CO_2$ each year in the atmosphere.

India is among the word's top 10 emitters of $CO_2$, but its per capita emission is still $^1/_6$ th of the global averages. However, it is estimated that India's $CO^2$ emissions will increase almost 2.5 times by 2050.

Nitrogen oxide (NOx) represents composite atmosphere gases, nitric oxide (NO) and nitrogen dioxide ($NO_2$), which are primarily involved in air pollution. Natural bacterial ac-

tion discharges about $5 \times 10^3$ tones of NOx, mainly in the form of NO, every year all over the world, where as man-made sources annually release $5 \times 10^7$ tonnes of NOx due to combustion of oil, coal, natural gas and gasoline. NO is responsible for several photochemical reactions in the atmosphere $NO_2$ is highly injurious to plants. It causes irritation of lung.

Hydrocarbons are also responsible for air pollution and green house effect. A large quantities of it is emitted by trees and 15% of it is from human activities in each year which results maximum damage to human beings and plants. From hydrocarbons the chief air pollutants are benzene, benzpyrene and methane. Methane emitted from animals and benzene from gasoline. Benzpyrene is present in small amount in smoke, tobaco, charcoal, gasoline eschaust etc. Benzene and Benzphy are cancer inducing hydrocarbon pollutants.

The oxides of sulphur are the most serious pollutants in the atmosphere. The chief source of SOx are the combustion of coal and petroleum and other processes as manufacture of suphuric acid and fertilizers. Sulphate aerosols in air generally smaller than 2 micron (1 micron = $10^{-4}$ cm) so they can easily penetrate the inner most passages of the lungs and cause serve respiratory troubles. $SO_2$ causes intense irritation to eyes and causes damage to plants.

Acid rains is assumed to be a global ecological problem. It increase soil acidity, thus affecting land flora and fauna ; cause acidification of lakes and strems thus affecting aquatic life, affects crop productivity, human health etc.

The fine particles of asleestoes and toxic metals (< 3 micron) are the worst causes of lung damage due to their ability to penetrate.

The Ozone ($O_3$) layer absorbs UV radiation and thus protects life on earth. Major pollutants responsible for the depletion of $O_3$ layer are CFC, $NO_x$, hydrocarbons etc. $O_3$ is formed in the atmosphere through chemical reactions involving certain pollutants like $SO_2$, $NO_2$ etc. on absorption UV radiation. Increase in $O_3$ concentration in the atmosphere reduces crop yields significantly and also has adverse affect on human health. Its pollution is likely to become a major global problem during the coming decades.

Atmospheric pollutants are present largly in the troposphere and lower stratosphere. The troposphere carries all the agents that creates air pollution. The supersonic transport aircrafts generate pollution in the stratosphere. The jet engines discharge $CO_2$ and smaller amounts of CO, NOx, $SO_2$ and hydrocarbons. NOx and CFC have direct impact on the Ozone shield by reducing $O_3$ concentration. This is of serious concern for the biosphere.

It is quite difficult to summarise the causes of imbalance of atmosphere. It is due to various reasons. It is just an endeavour to enlight the various side affects due to various types of pollution arising from different sources. We the human beings should take initiatives and also some certain steps individually or collectively which can control any type of pollution in future in our atmosphere so that the atmosphere will be in balanced condition and the depletion of the Ozone layer will also be stopped. ❖❖❖❖

# ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা দুটামান বিশেষ অনুষ্ঠানৰ ৰেঙনি

*পবন গগৈ*
*সহকাৰী অধ্যাপক, শিক্ষাতত্ত্ব বিভাগ*

ডিগবৈ মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা ডিগবৈ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আনুষ্ঠানিকভাৱে শিক্ষাৰ্থীসকলক জ্ঞান-অভিজ্ঞতা প্ৰদান কৰি অহাৰ লগতে মহাবিদ্যালয়খনে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সম্প্ৰসাৰণমূলক আৰু সামাজিক দায়বদ্ধতা পৰিচায়ক কাৰ্যসূচী হাতত লৈ আহিছে। এই লেখকৰ তেনে কিছুমান কাৰ্যসূচীত উপস্থিত থকাৰ সৌভাগ্য হৈছিল। তেনে কেইটামান নিৰ্বাচিত কাৰ্যসূচীক লৈয়েই এই লেখা। অনিচ্ছাকৃতভাৱে বাদ পৰি যাব পৰা কথাবোৰ বা অন্যান্য ত্ৰুটি-বিচ্যুতিৰ বাবে লেখক ক্ষমাপ্ৰাৰ্থী। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে ইয়াত কেৱল ২০০৯ চনৰ পৰা লেখাটো প্ৰস্তুত কৰা তাৰিখলৈকে অনুষ্ঠিত কাৰ্যসূচীসমূহহে বিবেচনা কৰা হৈছে।

**শিক্ষক-অভিভাৱক সংস্থাৰ সভা ঃ**

যোৱা ১৭-০৫-২০০৯ তাৰিখে মহাবিদ্যালয় প্ৰেক্ষাগৃহত ডিগবৈ মহাবিদ্যালয় শিক্ষক-অভিভাৱক সংস্থাৰ এখনি সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সংস্থাৰ সভাপতি গোপাল দাসে সভাপতিত্ব কৰা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে সংস্থাৰ সাধাৰণ সম্পাদক অধ্যাপক অশোকানন্দ চক্ৰৱৰ্তীয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা উপস্থিত থকা সভাখনিত উপাধ্যক্ষ গোলাপ কলিতাই বিগত কালত মহাবিদ্যালয়খনে গ্ৰহণ কৰা বিভিন্ন ছাত্ৰ-কল্যাণমূলক পদক্ষেপৰ বিস্তৃত বৰ্ণনা ডাঙি ধৰে। সম্পাদক অশোকানন্দ চক্ৰবৰ্তীয়ে বিগত বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন দাখিল কৰাৰ পিছতে বক্তব্য ৰাখে অভিভাৱক দিলীপ ভট্টাচাৰ্য, অধ্যাপক কেদাৰনাথ তিমচিনা, অধ্যাপক পূৰ্ণানন্দ শইকীয়া, অভিভাৱক টি. পি. শৰ্মা, অভিভাৱক এ. কে. আগ্ৰহৰি, অভিভাৱক মিনাক্ষী বৰা, অভিভাৱক অনিল শৰ্মা আদিয়ে। সভাই সৰ্বসন্মতিক্ৰমে নিম্নোক্ত প্ৰস্তাৱ দুটা গ্ৰহণ কৰে —

(১) শিক্ষক-অভিভাৱক সংস্থাৰ সভা বছৰত অন্ততঃ দুবাৰকৈ অনুষ্ঠিত কৰা হওঁক আৰু

(২) অতি সোনকালে পুনৰ অন্য এখন সভা আয়োজন কৰি নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হওঁক।

সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সংস্থাৰ সহঃসম্পাদক অধ্যাপক পবিত্ৰ ভৰালীয়ে।

**শিপাৰ সন্ধানত ঃ**

ডিগবৈ মহাবিদ্যালয়ৰ ইতিহাসত "শিপাৰ সন্ধানত" শীৰ্ষক এটি ব্যতিক্ৰমধৰ্মী অনুষ্ঠিত হৈ যায় ২০-০১-২০০৯ তাৰিখে। এই ব্যতিক্ৰমধৰ্মী অনুষ্ঠানটোলৈ আমন্ত্ৰণ কৰি অনা হয় বিশিষ্ট কথাশিল্পী ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী আৰু জনপ্ৰিয় কবি প্ৰণয় ফুকনক। আৰম্ভণিতে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° মৃনাল কুমাৰ গগৈয়ে আঁত ধৰা অনুষ্ঠানটি সঞ্চালনা কৰে বিশিষ্ট সাহিত্যিক, সাহিত্যিক পেঞ্চনাৰ পূণ্য শইকীয়াই। বিষয়বস্তুৰ অগতানুগতিকতা, গভীৰ জীৱন-দৃষ্টি, প্ৰাঞ্জল প্ৰকাশভংগীৰে অসমীয়া গদ্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা 'অনুৰাধাৰ দেশ'ৰ স্ৰষ্টাজনে উপস্থিত দৰ্শকৰ সৈতে অন্তৰংগভাৱে ভাব-বিনিময় কৰে। ইফালে পেছাত চিকিৎসা বিজ্ঞানৰ অধ্যাপকৰূপে কৰ্মৰত জনপ্ৰিয় কবি প্ৰণয় ফুকনে কেইবাটাও কবিতা পাঠ কৰাৰ লগতে কাব্যনুৰাগী দৰ্শকৰ সৈতে অন্তৰংগ আলাপ কৰে।

**স্মৃতি ব্যৱস্থাপনাৰ কৰ্মশালা ঃ**

২৩-০৫-২০৯৯ তাৰিখে মহাবিদ্যালয় প্ৰেক্ষাগৃহত গ্ৰীনিজ বুক ৰেকৰ্ড সৃষ্টিকাৰী প্ৰতিভা, নতুন দিল্লীৰ বিঃকেঃ চন্দ্ৰশেখৰে "স্মৃতি ব্যৱস্থাপনা" শীৰ্ষক এটি কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিগবৈ আৰু তিনিচুকীয়া প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ ক্ৰমে ৰেণু কুমাৰী আৰু ৰজনী কুমাৰীয়ে। সমল ব্যক্তি চন্দ্ৰশেখৰক ফুলাম গামোচা আৰু পৰম্পৰাগত কাঁহৰ শৰাইৰে উষ্ম আদৰণি জনোৱাৰ পিছতে উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় মহাবিদ্যালয়ৰ ৰিচাৰ্চ কনছালটেন্সি এণ্ড এক্সটেন্সন উপ-সমিতিৰ আহ্বায়ক অধ্যাপক প্ৰদীপ কুমাৰ খাউণ্ডে। বন্তি প্ৰজ্বলনৰ ঠিক পিছতে সমল ব্যক্তিগৰাকীৰ এটি চমু পৰিচয় ডাঙি ধৰে পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপিকা ৰশ্মি পাটোৱাৰীয়ে। মহাবিদ্যালয়খনৰ উপৰিও ইয়াৰ দাঁতিকাষৰীয়া শিক্ষানুষ্ঠানসমূহৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি উপকৃত হোৱা কৰ্মশালাখনিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক প্ৰদীপ কুমাৰ খাউণ্ডে।

**সাহিত্য অকাডেমীৰ বক্তৃতানুষ্ঠান ঃ**

"মামনি ৰয়ছম গোস্বামী প্ৰকৃততে এগৰাকী মানৱতাবাদী লেখিকা। তেওঁক নাৰীবাদী লেখিকা বুলি আখ্যা দিব নোৱাৰি। যদিও তেওঁৰ উপন্যাসসমূহৰ বেছিভাগেই নাৰী প্ৰধান, তথাপিও তেওঁক নাৰীবাদী লেখিকা বুলিব নোৱাৰি কাৰণ তেওঁৰ উপন্যাসবোৰত কেৱল নাৰীয়েই দুখ-কষ্টৰ সন্মুখীন হোৱা নাই বা নাৰীয়েই অৱহেলিত-নিষ্পেষিত হৈ থকা নাই, পুৰুষো সমানে শোষিত-বঞ্চিত হৈছে। এই বাদক, সেইকাৰণে মানৱতাবাদহে বুলিব লাগিব।" — এই মন্তব্য বিশিষ্ট লেখক, সাহিত্য সমালোচক ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ। যোৱা ০৩-১০-২০০৯ তাৰিখে সাহিত্য অকাডেমী আৰু ডিগবৈ মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত, ডিগবৈ মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত "মোৰ দৃষ্টিৰে" শীৰ্ষক বক্তৃতানুষ্ঠানত জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক মামনি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতিৰ ওপৰত এক মননশীল বক্তৃতা প্ৰদান কৰে তেখেতে। সাহিত্য অকাডেমী, আঞ্চলিক শাখা, কলকাতাই পৃষ্ঠপোষকতা কৰা উক্ত অনুষ্ঠানটি সঞ্চালনা কৰে সাহিত্য অকাডেমী অসম শাখাৰ সংযোজিকা তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্ৰাধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিবেশিত এটি কোৰাছেৰে আৰম্ভ কৰা বক্তৃতানুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱাই আৰু শলাগ জ্ঞাপন কৰে সাহিত্য অকাডেমী, আঞ্চলিক শাখা, কলকাতাৰ প্ৰতিনিধি ড° শান্তনু গংগোপাধ্যায়ে।

**ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ ঃ**

ডিগবৈ মহাবিদ্যালয়ৰ ইতিহাসত দ্বিতীয়বাৰৰ কাৰণে ৩০/১০/২০০৯ আৰু ৩১/১০/২০০৯ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। ডিগবৈ কলেজ কোৰাছেৰে শুভাৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানটিত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱাই। অধ্যক্ষগৰাকীয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ পিছতে উদ্বোধনী ভাষণ প্ৰদান কৰে কলকাতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুদীপ্তি বেনাৰ্জীয়াই। ভাৰতীয় তেল নিগম (অসম তেল সংমণ্ডল)ৰ কাৰ্যবাহী সঞ্চালক সুব্ৰত ঘোষে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাঞ্জল বেজবৰা, অসম প্ৰডাক্টিভিটি কাউঞ্চিলৰ অধ্যক্ষ বি. পি. বাক্সী, উৎকল বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰঞ্জন কুমাৰ বল আৰু ডিগবৈ মহাবিদালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কলিতাই। ভাৰতীয় এণ্ট্ৰযযাপ্ৰেনিউৰশ্বিপ প্ৰতিষ্ঠান, গুৱাহাটীৰ এণ্ট্ৰাপ্ৰেনিউৰশ্বিপ শিক্ষাকেন্দ্ৰৰ মুৰব্বী প্ৰণব শৰ্মাই মূল ভাষণ প্ৰদান কৰা অনুষ্ঠানটিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় আলোচনাচক্ৰখনিৰ সমন্বয়ক অধ্যাপক ভৱভূতি শংকৰ বৰুৱাই। অসমৰ বিভিন্ন প্ৰান্তৰৰ মহাবিদ্যালয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰিও উৰিষ্যা, পশ্চিমবংগ, মেঘালয় আদি ৰাজ্যৰ একচল্লিছজন গৱেষকে গৱেষণাপত্ৰ পাঠ কৰা দুদিনীয়া আলোচনাচক্ৰখনিত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° এ. বি. ৰাজকোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ

অধ্যাপক ড° অমৃত পাল সিং, উত্তৰ-পূৰ্ব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° এন. পাণ্ডা, কলকাতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুদীপ্তি বেনাৰ্জিয়া, অসম প্ৰডাক্টিভিটি কাউঞ্চিলৰ অধ্যক্ষ বি.পি. বাক্সী, উৎকল বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° আৰ. কে. বল আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাঞ্জল বেজবৰাই। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আছুতীয়াকৈ আয়োজন কৰা গবেষণাপত্ৰ পাঠৰ বিশেষ অধিৱেশনখনিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত ৰখা ছাত্ৰ-ছাত্ৰীসকলৰ উক্ত বিশেষ অধিৱেশনখনিত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ এশ চৌৱিশজন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি গবেষণাপত্ৰ পাঠ কৰে। অধ্যাপক ড° প্ৰাঞ্জল বেজবৰাই সঞ্চালনা কৰা অধিৱেশনখনিত পাঠ কৰা গৱেষণাপত্ৰসমূহৰ মাজৰ পৰা তিনিখন শ্ৰেষ্ঠ গবেষণাপত্ৰ নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়। পুৰস্কাৰ পাবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকল হ'ল ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী অনিন্দিতা কাকতি, ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ বাণী ছালহোট্ৰা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইন্দ্ৰপিত ৰালিয়া আৰু নিচান থাৰ্ড।

**জনপ্ৰিয় বক্তৃতানুষ্ঠান ঃ**

যোৱা ২৪-১২-২০০৯ তাৰিখে দিনৰ ১০.৩০ বজাত "ঔষধিমূলক উদ্ভিদ আৰু উত্তৰ-পূব ভাৰতত ইয়াৰ বাণিজ্যিক সম্ভাৱনা" শীৰ্ষক এটি জনপ্ৰিয় বক্তৃতানুষ্ঠান সম্পন্ন হৈ যায়। ডিগবৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত আয়োজিত এই জনপ্ৰিয় বক্তৃতানুষ্ঠানটিত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন উদ্ভিদ বিজ্ঞানী, নেডফি ক্ষেত্ৰীৰ বিজ্ঞানী ড° পদ্মেশ্বৰ গগৈয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা উপস্থিত থকা উক্ত অনুষ্ঠানটি সঞ্চালনা কৰে মহাবিদ্যালয়ৰ কাৰ্যবাহী অধ্যক্ষ গোলাপ কলিতাই। ডিগবৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° তিলক চন্দ্ৰ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানটিত আৰম্ভণি পৰ্যায়টোৰ আঁত ধৰে উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা পাপৰি কলিতাই। সমল ব্যক্তি ড° গগৈয়ে ভাষণ প্ৰসংগত কয় যে সাম্প্ৰতিক সময়ৰ বাণিজ্যিক পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি মূল্য সংযোজিত কৃষিকৰ্মৰ ওপৰত গুৰুত্ব দিয়াৰ সময় আহি পৰিছে। উত্তৰ-পূব ভাৰতৰ কিছুমান ঔষধিমূলক উদ্ভিদ যেনে — সৰ্পগন্ধা, চিত্ৰনলা, গানকচু, বগা চন্দন, অগৰু, দুবৰি বন, কালমেঘ আদিৰ গুণাগুণ আৰু ইবোৰৰ বাণিজ্যিক সম্ভাৱনীয়তা সম্পৰ্কে তেওঁ এক সাৰগৰ্ভ বক্তৃতা আগবঢ়ায়। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক ড° তিলক চন্দ্ৰ দত্তই।

**কলেজ শিক্ষক সংস্থাৰ মাণ্ডলিক অধিৱেশন ঃ**

অসম কলেজ শিক্ষক সংস্থাৰ তিনিচুকীয়া মাণ্ডলিক সমিতিৰ পঞ্চম বাৰ্ষিক অধিৱেশনখনি ১৩-০৫-২০১০ তাৰিখে ডিগবৈ মহাবিদ্যালয় শিক্ষক গোটৰ সৌজন্যত ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত অধিৱেশনখনিত সংস্থাৰ পতাকা উত্তোলন কৰে তিনিচুকীয়া মণ্ডলৰ সভাপতি বীৰেন্দ্ৰ হাজৰিকাই আৰু ডিগবৈ মহাবিদ্যালয় শিক্ষক গোটৰ পতাকা উত্তোলন কৰে গোটৰ সভাপতি পূৰ্ণানন্দ শইকীয়াই। স্মৃতি তৰ্পণ কৰে ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষা দীপিকা হাজৰিকাই। অধিৱেশনৰ মূল কাৰ্যসূচী প্ৰতিনিধি সভা আৰু মুকলি সভা এই দুই ভাগত অনুষ্ঠিত হয়। ডিগবৈ মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক পবিত্ৰ ভৰালীয়ে আঁত ধৰা এই দুয়োখন সভাতে সভাপতিত্ব কৰে তিনিচুকীয়া মণ্ডলৰ সভাপতি বীৰেন্দ্ৰ হাজৰিকাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে মণ্ডলৰ সম্পাদক ড° অমৰজিৎ শইকীয়াই। ডিগবৈ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ দিব্যজ্যোতি কাকতিৰ দ্বাৰা পৰিবেশিত এটি বৰগীতেৰে শুভাৰম্ভ কৰা প্ৰতিনিধি সভাখনিত মণ্ডলৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ প্ৰতিনিধিসমূহক উদ্দেশ্যি আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষা দীপিকা হাজৰিকাই। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অধ্যাপক ৰানা চাংমাই আৰু কেন্দ্ৰীয় পৰ্যবেক্ষক অধ্যাপক মহেশ্বৰ শইকীয়াৰ উপস্থিতিত আগন্তুক কাৰ্য্যকালৰ বাবে এনেধৰণেৰে মণ্ডলৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়, — সভাপতি, ড° দেব বৰা (মাৰ্ঘেৰিটা মহাবিদ্যালয়), উপ-সভাপতি, পূৰ্ণানন্দ শইকীয়া (ডিগবৈ মহাবিদ্যালয়), সম্পাদক, ড° দীপক গোস্বামী (ডিগবৈ মহিলা মহাবিদ্যালয়), সহঃসম্পাদক, মনোজ গোস্বামী (তিনিচুকীয়া মহাবিদ্যালয়),

কোষাধ্যক্ষ, কেদাৰনাথ তিমচিনা (ডিগবৈ মহাবিদ্যালয়) আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰানা চাংমাই (তিনিচুকীয়া মহাবিদ্যালয়)। ইফালে মুকলি সভাত উপস্থিত থাকে অসম কলেজ শিক্ষক সংস্থা, কেন্দ্ৰীয় সমিতিৰ সভাপতি নৰেন চাংমাই, সাধাৰণ সম্পাদক ড° ৰঞ্জিৎ কুমাৰ বৰদলৈ আৰু সহঃ সম্পাদক জ্যোতিকমল হাজৰিকা। শেষত শলাগ জ্ঞাপন কৰে ডিগবৈ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি অধ্যাপক পূৰ্ণানন্দ শইকীয়াই।

**অধ্যয়ন চক্ৰৰ মুকলি চ'ৰা ঃ**

ডিগবৈ মহাবিদ্যালয় শিক্ষক গোটৰ অধ্যয়ন চক্ৰই ০৯/০৬/২০১০ তাৰিখে শিক্ষক জিৰণি কোঠাত এখনি মুকলি চ'ৰা অনুষ্ঠিত কৰে। "ভাৰতীয় গণতন্ত্ৰ আৰু মহিলাৰ বাবে সংৰক্ষণ ব্যৱস্থা" শীৰ্ষক বিষয়ত অনুষ্ঠিত চ'ৰাখনি সঞ্চলানা কৰে ডিগবৈ মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি অধ্যাপক পূৰ্ণানন্দ শইকীয়াই। মহাবিদ্যালয়ৰ অধ্যক্ষা দীপিকা হাজৰিকাই সন্মানীয় অতিথি হিচাপে উপস্থিত থকা উক্ত চ'ৰাখনিত নিৰ্ধাৰিত বিষয়ৰ ওপৰত মূল বক্তৃতা প্ৰদান কৰে যথাক্ৰমে নতুন সাহিত্য পৰিষদ, অসমৰ সভাপতি মদন মোহন চৌধুৰী আৰু বিশিষ্ট লেখিকা চিত্ৰলেখা বৰাই। শিক্ষক গোটৰ সম্পাদক অধ্যাপক পবিত্ৰ ভৰালীয়ে সমল ব্যক্তিদুজনক সম্বৰ্দ্ধনা জনোৱাৰ পিছতে উদ্দেশ্য ব্যাখ্যা কৰে অধ্যয়ন চক্ৰৰ আহ্বায়ক পবন গগৈয়ে। নিৰ্ধাৰিত বিষয়ত মূল বক্তা দুজনে আলোকপাত কৰাৰ আগতে "মহিলাৰ বাবে সংৰক্ষণ বিধেয়ক - ২০০৯"ৰ সাৰমৰ্ম উপস্থাপন কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অৰুণ চন্দ্ৰ দত্তই। ইয়াৰ পিছতে উপস্থিত দৰ্শকে এক মত বিনিময় শিতানত ভাগ লয়।

**কেৰিয়াৰ কাউঞ্চেলিং কোষৰ কৰ্মশালা ঃ**

ডিগবৈ মহাবিদ্যালয় কেৰিয়াৰ কাউঞ্চেলিং কোষৰ উদ্যোগত ২৯ আৰু ৩০ নবেম্বৰ, ২০১০ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষ আৰু স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে "যোগাত্মক মানসিক স্বাস্থ্য আৰু জীৱন-কৌশল" শীৰ্ষক এখনি কৰ্মশালা অনুষ্ঠিত হৈ যায়। কৰ্মশালাখনিৰ দুয়োটা দিনতে সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটীস্থিত মেণ্টেল এণ্ড ইণ্টেলেক্টুৱেল নিড্‌চ ডেভেলপমেণ্ট, ইণ্ডিয়াৰ সভাপতি ড° সংগীতা গোস্বামী, সম্পাদক অভিজিৎ গোস্বামী আৰু দিল্লী পাব্লিক স্কুল, দুলীয়াজানৰ শিক্ষয়িত্ৰী মীনাক্ষী গোস্বামী শৰ্মা। সৰ্বমুঠ ৮৩ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিৰ দ্বিতীয়দিনা প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত সভাখনি আঁত ধৰে ডিগবৈ মহাবিদ্যালয় কেৰিয়াৰ কাউঞ্চেলিং কোষৰ সমন্বয়ক অধ্যাপিকা অপৰাজিতা গগৈয়ে আৰু সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা দীপিকা হাজৰিকাই।

❖❖❖❖

# TIME TRAVEL

***Rofique Hussain***
***B.SC 1st year***
***Chemistry (Dept)***

In H.G. Wells movel, THE TIME MACHINE, our protagonist jumped into a special chair with blinking lights, spun a few dials, and found a himself catapulated several hundred thousand years into the future, where England has long disappeared and is now inhabited by two groups of strange creatures, the Marlocks and the Eloi.

That may have made great fiction, but physicists have always scoffed at the idea of time travel, considering it to be the realm of cranks, myotics, and charlatans, and with good reason. However, rather remarkoble advance in quantum gravity are reviving the theory; time travel has now become fair game for theoretical physicists.

One stubborn problem with time travel is that it is riddled with several types of paradoxes. For example, there is the paradox of the man with no parents : What happens when you go back in time and kill your parents before you are born ? If your parents died before you were born, then how would you have been born to kill them in the first place ?

There is also the parodox of the man with no past. For example, let's say that a young inventor is trying futility to build a time machine in his garage. Suddenly, an elderly man appears from nowhere and gives the young the secret of building a time machine. The young man then becomes enormously rich playing the stock market, race tracks, and sporting events because he knows the future. Then, as an old man, he decides to make his final trip back to the past and give the secret of time travel to his youthful self. Where did the idea of the time machine come from ?

Not surprisingly, time travel has always been considered impossible. After all, Newton believed that time was like an arrow; once fired, it soared in a straight, undeviating line. One second on the Earth was one second on Mars. Clocks scattered throughout the universe beat at the same rate.

Einstein gave us a much more radial picture. According to Einstein, time was more like a river, which meandered around stars and galaries, speeding up and slowing down so it passed around massive bodies, One second on the Earth was NOT one second on Mars Clocks seattered throughout the universe beat to their own drummer.

However, before Einstein died, he was faced with an embarrassing problem. Einstein's neighbor at Princeton, Kurt Godel, perhaps the greatest mathematical logicion of the past 500 years, found a new solution to Einstein's own equations which allowed for time travel !

The "river of time" now had whirlpools in which time could wrap itself into a circle.

Godel's solution was quite ingenious: It postulated a universe filled with time that flowed like a rotating fluid. Any one wolking along the direction rotation would find oneself back at the starting point, but backwards in time !

In his memoirs, Einstein wrote that he was disturbed that his equations contained solutions that allowed for time travel. But he finally concluded that the universe does not rotate, it expands (as in the Big Bang theory) and hence Godel's solution could be thrown out for "physical reasons" (Apparently, if the Big Bang was rotating, then time travel could be possible throughout the universe !)

Then in 1963 Roy Kerr, a New Zealand mathematician, found a solution of Einstein's equations for a rotating black hole, which has bizarre properties. The black hole would not callapse to a point (as previously thought) but into a spinning ring (of neutrions). The ring would be circulating so rapidly that centrifugal force would keep the ring from collapsing under gravity.

The ring in turn, acts like Alice's Looking Glass. Any one walking through the ring would not die, but could pass through the ring into an alternate universe. Since then, hundreds of other " wormhole" solutions have been found to Einstein's equations. These wormholes connect not only two regions of space (hence the name) but also two regions, of time as well. In principle, they can be used as time machines.

Recently attempts to add the quantum theory to gravity (and hence creata a " Theory of everything") have given us some insight into the paradox problem.

In the quantum theory, we can have multiple states of any object. For example, an electron can exist simultaneously in different orbits (a fact which is responsible for giving us the lawes of chemistry). Similarly, Schrodinger's famous cat can exist simultaneously in two possible state : dead or alive. So by going back in time and altering the past, we merely create a parallel universe. So we are changing someone else's past by saving, for example, Ahraham Lincoln from being assassinated at the Ford theater, but our Lincoln is still dead. In this way, the river of time forks into two separate rivers.

But does this mean that we will be able to jump into H.G Well's machine, spin a dial, and soar several hundred thousand years into a future of some India ?

No, or at least, not right now. There are a number of difficult hurdles to overcome. First, the main problem is one of energy. In the same way that a car needs gasoline, a time machine needs to have fabulous amounts of energy. One either has to harness the power of a star, or to find something called "exotic" matter (which falls up. rather than down) or find a source of negative energy. (Physicists once thought that negative energy. was impossible But tiny amounts of negative energy have been experimentally verified for something called the Casimir effect, is the energy created by two parallel platet.) All of these are exceedingly difficult to obtain in large quantities, at lesst for several more centuries !

Then there is the problem of stability. Kerr's rotating black hole, for example, may be unstable if one falls through it. Similarly, quantum effects may build up and destroy the wormhole before you enter it. Unfortunately, our mathematics is not powerful enough to answer

the question of stability because you need a "theory of everything" which combines both quantum forces and gravity. At present, superstring theory is the leading candidate for such a theory. (Actually, it is the only candidate; it really has no rivals at all.) In principle, if we add more and more dimensions, we can ripple and bend them in different ways, therpley creating more forces. In 10 dimensions, in fact, we can accomodate all four fundamental forces ! Actually, its not that simple. By naively going to 10 dimensions, we also introduce a host of esoteric mathematical inconsistencies (eg, infinities and anomalies) that have killed all previous theories. The only theory which has survived every challenge posed to it is called superstring theory, in which this 10 - dimensional universe is inhabited buy tiny strings in fact, in one sluoop, this 10- dimensionll string gives up a simple, compelling unification of all forces. Like a violin string, these tiny strings can vibrate and create resonance or "notes," That explains why there are so many sub - atomic particles; they are just notes on a superstring. Similarly, when the string moves in space and time, it wraps the space around it, just as Einstei.ı predicted. Thus, in a remarkably simple picture, we can unify gravity (as the bending of space caused by moving strings) with the other quantum forces (now viewed as librations of the string)

But superstring theory, is still too difficult to solve completely, because the theory of everything is really a theory of creation, thus to fully test the theory requires re - creating Creation !

Interestingly enough, Stephen Hawking once opposed the idea of time travel. He even claimed he had "empirical" evidence against it. If time travel existed, he said, then we would have been visied by tourists from the future. Yes we see no tourists from the future.

Because of the enormous amount of work done by theoretical physicists within the last five years or so, Hawking has since changed his mind, and now believe that time travel is possible (although not necessnrily practical). Furthermore, perhaps we are simply not very interested in these tourists from the future. Anyone who can harness the power of a star would consider us to be very Primitive. Imogine your friends coming across an ant hill. Would they bend down to the ants and give them trinkets, books, medicine and power ? Or would some of your friends have the stronge urgo to step on a few of them ?

In conclusion, don't turn someone away at your door one day and claims to be your future great great great grond sor . He may be right.

❖❖❖❖

# বনছাই

*হিমামী বড়া*
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

নৱ নৱ উদ্ভাৱনাৰে মানুহে পুৰণি পৃথিৱীৰ বুকুত উদ্ভাসিত কৰিছে এখন নতুন পৃথিৱী। চিত্ৰ, ভাস্কৰ্য আদিৰ মাধ্যমেৰে শিল্পী মনৰ সৌন্দৰ্যবোধৰ পৰিচয় দিয়েই ক্ষান্ত নাথাকি প্ৰকৃতিৰ বিভিন্ন গছ-গছনিক যাদুকৰি হাতৰ পৰশেৰে মানুহে নতুন ৰূপ দিছে। অভিনৱ, আশ্চৰ্য সৃষ্টিৰ বাবে অহৰহ প্ৰচেষ্টা চলাই থকা মানুহৰ সৌন্দৰ্য পিপাসু, সৃষ্টিশীল মনটোৰ ওচৰত প্ৰকৃতিয়েও যেন আত্মসমৰ্পণ কৰিবলৈ বাধ্য। আকাশ চুব খোজা বৃহৎ বৃক্ষক ঘৰৰ ভিতৰত সুন্দৰকৈ ফুল, ফল, পাত আদিৰ সৈতে সু-সজ্জিত কৰি ৰাখিব পৰাৰ দৰে অবিশ্বাস্যক বিশ্বাসযোগ্য কৰি তুলিব পাৰে বনছাই শিল্পই।

**বনছাইৰ ইতিহাস ঃ**

আধুনিক মানৱৰ গৃহসজ্জাৰ সম্পদসমূহৰ তালিকাভুক্ত হোৱা এপদ মূল্যবান সম্পদ হৈছে বনছাই। বৰ্তমান বহুলোকৰ 'হবি' ৰূপেও পৰিগণিত হৈছে 'বনছাই' কৰা। বনছাই বুৰঞ্জী বিচাৰি আমি যাব লাগিব ভাৰতৰ সীমা অতিক্ৰম কৰি সুদূৰ চীন দেশত। চীন দেশত ১৫০০-২০০০ বছৰ আগেয়ে বনছাইৰ ইতিহাস আৰম্ভ হয়। চীনাসকলে বনছাইক বুজাবলৈ 'PENJING' শব্দটো ব্যৱহাৰ কৰিছিল। বহল অৰ্থত এই শব্দই গছ-গছনি ৰোৱা বিদ্যা 'Rock planting' আৰু 'Tray Landscape' ক সাঙুৰি লৈছিল। 'Bon-sai' দুটা শব্দৰ সমষ্টি। 'Bon' মানে Tray আৰু 'Sai' মানে Small Tree (সৰু গছ)। অৰ্থাৎ বনছায়ে ট্ৰেত ৰোপন কৰা সৰু গছক বুজায়।

জাপানত ১৩০০ বছৰৰ আগতে বনছাইৰ বুৰঞ্জী আৰম্ভ হৈছিল বুলি বিভিন্ন উৎসৰ পৰা জনা যায়। খ্ৰীষ্টপূৰ্ব ২২১-২০৬ ত চীনা ৰাজবংশৰ কালত বৌদ্ধ ধৰ্মই চীন আৰু জাপানৰ মাজত সমন্বয়ৰ সাঁকো গঢ়ি তুলিছিল। বহু বৌদ্ধ ভিক্ষুৱে ধৰ্মীয় অনুষ্ঠানত ব্যৱহাৰৰ বাবে পাত্ৰত বৃক্ষ ৰোপন কৰিবলৈ উৎসাহিত কৰাৰ ফলশ্ৰুতিত বনছাইৰ জনপ্ৰিয়তা বৃদ্ধি পাইছিল। জাপানীসকলে বনছাইক উন্নীত কৰিলে সুশোভিত শিল্প কৰ্মলৈ। জাপানৰ এক পুৰণি তথ্যৰ পৰা জনা যায় যে ১১৯৫ চনৰ এক চিত্ৰৰ নুৰাক কোৱা হৈছিল 'The Saigyo Momogatari Emakil Saigyo' আছিল এজন বৌদ্ধ ভিক্ষু। সেই চিত্ৰৰ নুৰাত চিত্ৰিত হৈছিল পাত্ৰত ৰোপণ কৰা বৃক্ষ আৰু এই বৃক্ষ আছিল বৌদ্ধ ভিক্ষুজনৰ গুৰুত্বপূৰ্ণ মৰ্যাদাৰ প্ৰতীক। ইয়াৰ পৰা জাপানত বনছাইৰ গুৰুত্ব আৰু জনপ্ৰিয়তা উমান পাব পাৰি।

চীনদেশক বনছাইৰ জন্মস্থান বুলি কোৱা হয় যদিও বনছাই অপূৰ্ব কলালৈ ৰূপান্তৰিত হয় জাপানীসকলৰ সুনিপুন হাতৰ পৰশত। ১৯০০ শতিকাত বনছায়ে অধিক জনপ্ৰিয়তা লাভ কৰে। বিভিন্ন উন্নত কৌশল বনছাইত প্ৰয়োগ কৰি বহুলোকে এই মনোমোহা শিল্প বিধক ব্যৱসায়িক ভিত্তিত গ্ৰহণ কৰে। ১৯০১ চনত 'Japan Society of London' ৰ বনছাইৰ সৈতে পৰিচয় হয় আৰু ১৯০৫ চনত 'Cassells Encyclopedia of Gar-dening' ত বনছাইৰ উল্লেখ পোৱা যায়। বনছাইৰ প্ৰথম প্ৰদৰ্শনী হয় ১৯০৯ চনত লণ্ডনত। ইয়াৰ পিছত পেৰিচ আৰু বিশ্বৰ আন আন প্ৰধান চহৰবোৰত বনছাইৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। লাহে লাহে বনছায়ে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে।

**বনছাইৰ জৰিয়তে বৃহৎ বৃক্ষক সৰু পৈণত বৃক্ষলৈ ৰূপান্তৰিত কৰাৰ কৌশল ঃ**

বনছাই শিল্পত কৌশলৰ জৰিয়তে এজোপা ৩০-৩৫ ফুট উচ্চতাৰ বৃক্ষক নিচেই ক্ষুদ্ৰ আকাৰত জীয়াই ৰখা হয়। বনছাই

বুলিলে দেখাত অকণমানি সৰু বৃক্ষ এজোপাক নুবুজায়। অকণমানি বৃক্ষৰ দেহত প্ৰতিফলিত হ'ব লাগিব পৈণত বৃহৎ বৃক্ষৰ বৈশিষ্ট্য। সাধাৰণতে বনছাই বৃক্ষৰ উচ্চতা এক ইঞ্চিৰ পৰা চাৰিফুটলৈকে হোৱা দেখা যায়। চাৰিফুটতকৈ অধিক উচ্চ হ'লে বনছাইৰ সৌন্দৰ্য হ্ৰাস পায়।

বনছাইৰ জীৱন পৰিক্ৰমাত একাধিকবাৰ ডাল কাটিব লগা হয় পৈণত বনছাইৰ আকৃতি উন্নত কৰিবৰ কাৰণে আৰু বনছাইৰ বিভিন্ন ষ্টাইলৰ বাবে গছ কলম কৰা কামটো সঠিকভাৱে কৰিলে গা-গছ বা ডালৰ ক্ষতচিহ্নসমূহ লাহে লাহে নিঃচিহ্ন হৈ পৰে আৰু গছৰ অপকাৰ নহয়। গা-গছৰ গুৰিত ধেনুভিৰীয়াকৈ ডাল কাটি দিলে কটা অংশত পানী জমা হ'ব নোৱাৰে। কলম কৰোতে গছজোপাত যি আঘাত এৰে তাৰ নিৰাময়ৰ বাবে সেই অংশত ৰাসায়নিক দ্ৰব্যৰ প্ৰলেপ বা অন্য প্ৰকাৰে আৱৰি ৰাখিব লাগে। আঘাত প্ৰাপ্ত অংশ সঠিকভাৱে আৱৰি ৰাখিলে গা-গছ বা ডাল শুকাই নাযায় আৰু সোণকালে আৰোগ্য লাভ কৰে। কলম কৰা অংশত অলাগতিয়াল গঁজালি ওলালে সেইবোৰ লাহেকৈ ছিঙি দিব লাগে।

প্ৰতিবছৰে বনছাই বৃক্ষ বাঢ়ি গৈ থাকে। এনে বনছাই বৃক্ষৰ আকাৰ, আকৃতি আদি সঠিক ৰূপত বৰ্তাই ৰখাৰ স্বাৰ্থত বৃদ্ধিৰ গতি প্ৰতিৰোধ কৰিবলৈ বনছাইৰ জগতত পৰিচিত Defoliatingৰ সহায় ল'ব পাৰি। Defoliating য়ে গছৰ পাত সৰোৱাৰ কথা বুজায়। সাৰ, পানী আদিৰ লগতে নিয়মিত যত্নৰ পৰিপ্ৰেক্ষিতত বনছাই বৃক্ষ কেতিয়াবা পাতেৰে ভৰুণ হৈ পৰে। এনে অৱস্থাত বৃক্ষৰ অত্যাধিক পাতবোৰ ছিঙি দিবলগীয়া হয়। বেছিভাগ উদ্ভিদৰে দুবছৰত এবাৰ পাত ছিঙি দিব লাগে। কিন্তু আন কিছুমান বৃক্ষৰ বছৰত দুবাৰমান পাত ছিঙিবলগীয়া হয়। এনেদৰে গ্ৰীষ্মকালতে কিছুমান বৃক্ষক শীতকালৰ ৰূপ প্ৰদান কৰিবলগীয়া হয়।

এজোপা বৃক্ষক সঞ্জীৱনী সুধা প্ৰদান কৰে শিপাই। শিপাৰ অবিহনে বৃক্ষই সেউজীয়া বৰণেৰে, সৌন্দৰ্যৰ আৱৰণেৰে ধৰিত্ৰীৰ বুকুত মূৰ দাঙি থিয় হৈ থাকিব নোৱাৰে। বনছাই শিল্পৰ ক্ষেত্ৰত শিপাৰ সম্পৰ্কে জ্ঞান আৰু প্ৰতিপালন কৰা এক গুৰুত্বপূৰ্ণ বিষয়। বনছাই বৃক্ষৰ শিপাবোৰ মাজে মধ্যে কাটি থাকিব লাগে। বৃহৎ বৃক্ষক বাওনা কৰি ৰখাৰ আঁৰত এই কৌশলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিপা কলম কৰা আৰু পুনঃ ৰোপন কৰা কামটো কৰিব লাগে বসন্তৰ আৰম্ভণিতে বৃক্ষৰ গজালি মেলা প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ আগে আগে। এই শিপা কলম কৰা কাৰ্য সবল শিপা বৃদ্ধিত অৰিহণা যোগায়। শিপা কলম কৰিবলৈ প্ৰথমে গছজোপা টাবৰ পৰা সাৱধানে উলিয়াব লাগে। সুবিধাজনক সঁজুলিৰে শিপাৰ পৰা মাটি আঁতৰাই দিব লাগে যাতে শিপাবোৰ দুখ নোপোৱাকৈ ভালদৰে ওলাই পৰে। ইয়াৰে পিছত অতিৰিক্ত চুলি শিপাবোৰ কাটি দিব লাগে। প্ৰয়োজন হ'লে মূল শিপাৰ কিছু অংশত কাটি দিব পৰা যায়।

**<u>বনছাই শিল্পৰ প্ৰস্তুতকৰণ ঃ</u>**

বনছাইৰ বাবে মাটিৰ চেপেটা (থালৰ নিচিনা) টাবেই আটাইতকৈ উপযোগী। কাৰণ এনে মাটিৰ টাবৰ পানী আৰু জলীয় বাষ্প ধৰি ৰখাৰ ক্ষমতা আছে। বনছাইৰ বাবে প্ৰয়োজনীয় মাটিত এক বা দুই/তিনি বিভিন্ন উপাদান মিশ্ৰিত হৈ থাকিলে ভাল। পানীৰ মুক্ত নিৰ্গম ক্ষমতাসম্পন্ন মাটি বনছাই শিল্পৰ বাবে অধিক উপযোগী। বনছাইৰ উপযোগী মাটিৰ চাৰিভাগৰ এভাগত শেলুৰৈ, এভাগত পলসুৱা মাটি আৰু বাকী দুভাগত খহটা সৰু শিলগুটি থাকিব লাগে। বনছাইৰ মাটি সদায় সেমেকা অৱস্থাত ৰাখিব লাগে। বনছাইত সাৰৰো প্ৰয়োজন আছে। গছ বঢ়াৰ সময়ত অথবা পুনঃ ৰোপণৰ সময়ত সাৰ প্ৰয়োগ কৰিলে সুফল লাভ কৰিব পাৰি। নাইট্ৰ'জেন, ফচফৰাচ, পটাছিয়াম আদি থকা সাৰ ব্যৱহাৰ কৰাৰ উপৰিও বনমিল, খলিহৈ আদিও ব্যৱহাৰ কৰিব লাগে। অন্যান্য ফুল-ফল যুক্ত গছক যি সাৰৰ প্ৰয়োজন হয় বনছাইৰ ক্ষেত্ৰত সেই সমুহেই ব্যৱহাৰ কৰিব পাৰি অতি কম পৰিমাণত।

সাৰ, পানী দিয়াৰ উপৰিও গ্ৰীষ্ম আৰু শীতকালত বনছাইৰ কিছু অতিৰিক্ত যত্নৰ প্ৰয়োজন হয়। বনছাইৰ টাব আৰু বৃক্ষ সদায় পৰিষ্কাৰকৈ ৰাখিব লাগে যাতে কোনো ৰোগ-ব্যাধিয়ে বৃক্ষক ব্যাঘাত জন্মাব নোৱাৰে। শুকান পাতবোৰ লাহেকৈ আঁতৰাই

দিব লাগে। পোক-পৰুৱাই আক্ৰমণ কৰিলে বা কোনো ৰোগে দেখা দিলে তৎক্ষনাত তাৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰিব লাগে। সুন্দৰ বনছাইৰ বাবে গছ-গছনিৰ সুগভীৰ জ্ঞান অপৰিহাৰ্য।

**বনছাইৰ বাবে ৰহনীয়া কৰা ষ্টাইলসমূহ ঃ**

অনুশাসনৰ শিকলিৰে বান্ধি ৰখা, আকাৰত অকণমানি বনছাই বৃক্ষই স্ফুৰণ ঘটাব পাৰে অপূৰ্ব সৌন্দৰ্য। বনছাই বৃক্ষক বিভিন্ন ধৰণে গঢ় দি তোলা হয়। প্ৰতিবিধৰে সৌন্দৰ্য সুকীয়া সুকীয়া। বনছাই শিল্পত প্ৰচলিত কেইবিধমান ষ্টাইল হ'ল — ইনফৰ্মেল আপৰাইট, টুইন অৰ মাল্টি এংক, শ্লেণ্টিং, চেমই কেচকেড, কেচকেড, লিটাৰ এটি, ড্ৰিফট্ উড ইত্যাদি। সকলো ষ্টাইল সকলো বৃক্ষৰ বাবে উপযোগী নহয়। বিভিন্ন ষ্টাইলৰ বাবে বনছাই বৃক্ষৰ ডাল কাটিব লগীয়া হয়। বনছাই বৃক্ষৰ গা-গছ আৰু ডালক তাঁৰেৰে বান্ধি বিভিন্ন ধৰণে ভাঁজ দি বিভিন্ন ষ্টাইলৰ সৃষ্টি কৰিব পাৰি। ৩০-৩৫ দিনতকৈ অধিক সময় গছত তাঁৰ বান্ধি ৰাখিব নালাগে। তাঁৰবোৰ তাম আৰু এলুমিনিয়ামৰ হ'ব লাগে। এনে তাঁৰে গছৰ ক্ষতি নকৰে।

**সামৰণি ঃ**

চীন দেশত জন্ম লাভ কৰা বনছাই শিল্পৰ অকণমানি বৃক্ষই বিশ্বৰ অধিকাংশ ব্যক্তিৰে হৃদয় জিনিছে। বনছাই যেন বিশাল প্ৰকৃতিৰ এক ক্ষুদ্ৰ সংস্কৰণহে। এজোপা সৰ্বাংগ সুন্দৰ বনছাই বৃক্ষৰ বাবে অন্যান্য উপাদানৰ লগতে দীঘলীয়া সময়ৰো প্ৰয়োজন। বয়সৰ লগে লগে বনছাইৰ সৌন্দৰ্য বৃদ্ধি পোৱাৰ লগতে মুল্যও বৃদ্ধি পায়।

বনছাইৰ দ্বাৰা বিভিন্ন বৃক্ষৰ ফুল, ফল আৰু পাতৰ সৌন্দৰ্য উপভোগ কৰিব পাৰি। অসমৰ বাহিৰৰ বিভিন্ন জাতি-প্ৰজাতিৰ বৃক্ষৰ বনছাই অসমত পোৱা যায় যদিও অসমৰ থলুৱা বৃক্ষৰ বনছাইৰ চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পোৱা দেখা গৈছে। পাইন, দেৱদাৰু, আঁহত আদি বৃক্ষৰ পাতৰ সৌন্দৰ্যৰ বাবে বনছাই কৰা হয়। কৃষ্ণচূড়া, বাগানভেলীয়া, তগৰ, বকুল, সোণাৰু আদি গছৰ ফুলৰ সৌন্দৰ্যৰ বাবে বনছাই কৰা হয়। আম, ডালিম, কমলা, নাচপতি, মধুৰি, আমলখি, জলফাই, কৰ্দৈ ইত্যাদি ফল সমৃদ্ধ বৃক্ষই বনছাইৰ পৃথিৱীত সৌন্দৰ্যৰ পোহাৰ মেলে। কেৱল পাতৰ সৌন্দৰ্যৰ বাবে ৰোপণ কৰা বৃক্ষতকৈ ফুল আৰু ফল সমৃদ্ধ বনছাই বৃক্ষ জনপ্ৰিয়তাৰ শিখৰত বুলি বজাৰৰ চাহিদাৰ পৰা জনা যায়। এজোপা বনছাইৰ দাম এহেজাৰৰ পৰা আৰম্ভ কৰি লাখ টকালৈকে।

বনছাইক লৈ বিতৰ্কৰো সৃষ্টি হৈছে। 'বাস্তু শাস্ত্ৰ'ৰ মতে বনছাই ঘৰত ৰাখিব নাপায়। কাৰণ বনছাই বৃক্ষৰ বাঢ়ন শক্তিক বাধা প্ৰদান কৰাৰ দৰে ঘৰৰ উন্নতিতো বাধা আহিব পাৰে। আন কিছুমান ব্যক্তিয়ে মত পোষণ কৰে যে বনছাই হ'ল প্ৰকৃতিৰ প্ৰতি কৰা এক প্ৰকাৰৰ অন্যায়। ইয়াৰ দ্বাৰা গছ-গছনিৰ স্বাধীনতাত হস্তক্ষেপ কৰি অকণমানি মাটিত এটি সৰু পাত্ৰত এজোপা বৃক্ষক সৌন্দৰ্যসহ জীয়াই থাকিবলৈ বাধ্য কৰে।

সি যিয়েই নহওঁক, প্ৰকৃতিৰ পৰা বুটলি অনা গছ-গছনিৰ জৰিয়তে বনছাইয়ে এক জীৱন্ত শিল্পৰ সৃষ্টি কৰে।

❖❖❖❖

# আহোমসকলৰ পৰম্পৰাগত অনুষ্ঠান 'চকলং বিবাহ'



*চাও লক্ষ্যজ্যোতি গগৈ*
*স্নাতক চূড়ান্ত বৰ্ষ, কলা শাখা*

আহোমসকলৰ নিজা ধৰ্ম, ভাষা আৰু সংস্কৃতি সময়ৰ সোঁতত বিলীন হৈ গ'ল যদিও বিবাহ পদ্ধতিটো কিন্তু জীয়াই থাকিল। পুৰণি কালত অসমৰ জনজাতি বিলাকৰ মাজত বা কছাৰী, বৰাহী আদি জাতি বিলাকৰ মাজত পলুৱাই নিয়া বা সাধাৰণ অনুষ্ঠান আদিৰে বিয়া দিয়াৰ নিয়ম চলিছিল কিন্তু তাৰ মাজতে থাকি আহোমসকলে নিজৰ সুকীয়া বিবাহ পদাধতিটো অটুট ৰাখিছিল। আহোমসকলে "নৰকৰ কন্যা উদ্ধাৰিলে শুচি" বুলি যিকোনো বংশ পৰিয়াল বা জাতি-জনজাতিৰে কন্যা বিয়া কৰাইছিল। কিন্তু বিয়া দিওঁতে বংশ-পৰিয়াল, খেল মান আদি সকলো হিচাপ লৈছিল আৰু ফলত সকলো আহোমেই আনুষ্ঠানিকভাৱে বিয়া কৰাইছিল।

আহোমসকলৰ বংশ, পৰম্পৰা আৰু সম্বন্ধ বিচাৰ অতি সুক্ষ্ম আছিল। নিজৰ বংশৰ ভিতৰত কাৰোবাৰ অবৈধ প্ৰণয় ঘটিলে তৎক্ষণাৎ সমাজচ্যুত হৈছিল আৰু এনেলোকক গৰীয়া পৰা বুলিছিল। তদুপৰি একে চমুৱা খেলৰ মাজতো বিবাহ নিষিদ্ধ আছিল। বুঢ়াগোহাঁইৰ পৰম্পৰৰ ভিতৰত আৰু বাইলুং বংশৰ মাজত বিবাহ নিষিদ্ধ আছিল। সেইদৰে বুঢ়াগোহাঁইয়ে বুঢ়াগোহাঁইৰ, বৰগোহাঁইয়ে বৰগোহাঁইৰ, সন্দিকৈয়ে সন্দিকৈৰ, লাহনে লাহনৰ ছোৱালী বিয়া কৰালে তেওঁলোকক যথাক্ৰমে ভেবা গোহাঁই, পাপগুীয়া গোহাঁই, মিৰি সন্দিকৈ, লেজু লাহন আদি নাম দি বংশৰ পৰা পদস্খলন কৰিছিল আৰু কেতিয়াও পুনৰ মান মৰ্যাদা ঘূৰাই নাপাইছিল। সেইবাবেই অভিজাত্য ৰক্ষা আৰু মৰ্য্যাদা লাভৰ আশাৰে হ'লেও আহোমসকলে সামাজিক পদ্ধতিৰে চকলং কৰি বিয়া পাতিছিল।

চকলং প্ৰথা আহোমসকলৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ বৈবাহিক প্ৰথা। আহোম পুৰোহিত, শাস্ত্ৰ আৰু ভাষাৰে চকলং প্ৰথা অনুষ্ঠিত হয়। বিয়াৰ আগতেও কেইবাটাও অনুষ্ঠান পাৰ হৈ যাব লাগিছিল। এইক্ষেত্ৰত দৰাঘৰতকৈ কন্যাঘৰৰ মানুহক অধিক মান কৰা হৈছিল আৰু দৰাঘৰৰ মানুহেহে কন্যা খোজা-বঢ়া কৰা বিষয়ত আগভাগ ল'ব লাগিছিল। কাৰোবাৰ ঘৰত চকুত লগা ছোৱালী দেখিলে বা কোনোবা লগা-ভাগা মানুহে যোৰত-জোখাই মিলাকৈ ছোৱালী আঙুলিয়াই দেখুৱালে কন্যাঘৰৰ মানুহক বুজ-বাজ দি নিৰ্ধাৰিত দিনত সোধনীভাৰ পেলায়। কন্যাঘৰলৈ যাওঁতে দৰাঘৰীয়া মানুহে হাঁহ-পাৰ, তামোল-পাণ, চাউল-পাত, জা-জলপানৰ ভাৰ এখন লৈ যায়। ইয়াকে সোধনী ভাৰ বোলে। উচিত মান সৎকাৰ কৰি সেইদিনা প্ৰকাশ্যে ছোৱালী খোজা-বঢ়া কৰে। কন্যাৰ ঘৰৰ মানুহে মাননি আদি লৈ ল'ৰাৰ বংশ মৰ্য্যাদা আদিত আসোঁৱাহ নাপালে কোনো এটা নিৰ্ধাৰিত দিনৰ কন্যাঘৰৰ জনচেৰেক মানুহ গৈ ল'ৰাৰ ঘৰ-দুৱাৰ চাবলৈ যায়। সেইদিনাও দৰাঘৰীয়া মানুহে কন্যা-ঘৰীয়া মানুহক হাঁহ-পাৰ মাৰি মাছ মঙহ যতাই সোধপোছ কৰে। ইয়াকে ঘৰ চাৱনি খোৱা বোলে। আৰু সেইদিনাই বিয়াৰ বন্দোৱস্ত খাটাং হয়। উভয় ঘৰৰ বুজাবুজিৰ মাজত বিয়াৰ এটা দিন স্থিৰ হয়। সাধাৰণতে বিয়াৰ আগদিনা, বিয়াৰ দিনা কন্যাই পিন্ধিবলৈ এযোৰ উৎকৃষ্ট সাজ-পাৰ দিয়ে। লগত যাৱতীয় সমলেৰে সৈতে আ-অলঙ্কাৰো দিয়ে। জোৰণ দিয়া অনুষ্ঠান বৈদিক পদ্ধতিৰ বিয়াৰ লগত মিল আছে কিন্তু আহোম ভাষাৰে মন্ত্ৰ উচ্চাৰণ কৰে। যেনে "অ' ফ্ৰা' ম' ফুক চকলম চি চিম হাউতেম"। অৰ্থাৎ হে পৰমেশ্বৰ, কাইলৈ হ'ব খোজা বিয়াৰ মংগল সাধন কৰা। জোৰণৰ পিছতো সম্প্ৰদানলৈকে টেকেলি দিয়া, দেওবান কৰা, মূৰত তেল দিয়া, গাঠিয়ন খুন্দা, ৰিক্‌বান কৰা, আপডাঙ কৰা, দৈয়ন দিয়া আদি ভালেমান অনুষ্ঠান পাৰ হৈ যাব লাগে। গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া, টেকেলী দিয়া আদি বৈদিক পদ্ধতিৰ বিয়াৰ লগত কিছু

মিল আছে কিন্তু বাকীকেইটা অনুষ্ঠান সম্পূৰ্ণ সুকীয়া আৰু আহোম পদ্ধতিৰ। বিয়াৰ আগদিনা আহোম দেৱতা লেংডন, লাংকুৰি, জ্যন চাই হুং, লা-ৰেং আৰু জাফিংফাক পূজা কৰে। তাকে দেওবান কৰা বোলে। দেওবান কৰিবলৈ দৰাঘৰৰ পৰা কন্যাঘৰলৈ সাতোটা কলপটোৱাৰ টোপোলাত কটা তামোল পঠিয়াই দিয়ে। তাৰ উপৰিও ১২ টা চাউল, লাও আৰু ১২ খন খুৰীয়া তামোল দি পুৰোহিতে উপাসনা কৰে। দেওবান কৰাৰ পিছত ৰভাত বহুৱাই মুৰত তেল দিয়ে। দেওবানৰ আগদিনা আহোম পুৰোহিতে এখন জাকৈ, তামোল পাণ, কণী আৰু চাউল লৈ এখন নৈ, বিল বা এটা পুখুৰীত খাওখাম দেৱতাক পূজা কৰে। পূজাৰ অন্তত তিনি খেৰ জাকৈ মাৰে। মাছ উঠিলে সেই মাছ আনি দৰা-কন্যাক খুৱায়। তাকে ৰিকখন বা আয়ুতোলা বোলে। এইদৰে সকলো বিপদ-আপদৰ পৰা ৰক্ষা পাবলৈ সৰ্ব্বৌষধি মিশ্ৰিত, পানীকটা মন্ত্ৰৰে জৰা পানীয়ে গা ধুৱায়। গা ধোৱাওঁতে পানীত বজ্ৰশিল, বজ্ৰকুঠাৰ, বাঘদাঁত, বৰাগাহৰিৰ দাঁত, বানহুংবান কালুক, পানী কাঁইট, গৰু কনীয়া, তিনিমুৰীয়া, কেচুমতা, কলীয়া হালধী, সোণৰ ৰিয়াল, তংলতি, ছিংকৰা ফুল, উধানমাটি আৰু অষ্টধাতু, হৰিণাৰ শিং আৰু যুঁজত ভগা ম'হৰ শিং মিহলাই দিয়ে। পানী কাটি গা ধোৱাওঁতে এখন চালনীৰ ওপৰত উঠি এটা সৰু কুকুৰা পোৱালী ভৰিৰে গবকি ডাল-পাতেৰে ভৰি থকা গছ এজোপালৈ চাই পানী ঢালিব লাগে।

আহোমসকলৰ বিয়া পতাৰ চকলংটোৱে মূল অনুষ্ঠান। চকলং কৰিবলৈ ৩, ৫, ৭ বা ৯ দিনৰ আগৰ পৰা পানী তুলি নোৱায়। চকলংৰ সময়ত কন্যাৰ লগত যৌতুক হিচাপে দিব খোজা বয়-বস্তুবোৰ ৰভাৰ তলত সজাই ৰাখে। চকলং কৰিবলৈ সাতোটা বৰণেৰে এখন মৰল সাজে। মৰলত এশ এটা ভাগ কৰে আৰু তাত এশ এখন চাকি লগায়। সেই চাকিৰে ভৰি থকা মৰলৰ আগতে বহি দৰা-কন্যাই দাম্পত্য জীৱনৰ মন্ত্ৰ আৰু সংকল্প গ্ৰহণ কৰে। চকলং কৰিবলৈ এশ এপাহ ফুল, দুধাৰ মালা, তিনিখন যুৰীয়া ছপৰীয়া তামোল, এখন গামোচা, এটা চাউল থকা দুনৰী, দুখন মাইহাঙত আখৈ পৰমান্ন আৰু পঞ্চামৃত, দুযোৰ লুটা চৰিয়া, তিনিডাল খৰিকা আৰু এখন হেংদান লাগে।

কন্যাদান কৰাৰ সময়ত কন্যাদাতাই কয় "আজি মোৰ জীক পৰমেশ্বৰক আগত ৰাখি তোমাক দান কৰিলোঁ। তুমি সদায় মৰমেৰে ৰাখিবা।" দৰাই তাৰ প্ৰত্যুত্তৰত কয়— "মই আপোনাৰ দান সাদৰেৰে গ্ৰহণ কৰিলোঁ।" তাৰপিছত দাম্পত্য জীৱনৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে পুৰোহিতে উপদেশ দিয়ে। এই উপদেশৰ পিছত কন্যাই শৰাইত হেংদান লৈ দৰালৈ আগবঢ়াই কয়— "এই অস্ত্ৰৰে নিজৰ দেশ, নিজৰ পুত্ৰ-ভাৰ্যা আৰু ঐশ্বৰ্য্য ৰক্ষা কৰিবলৈ সমৰ্থ হওক।" হেংদান গ্ৰহণ কৰি দৰাই কয় — "দুষ্টক দমন, শিষ্টক পালন ৰাজ্য আৰু ধৰ্ম ৰক্ষা কৰিবলৈ এই হেংদান হাতত লৈ সংকল্প গ্ৰহণ কৰিলো।" তাৰ পিছতে কন্যাই এই কাপোৰ দি কয়— "হে বঙহৰ দেউ, এইখনি কাপোৰ কৱচৰূপে পৰিধান কৰি অজয় হওক।" দৰাই সেই কাপোৰ লৈ উত্তৰত কয়— "এই বস্ত্ৰৰে টঙালি বান্ধি শত্ৰুক জয় কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হলোঁ।" এই সমত বৰ-কন্যা উভয়ৰে কমেও সাতপুৰুষৰ বুৰঞ্জী ক'ব লাগে আৰু পূৰ্বপুৰুষে ৰাজ্য আৰু ৰজাৰ বাবে দি থোৱা বৰঙণিৰ কথা বিৱৰি ক'ব লাগে। ৰাজহুৱাকৈ এইখিনি কাৰ্য হোৱাৰ পিছত আবুৰত আঙুঠি সলোৱা, পঞ্চামৃত ভক্ষণ, টেমী কটাৰী সলোৱা, পাশা বা কড়িখেল আদি কাৰ্য সম্পাদন কৰা হয়।

ৰজাঘৰৰ বিয়াৰ ক্ষেত্ৰত সাধাৰণ নিয়মৰ কিছু ব্যতিক্ৰম ঘটে। ৰজা বা ৰাজকোঁৱৰৰ বিয়া হ'লে চকলং কাৰ্য কন্যাঘৰত নহৈ ৰজাৰ ঘৰতহে হয়। ৰজাই সাতঘৰীয়া আহোমৰ ছোৱালী কুঁৱৰী পাতিবলৈ বিয়া কৰায়। ৰজাৰ বিয়াত ৰজা দৰা হৈ নাযায়। কুকুৰাচোৱা চাউডাং, কুকুৰাচোৱা বৰা আৰু জনচেৰেক ভিতৰুৱাল ফুকন বৰুৱাই সাত-সাজ, আ অলংকাৰ নি তামোল-পাণৰ শৰাইৰে কন্যাঘৰত দিয়েগৈ। কন্যাঘৰীয়াই সেইবোৰ নিয়মমতে গ্ৰহণ কৰি যৌতুকৰ যাৱতীয় বস্তুৰে সৈতে উলিয়াই দিয়ে তাৰ লগত কন্যাদাতাও আহে। তাৰপিছত ৰজাঘৰত যথানিয়মে চকলং কৰে। তাতো বুৰঞ্জী গোৱাৰ নিয়ম আছে আৰু ৰাজৰাণীৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে পুৰোহিতে সঁকিয়নি দিয়ে।

বিয়াৰ তিনিদিনৰ দিনা কন্যাঘৰৰ মানুহ দৰাঘৰলৈ যায় আৰু পাঁচদিনৰ দিনা দৰা-কন্যা কন্যাৰ মাকৰ ঘৰলৈ যায়। তাকে ঘৰ উঠিবলৈ যোৱা বোলে। সেইদৰে ন-দিন বা এঘাৰদিনৰ পুনৰ দৰাঘৰ আৰু কন্যাগৰৰ মানুহে অহা-যোৱা কৰে, তাকে দোলাবলৈ যোৱা বোলে।

আহোমসকলৰ ৰাজত্বৰ বেলি মাৰ গ'ল যদিও আহোমসকলৰ সুকীয়া বৈশিষ্ট্য চকলং প্ৰথাক জীয়াই ৰাখিছে।

সহায়ক গ্ৰন্থ ঃ টাই সংস্কৃতিৰ ৰূপৰেখা, ড° লীলা গগৈ।

❖❖❖❖

# হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান ...

*মঃ চেহিদুল হাচান বৰা*
*প্ৰাক্তন ছাত্ৰ*

"জীৱনৰ ডাঙৰ ডাঙৰ কথাবোৰত মহত্বৰ পৰিচয় দিব পৰাটোৱে বিশেষ টান কাম নহয়। আটাইতকৈ টান কাম হ'ল জীৱনৰ সৰু সৰু কথাবোৰত মহত্বৰ পৰিচয় দিব পৰাটোহে।"

— টি. এছ. ইলিয়ট

ভাৰতবৰ্ষৰ হিন্দু-মুছলমানৰ সম্প্ৰীতি হ'ল সমগ্ৰ বিশ্ববাসীৰ বাবে এক উজ্জ্বল দৃষ্টান্ত আৰু ধৰ্মীয় আতংকবাদীহঁতৰ বাবে এক সময়োচিত শিক্ষা। এই নিবন্ধটিত আমি তাৰ ওপৰত কিছু দিশ আলোকপাত কৰিম।

২০০৭ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত অনুষ্ঠিত ঐতিহাসিক শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ পাঁচদিনীয়া শিষ্য সন্মিলনত নিৰ্দিষ্ট ভাষাত বৰাকৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যাকালৈ অসমীয়া জাতি গঠনত এক আন্দোলন আৰম্ভ কৰি যাযাবৰী জীৱন পাৰ কৰি ফুৰা বিশিষ্ট সাহিত্যিক মঃ ইছমাইল হুছেইনে পীতাম্বৰ দেৱক অসমীয়া জাতিয়ে অৱহেলা কৰা বুলি আক্ষেপ কৰে। উল্লেখযোগ্য "গড়মূৰীয়া সংগ্ৰামী সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ জীৱন দৰ্শন" শীৰ্ষক এখনি গ্ৰন্থ অতি কম দিনৰ ভিতৰতে হুছেইন ডাঙৰীয়াই প্ৰনয়ণ কৰিছিল। অনুষ্ঠানটিত শ্ৰীহুছেইন দেৱে "পীতাম্বৰ দেৱ গোস্বামীৰ সংস্কাৰ বিপ্লৱ" শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে।

ইংৰাজী ২০০৮ চনৰ মাজভাগৰ ঘটনা। অমৰনাথ তীৰ্থ পৰিচালনা ব'ৰ্ডক বনাঞ্চলৰ ভূমি হস্তান্তৰ কৰাৰ বিষয় লৈ সৃষ্টি হোৱা উত্তেজনাৰ মাজতে শ্ৰী নগৰত 'বন্ধ'ৰ সময়ত আবদ্ধ হৈ পৰা হিন্দু তীৰ্থযাত্ৰীসকললৈ স্থানীয় মুছলিম ৰাইজে আগবঢ়োৱা আতিথ্যই হিন্দু-মুছলিম ভাতৃত্ববোধক এক নতুন মাত্ৰা দিয়ে। একাংশ ৰাজনীতিকে বিয়পোৱা সাম্প্ৰদায়িক আৱেগৰ বিপৰীতে স্থানীয় মুছলিম ৰাইজে শ শ তীৰ্থযাত্ৰীৰ বাবে সমূহীয়া খোৱা-বোৱাকে (লংগৰ) ধৰি থকাৰো ব্যৱস্তা কৰি দিয়ে। কাকতত প্ৰকাশিত বাতৰি অনুযায়ী দলগে'ট নামে ঠাইত আবদ্ধ হৈ থকা তিনি হেজাৰৰ অধিক যাত্ৰীক খুৱাবৰ বাবে সমূহীয়া ৰান্ধনিশালৰ ব্যৱস্থা কৰি দিয়ে স্থানীয় ৰাইজে। তদুপৰি স্থানীয় প্ৰতিজনে দুই-তিনিজনে যাত্ৰীক নিজৰ ঘৰলৈ নি ৰাতি শুৱলৈও ব্যৱস্থা কৰি দিয়ে। স্থানীয় ৰাইজে কয় — "যাত্ৰীসকলৰ ল'ৰা-ছোৱালীয়ে ভোকত থাকিব, মুক্ত আকাশৰ তলত ৰাতি কটাব তেনে অৱস্থাত তেওঁলোকক এৰি আমাৰ ল'ৰা-ছোৱালীয়ে ঘৰত খাব আৰু শুব পাৰিবনে? আমিয়ে বা কেনেকৈ ঘৰত শান্তিৰে থাকিব পাৰো।" আন এজনে কয় — অমৰনাথ তীৰ্থক্ষেত্ৰ পৰিচালনা বৰ্ডক অবৈধভাৱে ভূমি হস্তান্তৰ কৰাৰ তেওঁলোক বিৰোধী — কিন্তু ভূমি হস্তান্তৰৰ সৈতে অমৰনাথ যাত্ৰা বা যাত্ৰীসকলৰ কোনো সম্পৰ্ক নাই। এশ বছৰৰ আগৰ পৰাই কাশ্মীৰী মুছলমানসকলে অমৰনাথ যত্ৰীসকললৈ আতিথ্য আৰু সেৱা আগবঢ়াই আহিছে। সেয়া তেওঁলোকে কেতিয়াও নাপাহৰে। তীৰ্থযাত্ৰীসকলো কাস্মীৰী ৰাইজৰ আতিথ্য আৰু সেৱাত মুগ্ধ। তীৰ্থযাত্ৰীসকলৰ মাজৰে বহুতে কয় — কাশ্মীৰী মুছলমানৰ আতিথ্যত তেওঁলোক সঁচাকৈয়ে মুগ্ধ। অশান্তিৰ শাসকসকলে, সৰ্বসাধাৰণ ৰাইজ নহয়।

কাশ্মীৰী মুছলমানৰ দৰে আহমেদাবাদৰ মুছলমানেও সাম্পদায়িক সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে। চহৰৰ কেইটামান মুছলমান পৰিয়ালে ফুলৰ মালা তৈয়াৰ কৰে আৰু সেই মালা বিক্ৰী কৰে মন্দিৰসমূহত। চহৰৰ জগন্নাথ মন্দিৰৰ বাবেও ফুলৰ

মালা তৈয়াৰ কৰে এটা মুছলিম পৰিয়ালে। মন্দিৰ পূজাৰী স্থানীয় ৰাইজেও সেই কথা জানে। কিন্তু তাৰবাবে কোনেও প্ৰশ্ন তোলা নাই। আনকি সাম্প্ৰদায়িক উত্তেজনাৰ সময়তো মুছলিম পৰিয়ালৰ ফুলৰ দোকানৰ পৰাই মন্দিৰলৈ ফুলৰ মালা কিনা হয়। আচলতে সাধাৰণ মানুহে মানৱতাকহে সদায় আগস্থান দিয়ে, ধৰ্মীয় বা সাম্প্ৰদায়িক আৱেগক নহয়। কিন্তু ন্যস্ত স্বাৰ্থৰ লোকেহে সাম্প্ৰদায়িক আৱেগৰ সৃষ্টি কৰি মানুহক বিপথে পৰিচালিত কৰে।

এচাম মানুহৰ ধৰ্মীয় আৰু গোষ্ঠীগত উন্মাদনাই গুজৰাটৰ মানৱতাক বধ্যমুমিত পৰিণত কৰিছিল। কিন্তু তাৰ মাজতো এচাম সমাজহিতৈষী লোকৰ ধৰ্মীয় সহিষ্ণুতা আৰু উদাৰতাই সাম্প্ৰদায়িক দাবানলৰ পৰা সমাজখনক ৰক্ষা কৰিছিল। সাম্প্ৰদায়িক উত্তেজনাৰ মাজতো এচাম মানুহে সম্প্ৰীতি আৰু ভাতৃত্ববোধেৰে সমাজখনক বান্ধি ৰাখিবলৈ চেষ্টা কৰিছিল। গুজৰাটৰ ভাৰুচা চহৰৰ তেনে এটা সৰু বাতৰিয়ে সচেতন মহলৰ মনোযোগ আকৰ্ষণ কৰিছিল। বাতৰিটো প্ৰকাশ পাইছিল এখন ইংৰাজী দৈনিকত। চহৰখনৰ এটা নামফলকৰ আঁত ধৰি প্ৰকাশ কৰা হৈছে বাতৰিটো। 'মহম্মদ ভাই ৰমনলাল' নামৰ সেই ঘৰটোৰ মালিক দুটা পৰিয়াল — এটা হিন্দু আৰু আনটো মুছলমান। সেই দুটা পৰিয়ালৰ দুটা প্ৰজন্ম একেলগে আছে। একেটা ঘৰতে নামাজো হয় আৰু পূজা-অৰ্চনাও চলে। তেওঁলোক ককাই-ভাই, বাই-ভনীৰ দৰে আছে। হেজাৰ প্ৰৰোচনায়ো তেওঁলোকক বিচ্ছিন্ন কৰিব নোৱাৰে। মহম্মদভাই আৰু ৰমনলালৰ ইতিমধ্যে মৃত্যু হৈছে। কিন্তু ঘৰটো আৰু পৰিয়াল দুটা একেদৰে আছে। ভাৰুচা চহৰত সাম্প্ৰদায়িক সংঘৰ্ষই ভয়াবহ ৰূপ লোৱাৰ সময়ত মহম্মদভাই আৰু ৰমনলালে দুয়োটা সম্প্ৰদায়ৰ মাজতে যাতে ভুল বুজাবুজি নহয়, তাৰ বাবে চেষ্টা কৰিছিল আৰু তেওঁলোকৰ চেষ্টাতে সেই সময়ত চহৰখনৰ তেওঁলোক থকা অঞ্চলটোত কোনো ধৰণৰ সাম্প্ৰদায়িক ঘটনা ঘটা নাছিল। মানৱতাৰ প্ৰতীক ঘৰটোৰ নামফলকখন আজিও জিলিকি আছে আগৰ ঠাইত। সেই ঘৰটো আৰু পৰিয়ালটো এতিয়া বহুতৰে আলোচনাৰ বিষয় হৈ পৰিছে। এনে বিৰল ঘটনা কেৱল গুজৰাট বা ভাৰুচা চহৰৰে নহয়, সমগ্ৰ দেশৰ বাবে প্ৰেৰণাদায়ক। প্ৰকৃত ধাৰ্মিক আৰু মানৱতাবাদী এনে কিছু লোকৰ বাবেই আজি সমাজখন টিকি আছে। সৰু-সুৰা মানুহৰ এনে মহৎ কামবোৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা আৰু আদৰ্শ হ'ব পাৰে। দেশ গঢ়িবলৈ, সমাজ গঢ়িবলৈ এনে সৰু সৰু অথচ মহৎ মানুহৰহে প্ৰয়োজন। এই বাতৰিটোৱে মনলৈ আনি দিয়ে ২০০২ চনৰ গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত এটা উন্মত্ত দলৰ হাতৰ পৰা প্ৰাণে বাচিবৰ বাবে এজন লোকে কন্দনামুৱা হৈ হাতযোৰ কৰি থকাৰ দৃশ্য। সেই ছবিখন দেখা কোনো মানুহেই হয়তো কল্পনা কৰিব নোৱাৰে এনে এটা বাতৰি। কিন্তু সংঘৰ্ষ-অশান্তি, মৰা-কটা আদিৰ ঘটনা যিদৰে এইখন পৃথিৱীতে, সেই একেদৰেই মিলাপ্ৰীতি, শান্তিৰ বাৰ্তা বহনকাৰী উল্লিখিত ধৰণৰ ঘটনাবোৰে এইখন পৃথিৱীতেই ঘটে। এইক্ষেত্ৰত মূল বিষয়টো হ'ল মানৱতা আৰু মানৱতাৰ পৰিচয় বহুক্ষেত্ৰত আমি সৰু বুলি ভবা মানুহেই দিয়ে।

শিৱসাগৰ জিলাকে প্ৰমুখ্য কৰি অসমৰ বহু গাঁৱে-ভূঞে অসমীয়া মুছলমান মহিলাসকলে আজিও মেখেলা-চাদৰ পিন্ধে। শিৱসাগৰ চহৰত অৱস্থিত 'তাই যাদুঘৰ'ত পুৰণি অসমীয়া কাপোৰৰ যি নমুনা প্ৰদৰ্শন কৰা হৈছে, তাৰে ভালে কেইখন কাপোৰ শিৱসাগৰ, যোৰহাট আদি অঞ্চলৰ খিলঞ্জীয়া মুছলমান পৰিয়ালৰ পৰাই সংগ্ৰহ কৰা। এসময়ত অসমীয়া মুছলমান পুৰুষসকলেও চুৰিয়াহে পিন্ধিছিল। এনেলোক এসময়ত উজনি-নামনি নিৰ্বিশেষে অসমৰ প্ৰায়বোৰ ঠাইতে দেখা গৈছিল। 'তাই যাদুঘৰ'ত সংৰক্ষিত দুশ-তিনিশ বছৰমান পুৰণি দোলা আজিও শিৱসাগৰৰ কিছুমান অঞ্চলকে আদি কৰি মথুৰাপুৰতো বিদ্যমান।

ইংৰাজী ১৬-১২-০৮ তাৰিখ মঙ্গলবাৰে দিনৰ ১:৩০ বজাৰ 'আজতক' নামৰ হিন্দী বাতৰিৰ চেনেলটোত দেখিবলৈ আৰু শুনিবলৈ পালো আতংবাদীৰ মুম্বাই আক্ৰমণৰ ফলত (২৬/১১/২০০৮) স্থানীয় কামা হস্পিতালত শ্বেখ মাহমুদা নামৰ নাৰ্চ গৰাকীয়ে তেইশ (২৩) গৰাকীতকৈ অধিক ব্যক্তিত (য'ত বেছিভাগ শিশু, নবজাত শিশু আৰু মহিলা আছিল) বাথৰূমত বন্ধ কৰি থৈ প্ৰাণ বচাইছিল। তেওঁ 'মেটাৰনিটি ৱাৰ্ড'ৰ দায়িত্বত

আছিল। গুলী আৰু বন্দুকৰ শব্দত মৃত্যুক আওকাণ কৰি ধৈৰ্যৰে মেইনগেটত অতন্দ্ৰ প্ৰহৰীৰ দৰে থিয় হৈ আছিল। সেইদৰে জিটি হস্পিতেলৰ ডাক্তৰ সোণালী ডোৰ পৰেও একেদৰে সাহাৰ্য আৰু সহায়ৰ হাত আগবঢ়াইছিল। ইয়াৰ প্ৰতিদান স্বৰূপে মুম্বাই প্ৰশাসনে এশতকৈয়ো অধিক ডাক্তৰ আৰু হস্পিতাল কৰ্মীক প্ৰশস্তিপত্ৰ আৰু নগদ পাঁচ হেজাৰকৈ টকা প্ৰদান কৰে।

সেইদৰে আমাৰ অসমৰ কৰিমগঞ্জ জিলাৰ বদৰপুৰৰ ভাংগা নামৰ গাঁওখনৰ ২৩ বছৰীয়া মুছলমান যুবক জাকিৰ হুছেইনে সন্ত্ৰাসবাদীৰ কবলৰ পৰা চাবাদ হাউচৰ জিৰিচ্ চেন্টাৰত তেওঁৰ অন্নদাতা ইহুদী দম্পতিৰ এক নিষ্পাপ ইহুদী শিশু মৰ্ছেক কিদৰে সন্ত্ৰাসবাদীৰ কবলৰ পৰা কৌশলেৰে ৰক্ষা কৰিলে তাৰ বিষয়ে ১৫-১২-২০০৮ তাৰিখৰ অসমৰ দৈনিক বাতৰি কাকতত খবৰ প্ৰকাশ হৈ গৈছে। মৰ্ছেৰ তত্বাৱধায়ক তিৰোতা চান্দ্ৰায়ো এইক্ষেত্ৰত সাহসিকতাৰ পৰিচয় দিছিল। চান্দ্ৰাক ইজৰাইল চৰকাৰে দেশখনৰ শ্ৰেষ্ঠ অসামৰিক সন্মান যচাৰ দাৰে জাকিৰ হুছেইনৰ ক্ষেত্ৰত কি ধৰণৰ স্বীকৃতি প্ৰদান কৰা হয় সেই বিষয়ে সময়তহে জানিব পৰা যাব। কিয়নো জাকিৰ হুছেইন ইছলাম ধৰ্মৰ ব্যক্তি হোৱাৰ বাবে ইজৰাইলে কি ধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সেয়া চাবলগীয়া হ'ব।

ইংৰাজী ২০০৮ চনৰ ২৬ নবেম্বৰত মুম্বাইৰ তাজ হোটেলৰ ষষ্ঠ মহলাত পত্নী আৰু সন্তানক আতংবাদীয়ে গুলীয়াই হত্যা কৰা বুজি জ'নিও, মাতৃ কনৱালজিত সিঙৰ ফোনত দিয়া অভয়বাণীত উদ্বুদ্ধ হৈ, তাজ হোটেলৰ মহা প্ৰবন্ধক কৰমবীৰ সিং কাঙে অসাধাৰণ সাহসেৰে আৰ্ত অচিনাকিজনৰ উদ্ধাৰত আত্মনিয়োগ কৰি সহায় কৰিবলৈ সক্ষম হৈছিল।

আজমগড়ৰ আব্দুল আহাদ নামৰ পঞ্চাচ উৰ্দ্ধৰ প্ৰাক্তন সৈনিক এজনে সমন্বয়ৰ নিদৰ্শন দাঙি ধৰি ৰামায়ণখন নিজ হাতে পুস্তক আকাৰে লিখি উলিয়াইছিল।

বকুলবনৰ বটা বিজয়ী শিৱসাগৰ জেঙনীকটীয়াৰ জিকিৰ শিল্পী কেৰিমুদ্দিন আহমেদ চাহাবে বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ গীতো নিজে সুৰাৰোপিত কৰি পৰিবেশন কৰিছিল। এই সকলোখিনিৰ মাজতো বৃত্তিত ব্যৱসায়ী প্ৰচাৰবিমুখ আহমেদ ডাঙৰীয়াই শিৱসাগৰ চহৰৰ উপকণ্ঠ জেঙেনিকটীয়াৰ 'শান্তি কুটিৰ'ত বাল্যকালৰ পৰা ককাদেউতাৰ শিক্ষা আৰু প্ৰেৰণাৰে আজিও জিকিৰ চৰ্চা নীৰৱে অব্যাহত ৰাখিছে। আনহাতে প্ৰতীকী লোক-সাহিত্য জিকিৰসমূহৰ দিহানাম, থিয়নাম, ওজাপালি, বিহুনাম, বৈষ্ণৱ নাম-কীৰ্তন, দেহবিচাৰৰ গীতৰ লগত থকা নিবিড় সম্পৰ্ক এই গৰাকী নীৰৱ সাধকে যথাৰ্থ বিশ্লেষণ কৰিছে। সৱাগুৰি চাপৰিত আজানপীৰ চাহেবে সৃষ্টি কৰা জিকিৰসমূহত মুঠ ২৩ টা সুৰৰ সন্ধান কৰি এই সুৰসমূহৰ মাজত শিল্পী আহমেদে প্ৰাণ পাই উঠা প্ৰত্যক্ষ কৰিছে হুঁচৰিৰ সুৰ, দিচাংমুখৰ মিচিং ঐনিতমৰ সুৰ, বৰলুইতৰ সিপাৰে ঢকুৱাখানাৰ ম'হঘুলি চাপৰিৰ ফাট বিহুৰ সুৰীয়া বিহুনামৰ সুৰ আৰু মাজুলীৰ সত্ৰসমূহৰ বৰগীতৰ সুৰ। কেৱল এয়ে নহয়, প্ৰচাৰ বিমুখ বিহুনামৰ সুৰ আৰু মাজুলীৰ সত্ৰসমূহৰ বৰগীতৰ সুৰ। কেৱল এয়ে নহয়, প্ৰচাৰ বিমুখ এইগৰাকী লোকশিল্পীয়ে আল্লা এক, আল্লাৰ বিনে কেও নাই, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ 'এক দেৱ এক সেৱ'ৰ সমাৰ্থক এই ভাব জিকিৰ সমূহৰ মাজত সন্ধান কৰি একেশ্বৰবাদৰ ৰসো পান কৰিছে আৰু বিলাইছে মহাসমন্বয়ৰ মহামন্ত্ৰ।

আহক আমিও সকলোৰে মহাসমন্বয়ৰ মহামন্ত্ৰক বিশ্বৰ দৰবাৰত দাঙি ধৰি আই অসমীৰ নাম উজ্বলাই সকলোৰে একে ককাই-ভাই, বাই-ভনীৰ দৰে বসবাস কৰোহঁক।

❖❖❖❖

# ইছলাম এটা প্ৰাচীন ধৰ্ম

*হাছান আখটাৰ ফৰিদ*
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা বিভাগ)*

কোনোবা এজন মহাপুৰুষে কৈছিল, "মানুহৰ মনটো পেৰাছুটৰ দৰে। ই মেল খালেহে কাম কৰে।" এই বাণীকেই সাৰোগত কৰি দৈনন্দিন বিভিন্ন ব্যস্ততাৰ মাজতো মানুহৰ মনটোক মেলি দিবলৈ ক্ষুদ্ৰ প্ৰয়াস কৰা হ'ল।

সাম্প্ৰতিক কালত মানৱতাৰ নৈতিক অৱনতি ঘটিবলৈ ধৰিছে। মানুহৰ মনবিলাক দিনে দিনে ঠেক হৈ পৰিছে। হিংসা, অন্ধবিশ্বাস, ব্যভিচাৰ, অত্যাচাৰ আদি কাৰ্যই চৌদিশে আগুৰি ধৰিছে। এনে সময়ত জাতি, ধৰ্ম, বৰ্ণ আদিৰ মাজত ভেদা-ভেদ নাৰাখি প্ৰত্যেকৰে মহাপুৰুষসকলৰ জীৱন চৰিত অধ্যয়ন কৰাটো অতি আৱশ্যক হৈ পৰিছে। অসৎ মানুহসকলক সৎ পথত আনিবলৈ যুগে যুগে পৃথিৱীত মহাপুৰুষৰ আবিৰ্ভাৱ হৈ আহিছে।

**পবিত্ৰ ইছলাম ধৰ্ম ঃ** আল্লাই বা ঈশ্বৰে পথভ্ৰষ্ট মানৱক মুক্তিৰ পথ দেখুৱাবলৈ যিসকল নবী (ঈশ্বৰ প্ৰেৰিত দূত) বা মহাপুৰুষক যুগে যুগে পৃথিৱীৰ বুকুলৈ পঠাই তেওঁলোকৰ জীৱনত বহুতো আলৈ-আহুকাল হৈছিল। তেওঁলোকে অতি ধৈৰ্যৰে সেইবোৰ আলৈ-আহুকালৰ সন্মুখীন হৈছিল আৰু সকলো প্ৰকাৰ অত্যাচাৰ, উৎপীড়ন, বিপদতো বিচলিত নহৈ নীৰৱে সেইবোৰ বুকু পাতি লৈছিল আৰু ধৰ্ম প্ৰচাৰ কৰিছিল। আল্লাই বা ঈশ্বৰে পৃথিৱীলৈ প্ৰেৰণ কৰা নবী বা মহাপুৰুষসকলে একেশ্বৰবাদ ধৰ্ম প্ৰতিষ্ঠা কৰিছিল।

একেশ্বৰবাদ ধৰ্মটি পৃথিৱীৰ আদি মানৱ হজৰত আদম (আঃ)ৰ পৰা আৰম্ভ কৰি হজৰত ইছা (আঃ) অৰ্থাৎ যীশুখ্ৰীষ্টলৈ প্ৰত্যেকজন নবী (ঈশ্বৰ প্ৰেৰিত দূত) বা মহাপুৰষেই বেলেগ বেলেগ নামগত জগতত প্ৰচাৰ কৰি গৈছিল। এই একেশ্বৰবাদ ধৰ্মটিয়ে শেষ বা অন্তিম নবী বা মহাপুৰুষ হজৰত মোহাম্মদ (ছঃ)ৰ দিনত "ইছলাম ধৰ্ম" নামেৰে পূৰ্ণতা লাভ কৰে।

পবিত্ৰ কোৰআন শ্বৰীফৰ মতে এই একেশ্বৰবাদ ধৰ্মটি প্ৰচাৰ কৰিবলৈ ১ লাখ ২৪ হাজাৰ নবী বা মহাপুৰষক আল্লাই বা ঈশ্বৰে পৃথিৱীৰ বুকুলৈ যুগে যুগে পঠাইছিল। কোৰআন শ্বৰীফত শ্ৰীকৃষ্ণৰ নাম "হজৰত আছোৱাদ (আঃ) ৰূপে আৰু গৌতম বুদ্ধৰ নাম "হজৰত জুলকিফল (আঃ) ৰূপে উল্লেখ কৰা হৈছে।

ইয়াত যি জনা মহাপুৰুষৰ কথা আলোচনা কৰিবলৈ লোৱা হৈছে তেওঁ ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মোহাম্মদ (ছঃ)। এওঁৰ আবিৰ্ভাৱৰ সময়ত সমগ্ৰৰে পৃথিৱী অন্ধকাৰত বুৰ গৈ আছিল। সেই সময়ত আৰৱত অকাৰ্য, গৰ্হিত আৰু নিদাৰুণ অপৰাধৰ মোহানিদ্ৰাত মগ্ন হৈ পৰিছিল। মানৱ জাতিটোক একেশ্বৰবাদৰ প্ৰকৃত বাট দেখুৱাবলৈ যুগে যুগে ১ লাখ ২৪ হাজাৰ নবী বা মহাপুৰুষ পৃথিৱীলৈ অহাৰ কথা জনা যায়। হজৰত মোহাম্মদ (ছঃ)ৰ ধৰ্ম গ্ৰহণ কৰা লোকসকলকে ইছলাম বোলে। ইছলাম শব্দৰ অৰ্থ শান্তি।

হজৰত মোহাম্মদ (ছঃ)ৰ ৫৭১ খ্ৰীষ্টাব্দত আৰৱৰ মৰু প্ৰান্তৰ মক্কা নগৰত জন্ম হৈছিল। এওঁ জন্ম লাভ কৰা বংশটোৰ নাম কোৰেছ বংশ। সেই সময়ত কোৰেছ বংশ মানুহবিলাকে কা'বা ঘৰত ৩৬০ টা দেৱ-দেৱীৰ মূৰ্তি স্থাপন কৰি সেইবোৰক পুজিছিল আৰু সময়ে সময়ে দেৱ-দেৱীৰ মূৰ্তিৰ আগত নৰ বলী দিছিল। হজৰত মোহাম্মদে (ছঃ) ইছলাম ধৰ্মৰ প্ৰচাৰৰ যোগেদি আৰৱবাসীক মূৰ্তি পুজাৰ সলনি একমাত্ৰ আল্লাৰ উপাসনা কৰিবলৈ নিৰ্দেশ দিলে। মোহাম্মদ (ছঃ)ৰ ধৰ্মৰ মহত্ব বুজি পোৱাৰ পিছত কোৰেছ বংশৰ মানুহ বিলাকে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হোৱাৰ পিছত কা'বা ঘৰৰ ৩৬০ টা দেৱ-দেৱীৰ মূৰ্তি ভাঙি মাটিৰ তলত পুটি পেলাই। বৰ্তমান কা'বা মুছলমান সম্প্ৰদায়সকলৰ তীৰ্থস্থান।

হজৰত মোহাম্মদে (ছঃ) ৪০ বছৰ বয়সত নবীত্ব (মহাপুৰুষত্ব) লাভ কৰে। মোহাম্মদে (ছঃ) ৪০ বছৰ বয়সত হীৰা পৰ্বতৰ গুহাত ধ্যানস্থ হৈ থাকোতেই কোনোবাই তেওঁক 'মোহাম্মদ' বুলি মতা শুনিবলৈ পালে। চকুমেলি সন্মুখত এজন ফিৰিস্তা (দেৱদূত) শূন্যত থিয়হৈ থকা দেখিবলৈ পালে। মোহাম্মদ (ছঃ)ৰ সন্মুখত এক জ্যোতিৰ্ময় বাণী প্ৰকাশ পালে। তেওঁক সেই বাণী পঢ়িবলৈ নিৰ্দেশ দিলে। হজৰত মোহাম্মদে (ছঃ) যিহেতু পঢ়া-লিখা নাজানিছিল। তেওঁ পঢ়িবলৈ নাজানো বুলি কোৱাত দেৱদূত জিব্ৰাইলে তৃতীয়বাৰৰ বাবে তেওঁক বুকুত আঁকোৱালি ল'লে। তৃতীয়বাৰ মোহাম্মদ (ছঃ)ৰ মুখেদি সৃষ্টি, স্ৰষ্টা আৰু জ্ঞানৰ মহাবাণী উচ্চাৰিত হ'ল। এই মহাবাণী কেইটা হ'ল —

(১) আল্লা বা ঈশ্বৰ গোটেই বিশ্বৰ গৰাকী।

(২) তেওঁৰেই মানৱক স্ৰজন কৰিছে।

(৩) তেওঁৰেই মানৱক জ্ঞান আৰু চিন্তা শক্তি প্ৰদান কৰিছে।

এই মন্ত্ৰেৰে দীক্ষিত কৰি হজৰত মোহাম্মদ (ছঃ)ক আল্লাই ঈশ্বৰ প্ৰেৰিত দেৱদূতলৈ পৰিণত কৰিলে। এই মহা সত্যৰ বিশদ ব্যাখ্যা পিছত বুজাই দিছিল। ইয়েই হ'ল মুছলমান সম্প্ৰদায়সকলৰ পবিত্ৰ ধৰ্মগ্ৰন্থ 'কোৰআন শ্বৰীফ'। এই ধৰ্ম গ্ৰহণ কৰোতাসকল ইছলাম।

এই ইছলাম ধৰ্মৰ মূলমন্ত্ৰ হ'ল — অসংখ্য দেৱদেৱীৰ উপাসনা ত্যাগ কৰি একমাত্ৰ এজন আল্লাক উপাসনা কৰা আৰু পৃথিৱীত সুখ, শান্তি আৰু শৃংখলা অটুট ৰখা।

ইছলাম ধৰ্ম মোহাম্মদ (ছঃ)ৰ দ্বাৰা প্ৰৱৰ্তন হ'লেও, ই কোনো নতুন ধৰ্ম নহয়। ই এটা প্ৰাচীন ধৰ্ম। এই ধৰ্ম ঠাই, জাতি বা মানুহৰ নামত সীমাবদ্ধ নহয়। মোহাম্মদে (ছঃ) মাত্ৰ পুৰণি ধৰ্মটোক সংশোধন কৰি নতুন ৰূপহে প্ৰদান কৰিছিল। ইয়াৰ বাবে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। শান্তি প্ৰতিষ্ঠাই ইছলাম ধৰ্মৰ মহামন্ত্ৰ।

ধৰ্ম প্ৰচাৰৰ বাবে বুদ্ধদেৱ, চৈতন্যৰ দৰে সংসাৰো ত্যাগ কৰা নাছিল। জপ-তপো কৰা নাছিল। যুদ্ধ কৰিছিল, কিন্তু মানুহক আক্ৰমণ কৰিবলৈ আদেশ দিয়া নাছিল। সাংসাৰিক কৰ্তব্য পালনৰ মাজেদি সম্পূৰ্ণ কাৰ্য কৰিছিল। মোহাম্মদ(ছঃ) আছিল দুৰ্বল নাৰী জাতিৰ ৰক্ষক। তেওঁৰ জীৱনত সামান্য ছাগলী ৰখীয়াৰ পৰা (৫৭৯-৬৩৩ খ্ৰীঃ) ৰাজাধিৰাজলৈকে সকলো অৱস্থাই ঘটিছিল। আৰব সকলো দিশৰ পৰাই সমৃদ্ধিশালী হোৱা তেওঁ দেখি যাবলৈ পাইছিল। এতিয়ালৈকে (১ লাখ ২৪ হাজাৰ) একেশ্বৰবাদ ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে পৃথিৱীত যুগে যুগে মহাপুৰুষৰ (আদমৰ পৰা যীশুখ্ৰীষ্টলৈকে) জন্ম হৈছে। সেইসকলৰ কোনেও একেশ্বৰবাদৰ পূৰ্ণ সফলতা দেখিবলৈ পোৱা নাছিল। কিন্তু মোহাম্মদ (ছঃ) জীৱিত কালতে তেওঁৰ কৰ্তব্যৰ পূৰ্ণ সফলতা দেখিবলৈ পাইছিল।

এই ইছলাম ধৰ্মত পৌৰহিত প্ৰথা নাই। আনকি জাতি-ভেদ, বৰ্ণভেদ আৰু বংশ-ভেদো নাই। এই ধৰ্মই অন্য ধৰ্মৰ ঈশ্বৰ প্ৰেৰিত ধৰ্মগুৰুক আৰু ধৰ্মশাস্ত্ৰক নিন্দা নকৰে। কোৰআনত এইদৰে উল্লেখ কৰা হৈছে —

"হে মুছলমানসকল! কোৱা, আমি বিশ্বাস কৰিছো আল্লাহৰ প্ৰতি আৰু আমাৰ বাবে যি জীৱন ব্যৱস্থা প্ৰেৰণ হৈছে তাৰ প্ৰতি, যি সমূহ ইব্ৰাহীম (আব্ৰাহাম), ইছমাইল, ইচহাক, ইয়াকুব আৰু ইয়াকুবৰ বংশধৰ (ইহুদী)সকলৰ প্ৰতি অৱতীৰ্ণ হৈছিল, যি সমূহ মুছা (মোজেছ) আৰু ইছা (যীশুখ্ৰীষ্ট)ৰ আৰু আন আন (অন্য জাতিসমূহৰ) ঈশ্বৰ প্ৰেৰিত মহাপুৰুষসকলৰ প্ৰতি তেওঁলোকৰ প্ৰভুৰ পক্ষৰ পৰা প্ৰেৰণ হৈছিল। আমি তেওঁলোকৰ মাজত কোনো ভেদা-ভেদ নকৰো আৰু আমি তেওঁলোক সকলোৰে প্ৰতি অনুগত।" (কোৰআনঃ চুৰা বাক্ৰা)

মোহাম্মদে (ছঃ) মহাপুৰুষত্বৰ যোগেদি বিশ্ব মানৱক দি গ'ল জীৱন-যাপনৰ পৰিপূৰ্ণতা আৰু পাঁচটা আদেশ। (১) নামাজ (উপাসনা দিনে ৫ বাৰ) (২) ৰোজা (ব্ৰত বছৰত ১ মাহ) (৩) তীৰ্থ বা হজ (বিশ্বপ্ৰেমৰ মাধ্যমেৰে একতা আৰু বিশ্বভাতৃত্ববোধ) (৪) কলিমা (মুলমন্ত্ৰ)।

এই ধৰ্মৰ অন্য এক বিশেষত্ব হ'ল প্ৰতিজন মুছলমানেই যোগ্যতানুসাৰে ধৰ্মগ্ৰন্থ (কোৰআন শ্বৰীফ বা আল্লাৰ বাণী) পঢ়িব পাৰে, পঢ়াব পাৰে আৰু চৰ্চাও কৰিব পাৰে। মছজিদ (উপাসনা কৰা ঘৰ)ত সোমাই দোৱাও (প্ৰাৰ্থনা) কৰিব পাৰে। যোগ্যতা থাকিলে মহিলাইও ধৰ্মগ্ৰন্থ পঢ়িব পাৰে, পঢ়াব পাৰে। কোৰআন শ্বৰীফৰ ভাষা আৰবী। মোহাম্মদে (ছঃ) নামাজ পঢ়াৰ সময়ত শত্ৰু-মিত্ৰ, ধনী-দুখীয়া, উচ্চ-নীচ, সৰু-বৰৰ প্ৰভেদ নাৰাখিছিল। সকলোকে সমান দৃষ্টিৰে চাইছিল।

হজৰত মোহাম্মদে (ছ্ঃ) ৫০ বছৰ বয়সত আল্লাৰ পৰা 'বোৰাক' নামৰ এটা ঐশী ঘোঁৰা দান পালে আৰু তাৰ পিঠিত উঠি ৬২১ খ্ৰীষ্টাব্দৰ ৰোজা মাহৰ ২৭ তাৰিখে বুধবাৰে ৰাতি মেৰাজ (স্বৰ্গাৰোহন) হয়। মেৰাজৰ ৰাতি আল্লাৰ লগত অনেক গোপন আলোচনা হ'ল। বেহেস্ত বা জন্নত (স্বৰ্গ), গোজখ বা জাহান্নম (নৰক) আদি সকলোবোৰ স্বৰ্গীয় আৰু গোপন বস্তুও নিজ চকুৰে দেখিবলৈ পালে। নামাজ (উপাসনা), ৰোজা (ব্ৰত), হজ (তীৰ্থ) আদি অতি আৱশ্যকীয় বস্তুবোৰ আল্লাই সেই ৰাতিয়েই নিৰ্দিষ্ট কৰি দিলে। আল্লাৰ অপাৰ মহিমা, স্ৰষ্টাৰ লগত সৃষ্টিৰ সম্বন্ধ, সৃষ্টি-লীলাৰ গূঢ় ৰহস্য, বেহেস্ত বা জন্নত (স্বৰ্গ)ৰ সুখ-শান্তিবোৰ আৰু দোজখ বা জাহান্নম (নৰক)ৰ শাস্তিবোৰ তন্ন তন্নকৈ দেখুওৱাটোৱেই আছিল মেৰাজৰ একমাত্ৰ উদ্দেশ্য বা লক্ষ্য।

মেৰাজ (স্বৰ্গাৰোহণ)ত আল্লাই প্ৰত্যেক মুছলমান সম্প্ৰদায়ৰ ওপৰত দৈনিক পাঁচবাৰ নামাজ (উপাসনা) ফৰজ কৰিছে। যিসকলে এই কাৰ্যসূচীক বাস্তৱত ৰূপায়িত কৰিব তেওঁলোকৰ মাজত এটি তীব্ৰ নৈতিক অনুপ্ৰেৰণাৰ সঞ্চাৰ হ'ব। তেওঁলোকে আল্লাৰ অনুগত্য পালনত অমনোযোগী নহ'ব। সদায় তেওঁলোকৰ মনত এই কথাই জাগ্ৰত হৈ থাকিব যে, তেওঁলোক নিজৰ ইচ্ছাধীন নহয়, বৰং তেওঁলোকৰ আদেশকৰ্তা প্ৰভু একমাত্ৰ আল্লাহ বা ঈশ্বৰ আৰু একমাত্ৰ তেওঁৰ সন্মুখতেই প্ৰতিটো কামৰ হিচাপ দিব লাগিব। ❖❖❖❖

# CHALLENGER- A CHALLENGING FLIGHT ....

***Raj Sonor***
***Bsc 1st year.***

Challenger was a NASA Tragedy.

Nasa'a shuttle program was begun in the 1970's to create reusable craft for transporting cargo into space. Previous space craft could only be used once, then were discarded. The first shuttle, Columbia was launched in 1981. One year later, the challenger rolled off the assembly line as the second shuttle of the US fleet. They were followed by Discovery in 1983 and Atlantis in 1985.

The challenger flew nine successful missions before that fateful day of the disaster in 1986. Shuttle mission 511 was much like most other missions. The challenger was scheduled to carry some cargo, the Tracking Data Relay Satellite - 2 (TDRS - 2), as well as fly the Shuttle - Pointed Tool for Astronomy (SPARTAN - 203) / Halley's Comet Experiment Deployable, a free flying module designed to obsent tail and coma of Halley's comet with two ultraviolet Spectrometers and two cameras.

One thing made this mission unique. It was scheduled to be the first flight of a new program called TISP, the Teacher in Space Program. The challenger was scheduled to carry. Sharon Christa Mcaullife, the first teacher to fly in space.

Besides McAulliffe, the Challenger crew

consisted of mission commander Francis R. Scobee ; Pilot Michael J. Smith ; mission specialists Ronald E. Mc Nair, Ellison S, Onikuka and Judith A. Resnik; and payload specialists Gregory B Jarvis Christa was also listed as a payload specialist.

From the beginning, though, shuttle Mission STS - 511 was plagued by problems. Liftoff was initially scheduled from at 3:43 p.m. EST on January 22, 1986. It slipped to Jan . 23 then Jan. 24, due to delays in mission 61- C and finally reset for Jan 25 because of bad weather at transoceanic abort landing (TAL) site in Dakar, Senegal. The launch was again postponed for one day when launch processing was unable to meet new morning liffof time. Predicted bad weather at kennedy Space Centre (KSC) caused the launch to be resheduled for 9 : 37 a.m. EST; Jan 27, but it was delayed another 24 hours when ground servicing equipment hatch closing fixture could not be removed from orbiter hatch.

The fixture was sawed off and an attaching bolt drilled out before closeout completed. During this delay, the cross winds exceeded limits at KSC'S shuttle landing facility. There was a final delay of two hours when a hardware interface module in the launch processing system, wich monitors fire detection system, failed during liquid hydrogen taking procedures. The challenger finally liftted of at 11 : 38 : 00 a.m. EST.

Seventy three seconds into the mission, the challenger exploded, killing the entire crew. The reaction was immediate, from the crowds of family and friends gathered to watch the launch of the space shuttle challenger, to the millions tuned in worldwide, most people were stunned. In a speech later that day, President Ronald Reagan expressed the feelings of many who were grieving.

Afterwards, a special commission was set up to investigate the cause of the space shuttle challenger accident. The commission's report cited the cause of the disaster as the failure of an "O - ring" seal in the solid fuel rocket on the space shuttle challenger's right side. The faulty design of the seal coupled with the usually cold weather, let hot gases to leak through the joint. Booster rocket flames were able to pass through the failed seal enlarging the small hole. These flames then burned through the space shuttle challengers external fuel tank and through one of the supports that attached the booster to the side of the tank. That booster broke loose and collided win the tank, piercing the tank's side. Liquid hydrogen and liquid oxygen fuels from the tank and booster mixed and igniled, causing the space shuttle challenger to tear apart.

The entire space shuttle program was grounded during the space shuttle challenger commission's investigation and did not resume flying until shuttle designers made several technical modifications and NASA management implemented stricter regulations regarding quality control and safety. Shuttle missons resumed on September 28, 1988, with the flight of the Shuttle Discovery.

❖❖❖❖

# Whats Gotra got to do with it ??

**Chandan Dey**
**BSC Part III**
**Physics**

Whats the defination of Gotra ??

Many people will find it as a topic with a proxy defination.

I dont know why it was invented or why it is still relevant. As if it wasn't good enough to divide people on caste. We needed one more level of sub caste slicing to ensure as many Indians hate each other as possible.

But, this time it isn't being from different gotras that is a problem, it is being from the same one. Unlike inter caste marriages that are considered problematic, the problem lies in inter-gotra marriages. These according to some, will completly tarnish a family's reputation and pose health risks to kids of wedded couple due to genetic similarities.

People from the same gotra aren't blood related, but marriages between them is not encouraged.

Leading 'the no-same Gotra-love' T-shirt brigade are the KHAP panchayets.

Their system is thousands years old and our erst while British rulers lived with it and probably encouraged it, to avoid the judicial system being flooded with petty disputes and enabling these to be solved at the local level. The British left 63 years ago, but KHAPS have survived, aided by the patrowage of local political parties which in turn find them nice little rural vote banks.

The KHAP justice system is neither as rigorous as nor always consistent with Indian legel system. However given political patronage they still thrive in parts of North India.

One of the most contraversial KHAP diktats is the no same gotra marriage something the youth in rural areas find quite baffling.

Fears of genetic similarities leading to offspring risks donot hold. Apparently, there are historical roots between same gotra people and hence there could be genetic similarities.

Those roots may be 10 generations old and anyone with basic knowledge of gevelties and Mathematics will tell you that in 10 generations less than 0.1 percent of DNA may be sibling like between two offspring of same roots.

Legality is also a non issue. Many communities have marriages between cousins, without any legel issue.

While chances of the no same gotra diktat becoming a law are extremly remote, out right support of medieval traditions by

modern era leaders make one shudder about which direction politician are taking our country.

When a crusader for individual freedom backs a proposal preventing two human beings to be in love and make a future together, one wonders what our politicians will do to get a few extra votes. Did he make any calculation ?

We live in rare times where conflict between the thought of the old and new generations is at its peak.

India-new has better ideas for progress, India old has dominated thought for the last six decades and to put it bluntly, not achieved much. We are despite all our missile and satellite launches, one of the poorest nations on the Earth. Our biggest cities don't have basics like good water and power. With such a poor report card, it is surprising India-old still makes and imposes rules. The only reason it can do so is difference in power. This is where politicians came in.

Politicians have power which they can lend to India-new and back them all the way. They can take a stand, embrace progress, back individual freedom, uphold modern laws and focus on real rural issues (Corruption in NREGA, for instances)

This will lead to a more properous country and a better life for all Indians.

WHAT USE IS POWER WHEN IT ISN'T USED TO HELP OTHERS ??

I will remain happy forever if by anyhow I forgot my own GOTRA.

❖❖❖❖

# STUDENTS AND THE PRESENT EDUCATIONAL SYSTEM

***Siddharth Dutta***
***H.S 1st year (Sc.)***

In first thing we have to do is to take stock of the present educational system, its credit side and debit side, its strength and weakness.

There is no gainsaying the fact that during the postindependence years education has grown enormously in quantity schools have been multiplied. So also colleges, and even universities Many special kinds of educational institutions have also come up. The number of students studying in these and the number seeking admission are rising by leaps and bounds year after year. The number of students going to foreign lands for higher education and training is also rapidly increasing. There has also a craze for putting up more and more buildings either to expand the existing institutions or to start new ones. In other words, a serious attempt is being made to bring secular education to everybody's door.

So for, so good. But then, in the midst of rapid expansion The authorities who ruled and still rule the nation have forgotten two things : First, they have forgotten to put the 'Soul", The 'life force', into the old educational system before expanding it. Secondly, they have forgotten the general rule that quality decreases in proportion to the increase of quantity, unless special efforts are made simultaneously to main increase or atleast mintain it. Consequently our children and grand. - children, and we are lacking The two kinds of fundamental knowledge viz, 'how to live and 'how to think'.

The Indian educational system as evolved by The British was largely the creation of Lord Macaulay, who wrote thus in 1836.

"No Hindu who has received an English education ever remain sincerely attached to his religion. It is my firm belief that if our plans of education are followed up, there will not be a single idolater among the respectable classes in Bengal thirty years hence. And this will be effected without any effort to proselytize, without the smallest interference in their religious liberty; merely by the natural operation of knowledge and reflection. Its only purpose was to de.Indianize the Indians and reorient them to serve the interests of the white christian masters. The British Indian Government was more interested in producing white collared slaves for its administrative machinery than in enlightening the people as such. The Indian, that is Bharat, Government of the post-independence era seems to have overlooked this simple system, thus continuing the production of 'slaves' -- slaves to the thought, social behaviour and culture of the aliens.

That apart, is this expanded system good at least as far as its goes ? Very doubttful ! Compared to the number of students admitted, the facilities provided are insufficient. The number and quality of the teaching staff is waefully inadequate. Laboratoreis and libraries are poorly equiped. Facilities for recreation and even elementary sanitation arrangements are after locking. How can it be expected that the products of such an imperfect system will turn out to be useful, let alone ideal, citizens of the country ?

Things being as they are, what is the duty of the students now ?

# মানৱ অধিকাৰ আৰু পৰিবেশ

মুন মুন বুঢ়াগোহাঁই
স্নাতক তৃতীয়বৰ্ষ

**মানৱ অধিকাৰনো কি?**

ভগৱানে সৃষ্টি কৰা বিনন্দীয়া জগতখনৰ জীৱশ্ৰেষ্ঠ মানুহৰ অধিকাৰেই মানৱ অধিকাৰ। ই প্ৰকৃতি প্ৰদত্ত বা জন্মগত। এই অধিকাৰৰ কোনো এক বিশেষ সংজ্ঞা পোৱা নাযায়। যদিও মানুহ হিচাপে জীয়াই থাকিবৰ বাবে অতি প্ৰয়োজনীয় হস্তান্তৰ কৰিব নোৱাৰা 'অধিকাৰ'সমূহক মানৱ অধিকাৰৰূপে স্বীকৃতি দিব পাৰি।

এই অধিকাৰ সমতা, ভাতৃত্ব আৰু মানৱতা নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

**প্ৰকৃতি আৰু বিকাশ ঃ**

মানৱ অধিকাৰ পদটো কুৰি শতিকাত ব্যৱহৃত, পূৰ্বে এই অধিকাৰক পৰম্পৰাগতভাৱে 'মানুহৰ প্ৰকৃতিক অধিকাৰ' (Natural Right of man) বোলা হৈছিল। ১৭ শ শতিকাত এই অধিকাৰক প্ৰকৃতিক, সহজাত আৰু হস্তান্তৰ কৰিব নোৱাৰা অধিকাৰ বুলি কোৱা হৈছিল।

১৭৭৬ চনৰ ৪ জুলাইত "আমেৰিকাৰ স্বাধীনতা ঘোষণা"ত মানৱ অধিকাৰ সম্পৰ্কে এইদৰে কোৱা হ'ল — সৃষ্টিকৰ্তাই সকলো মানুহক সমানভাৱে সৃষ্টি কৰিছে আৰু সকলোকে কিছুমান আনক হস্তান্তৰ কৰিব নোৱাৰা অধিকাৰ প্ৰদান কৰিছে। যি বিলাকত আছে "জীয়াই থকাৰ অধিকাৰ" (Right of life), "স্বতন্ত্ৰতাৰ অধিকাৰ" (Liberty) আৰু সুখৰ সন্ধান কৰাৰ অধিকাৰ"(Right of Pursuit of Hapiness)।

১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ পিছত ফ্ৰান্সৰ ৰাষ্ট্ৰীয় সদনে ১৭৯১ চনত "মানুহ আৰু নাগৰিকৰ অধিকাৰ ঘোষণা"ত নাগৰিকসকলক ভালেমান হস্তান্তৰ কৰিব নোৱাৰা অধিকাৰ স্বীকৃতি দিছিল। ইয়াৰ পিছতো বিশ্বত ভিন্ন ভিন্ন প্ৰকাৰে মানুহৰ অধিকাৰক স্বীকৃতি দিয়াৰ প্ৰচেষ্টা চলিল। দ্বিতীয় বিশ্বযুদ্ধ চলি থাকোতে ১৯৪১-১৯৪৫ ত বিশ্বৰ শীৰ্ষ নেতা আৰু বিভিন্ন ৰাষ্ট্ৰৰ মাজত শান্তিপ্ৰতিষ্ঠাৰ বাবে বহু সভা, আলোচনা-বিলোচনাৰ শেষত ১৯৪৫ চনৰ ফেব্ৰুৱাৰী মাহত Yalta Conference এ ৰাষ্ট্ৰসংঘৰ এখন নক্সা তৈয়াৰ কৰে আৰু ১৯৪৫ চনৰে ২৪ অক্টোবৰত ৫১ খন ৰাষ্ট্ৰই বিশ্বত যুদ্ধ প্ৰতিৰোধৰ বাবে সন্মতি প্ৰদান কৰাৰ লগে লগে বিশ্বৰ ৰাষ্ট্ৰৰ সংস্থা "ৰাষ্ট্ৰ সংঘ"ৰ জন্ম হয়।

চনদ (charter) ৰাষ্ট্ৰসংঘৰ সংবিধান আৰু ইয়াক ১৯৪৫ চনৰ ২৫ জুনত বলবৎ কৰা হয়। এই চনদত এটা প্ৰস্তাৱনা আৰু ১১১ টা অনুচ্ছেদ আছে। চনদখনৰ ১৩ আৰু ৬২ নং অনুচ্ছেদৰ দ্বাৰা ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদক মানৱ অধিকাৰ ৰক্ষাৰ বাবে খচৰা প্ৰস্তুত কৰি সাধাৰণ সভাত উত্থাপন কৰাৰ কৰ্তৃত্ব দিয়ে। শেষত অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ সক্ৰিয় সহযোগিতাত ৰাষ্টসংঘৰ সাধাৰণ সভা তথা পৰিষদে ১৯৪৮ চনৰ ১০ ডিচেম্বৰত এটা প্ৰস্তাৱনা আৰু ৩০ টা অনুচ্ছেদ সহ "সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰ" (UDHR) গ্ৰহণ কৰে। এই ঘোষণাই মানৱ অধিকাৰসমূহক সমগ্ৰ বিশ্বজুৰি স্বীকৃতি প্ৰদান কৰিলে। এই ঘোষণাখনৰ ওপৰত ভিত্তি কৰি বিশ্বত মানৱ অধিকাৰ ৰক্ষাৰ বাবে বহুতো দলিল প্ৰস্তুত হৈছিল।

এই দলিলবোৰৰ ভিতৰৰ গুৰুত্বপূৰ্ণ দলিল কেইখন হ'ল —

(ক) নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰ (The International Covenanton Civil Political Right) ১৯৬৬।

(খ) অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰ (The International Coverant on Economic, Social and Cultural Right) ১৯৬৬।

(গ) ১৯৬৬ চনৰ ইচ্ছাধীন দলিল বা আচৰণবিধি (Optional Protocol)।

**ভাৰতত মানৱ অধিকাৰৰ বিকাশ ঃ**

ভাৰত হ'ল (UDHR) ঘোষণাত স্বাক্ষৰকাৰী ৰাষ্ট্ৰ। ১৯৪৯ চনৰ ২৬ নবেম্বৰত ভাৰতৰ সংবিধান গ্ৰহণ কৰা হয় আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ল। সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাত থকা মানৱ অধিকাৰবিলাকে আমাৰ সংবিধানত স্বীকৃতি পালে আৰু নাম হ'ল মৌলিক অধিকাৰ।

১৯৯৩ চনত ভাৰতৰ সংসদে মানৱ সুৰক্ষা আইন (The Protection of Human Rights) গ্ৰহণ কৰে আৰু এই আইনে মানৱ অধিকাৰক — "ভাৰতৰ সংবিধানে নিশ্চয়তা প্ৰদান কৰা, আন্তঃৰাষ্ট্ৰীয় চুক্তিত অন্তৰ্ভুক্ত হোৱা আৰু ভাৰতৰ আদালতে বলবৎ কৰা ব্যক্তিৰ জীৱন, স্বতন্ত্ৰতা, সমতা আৰু মৰ্যাদা সম্পৰ্কীয় অধিকাৰ বুলি আখ্যা দিছে। এই মানৱ সুৰক্ষা আইনে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ, মহিলা আয়োগ, ৰাজ্যিক মানৱ অধিকাৰ আয়োগ আদি প্ৰতিষ্ঠা কৰে। অৱশ্যে ২০০৬ চনৰ আগষ্টত ভাৰতৰ উচ্চতম ন্যায়ালয় প্ৰাক্তন মুখ্য ন্যায়াধীশ ৱাই.কে.ছাভাৰৱালে ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠন নকৰা আৰু নিষ্ক্ৰিয় ভূমিকাত অসন্তোষ ব্যক্ত কৰিছিল। মানৱ অধিকাৰ সুৰক্ষা আইন গৃহীত হোৱাৰ আজি ১৩ বছৰ হোৱা স্বত্বেও মাত্ৰ ১৪ খন ৰাজ্যইহে আয়োগ গঠন কৰিছে। ১৪ খনৰে ৪ খন নিষ্ক্ৰিয়।

**পৰিবেশৰ সতে মানৱ অধিকাৰৰ সম্পৰ্ক ঃ**

পৰিবেশৰ লগত মানৱ অধিকাৰৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। কিয়নো পৰিবেশে কেৱল মাটি, পানী আৰু বায়ুকে নুবুজায়। মানুহৰ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক বিষয়ত পৰিবেশৰ অন্তৰ্ভুক্ত।

বৰ্তমান পৰিবেশৰ অৱনতিয়ে মানৱ জাতিৰ "জীয়াই থকাৰ অধিকাৰ"ৰ প্ৰতি ডাঙৰ প্ৰত্যাহ্বান সৃষ্টি কৰিছে। ১৯৮৭ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ উদ্যোগত "নিৰস্ত্ৰীকৰণ আৰু উন্নয়নৰ মাজৰ সম্পৰ্ক"ৰ আন্তঃৰাষ্ট্ৰীয় সভাই "পৰিবেশৰ প্ৰতি অহা ভাবুকি" বিষয়টো গভীৰভাৱে আলোচিত কৰিছিল।

বিশ্বৰ ১৫০ খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰা এই সভাৰ সিদ্ধান্ত হৈছে — পৰিবেশৰ অৱনতিয়ে স্থায়ী উন্নয়নৰ প্ৰতি একভাবুকিৰ সৃষ্টি কৰিছে। অস্ত্ৰ-শস্ত্ৰ আহৰণ আৰু ব্যৱহাৰ, অৰ্থনৈতিক অনগ্ৰসৰতা, উন্নয়নত বাধা, প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰ আৰু অসৎ পৰিচালনাৰ বাবে মানুহৰ শান্তি আৰু নিৰাপত্তাত সমস্যাৰ সৃষ্টি কৰিছে। ফলত জনসাধাৰণতে দৰিদ্ৰতা, নিৰক্ষৰতা আৰু পুষ্টিহীনতাত ভুগিছে। ৰাষ্ট্ৰসমূহৰ মাজত সামৰিক সংঘৰ্ষ আৰু ৰাজনৈতিক উত্তেজনাৰ সম্ভাৱনা বৃদ্ধি পাইছে। তদুপৰি পৰিবেশ উন্নয়ন সম্পৰ্কীয় বিশ্ব আয়োগে প্ৰতিবেদনত এইদৰে কৈছে যে — সামৰিক সংঘৰ্ষ আৰু ৰাজনৈতিক উত্তেজনাই পৰিবেশৰ ওপৰত অধিক চাপৰ সৃষ্টি কৰিছে।

মানৱ অধিকাৰত পৰিবেশৰ অৱনতিয়ে প্ৰধানত তিনি প্ৰকাৰে প্ৰভাৱ পেলায় ঃ

১। পৰিবেশৰ অৱনতিয়ে প্ৰাকৃতিক সম্পদৰ নাটনি সৃষ্টি কৰে। ফলত ৰাষ্ট্ৰবিলাকৰ মানুহৰ মাজত এনে সম্পদ আহৰণ আৰু নিয়ন্ত্ৰণৰ বাবে সংঘাত অঘোষিত প্ৰতিযোগিতা বৃদ্ধি পায়।

২। ৰাষ্ট্ৰৰ অৰ্থনৈতিক অৱস্থা ক্ষতিগ্ৰস্ত কৰে লগতে মানুহৰ জীৱন ধাৰণৰ মান নিম্নগামী হোৱাত অৰিহণা আগবঢ়ায়।

৩। পৰিবেশৰ অৱনতিয়ে জনসাধাৰণৰ স্বাস্থ্যৰ অৱনতি কৰে। ফলত মানুহে মানৱ অধিকাৰে প্ৰদান কৰা সুখ আনন্দ উপভোগ কৰিব নোৱাৰে।

**পৰিবেশৰ অৱনতিৰ প্ৰধান কাৰণ তিনিটা হ'ল —**

১। প্ৰাকৃতিক কাৰণ ঃ আগ্নেয়গিৰি উদ্‌গীৰণ, ভূমিকম্প, ঘূৰ্ণিবতাহ, বানপানী আদি কেতিয়া হ'ব তাৰ ঠাৱৰ কৰাটো আৰু ৰোধ কৰা সম্ভৱ নহয়। সেয়ে পৰিৱেশ সংৰক্ষণ আৱশ্যক।

২। দূষিতকৰণ ঃ বায়ু দূষিত হ'লে, সামৰিক অস্ত্ৰ প্ৰতিযোগিতা, পেলনীয়া সামগ্ৰী নৈ-বিল-সাগৰত পেলালে পৰিবেশ দূষিত হয় আৰু ইয়াক কোনো ৰাষ্ট্ৰীয় সীমাৰে বান্ধিব নোৱাৰি।

৩। ৰাষ্ট্ৰৰ মাজত প্ৰাকৃতিক সম্পদৰ বাবে হোৱা প্ৰতিযোগিতা।

ওপৰৰ আলোচনাৰ পৰা জানিব পৰা গ'ল যে — মানুহৰ অধিকাৰ আৰু পৰিৱেশৰ মাজত যথেষ্ট সম্পৰ্ক আছে। সেয়েহে "পৰিবেশ সংৰক্ষণ" কৰাটো অতি আৱশ্যক। কিয়নো পৰিবেশ সংৰক্ষণে মানৱ অধিকাৰ উপভোগত যথেষ্ট সহায় কৰে। পৰিবেশ সংৰক্ষণৰ বাবে থকা প্ৰচলিত আইন যথেষ্ট নহয়। গতিকে পৰিবেশ সংৰক্ষণৰ জ্ঞান ছাত্ৰ-ছাত্ৰী আদিকে কৰি সকলো শ্ৰেণীৰ লোকক দিব লাগিব। এই বিষয়ে সজাগ হৈ দেশখনত এক শক্তিশালী পৰিবেশ সংৰক্ষণৰ গণ-আন্দোলন গঢ়ি তুলিব পাৰিব লাগিব। তেতিয়াহে জীৱনৰ অধিকাৰ (Right to life) আমাৰ বাবে সুৰক্ষিত হৈ থাকিব। ❖❖❖❖

# "TWO SIDES OF A SAME COIN" -- INDIA

*By*
***Debabrata Sengupta***
***T.D.C Part 1st***
***Department of Economics***

In India there are two sides, one side is 'shining India' and other side is gloomy India.

First of all, let us discuss about the first side ie; 'shining India' with the advent of the 'new economic policy' the growth is taken place in India and the rate of growth is very high. Due to 'LPG' people get employed sactors. With the passage of time inflation has also taken place and this comes as 'fruits' to the entreprenuros. This will induce some people to take entrepreship as profession. In India there are varous posh areas where peoples daily income is above 20,000 to 30,000 where people live a leivish life. By seeing this we can say that India is 'shining India'

Now if we consider about the other side of the coin we can say there is still gloom snd despair in the country. Though India is going through the process of growth and inflation prevails in the economy there must be employment. But the problem is that there is huge unemployment, because it is not inflation, it is 'stagflation'. According to 2000 census illiteracy rate (+15) male 35% and female 62%. Human development index was also very low ie 0.45% during 1995, Poverty rate is 44.2% in 1996. Recent emperical evidence also shows that around 78% of the total population's daily consumption in terms of money income is only Rs- 20 which is amounted to 600 in a month. If these people don't have money today, their disease will take them to their grave because in that situation they don't have enough money to have better health facilities and educational facilities.

So it is a serious matter for the govt to look after it. If govt removes these hurdlles then surely one day this gloom will be dispelled and whole India will become 'shining India'

**Sources :-**
***Various Books and***
***Loksabha Chanel***

# "ম'বাইলৰ পৰা ব্যাধি"

দেৱৰাজ নিৰৌলা
স্নাতক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা
(সংগ্ৰহীত)

আজিৰ প্ৰজন্মৰ অতিকৈ প্ৰিয় বস্তুটোৱেই হ'ল ম'বাইল। পিচে এবাৰ মাথোঁ ভাবি চাইছোনে মৰম নিজৰাৰ গতি দুৰ্বাৰ কৰি তোলা আমাৰ অতিকে আপোন ম'বাইলটোৱে আমাৰ সতে' পৰিচয় কৰাই দিব পাৰে মস্তিস্কৰ কেন্সাৰ, ব্ৰেইন টিউমাৰ অথবা বধিৰতাৰ দৰে নিৰ্মম শব্দবোৰকো। কিম্বা মাতি আনিব পাৰে দেহ-মনলৈ আৱসাদ।

দুটা সক্ৰিয় ম'বাইল হেণ্ডছেটৰ মাজত বিশেষধৰণে এটি কণী ৬৫ ঘণ্টা ধৰি ৰাখিলে কণীটো সিদ্ধ হৈ যাব পাৰে। এই দাবী ছুইডেন ইউনিভাৰছিটিৰ এদল বিজ্ঞানীৰ। পুৰুষৰ যৌন শক্তিও হেনো হ্ৰাস কৰিব পাৰে দীৰ্ঘ সময় জুৰি ম'বাইল ব্যৱহাৰ কৰিলে ।কণ্ঠৰ পৰা হৃদয়লৈ বাটকটা ম'বাইলটোৰ কিযে ভয়ংকৰ ক্ষমতা। ম'বাইল ব্যৱহাৰ কৰাৰ সময়ত হেণ্ডছেটৰ পৰা তড়িৎ চুম্বকীয় তৰংগ বিকিৰণ হৈ মস্তিস্কৰ স্নায়ুতন্ত্ৰৰ লগতে অন্যান্য কোষবোৰকো বহুত ক্ষতি কৰে। কাৰণ, ম'বাইলটো ব্যৱহাৰ কৰাৰ লগে লগে তাৰ লগত ব্যৱহৃত তড়িৎ চুম্বকীয় ৰেডিঅ' তৰংগ আহি যুক্ত হয় উচ্চ ক্ষমতা সম্পন্ন টাৱাৰত। যাৰ বাবে বাধিৰতা, অৱসাদ, ব্ৰেইণ টিউমাৰ, কেন্সাৰ আদি দৈত্য-দানৱে উপদ্ৰৱ কৰিব পাৰে মৰম নিজৰাৰ ঘাটটোত।

ছুইডেনৰ ওৰেব্ৰো ইউনিভাৰছিটিৰ অধ্যাপক লেৰ্নাট হাৰ্টেল আৰু ইউমিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক কেৰেল হাছ্ন মাইল্ডেৰ এই গৱেষণাই স্বাভাৱিকভাৱেই বিশ্বজুৰি ত্ৰাস সৃষ্টি কৰিছে, দীৰ্ঘসময় ম'বাইলত ব্যস্ত থকাসকলক। দীৰ্ঘ ১৫ বছৰ ধৰি ৪ হেজাৰ মানুহৰ ওপৰত গৱেষণা কৰি এই সিদ্ধান্তত উপনীত হৈছে চুইডিছ বিজ্ঞানীসকল।

দিল্লীৰ খ্যাতনামা অধ্যাপক ডাঃ অশোক আগৰৱালা আৰু বিশিষ্ট ছেক্সোলডিষ্ট ডাঃ প্ৰকাশ কোঠাৰিৰ মন্তব্য যিসকলে প্ৰতিদিনে কমপক্ষে তিনি-চাৰি ঘণ্টা জুৰি ম'বাইল ব্যৱহাৰ কৰে তেওঁলোকৰ অন্ততঃ ৫০ শতাংশ যৌন ক্ষমতা হ্ৰাস হোৱাৰ আশংকা আছে। আনহাতে ব্ৰিটেইনৰ ম'বাইল টেলিকমিউনিকেচন এণ্ড হেলথ্ ৰিছাৰ্চ প্ৰগ্ৰেমৰ বিশেষজ্ঞসকলৰ মতে দীৰ্ঘ সময় ম'বাইল ব্যৱহাৰৰ হেতু কাণৰ কেন্সাৰ হোৱাটো অসম্ভৱ নহয়।

সম্প্ৰতি বিশ্বৰ ভিতৰতে আমাৰ দেশতে ম'বাইল প্ৰেমীৰ সংখ্যা বাঢ়িব ধৰিছে। লক্ষণীয় যে ব্ৰিটেইনৰ বিশেষজ্ঞসকলে ২৩ টি ৰোগীৰ ওপৰত এক সমীক্ষা চলাই এই সত্যত উপনীত হৈছে যে অত্যাধিক ম'বাইল ব্যৱহাৰ কৰাৰ ফলত মস্তিষ্ক আৰু কাণৰ ভিতৰৰ 'একুৱাষ্টিক চেল'ত নিউৰোমা অৰ্থাৎ কেন্সাৰৰ সুত্ৰপাত ঘটিছে। গৱেষকসকলৰ মতে যিহেতু ১০ বছৰৰ তলৰ শিশুসকলৰ স্নায়ুতন্ত্ৰ সুগঠিত নহয়, স্বাভাৱিকভাৱেই উচ্চ ক্ষমতাসম্পন্ন তড়িৎ চুম্বকীয় তৰংগই শিশুসকলৰ কাণত প্ৰভাৱ পেলোৱাৰ পুৰামাত্ৰাই সম্ভাৱনা থাকে।

❖❖❖❖

# চাহ জনগোষ্ঠীয়ে কঢ়িয়াই আনক গৌৰৱ

ৰুবেন টপ্প
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

এটা জাতিৰ সৰ্বাঙ্গীন উন্নতি হৈছে বুলি ক'বলৈ হ'লে সেই জাতিটোৰ অন্যান্য দিশৰ লগত কলা-কৃষ্টি, সংস্কৃতি আদিৰ কথাও আহি পৰে। চাহ জনগোষ্ঠী হৈছে অসমৰ এটি লেখত ল'বলগীয়া জনগোষ্ঠী। স্বাধীনতাৰ কালতে ইংৰাজ শাসক আৰু ব্যৱসায়ীসকলে যেতিয়া অসমৰ মাটিত চাহ খেতি আৰম্ভ কৰে তেতিয়া কিছুমান কমিছনভোগী দালালে চৰ্দাৰৰ যোগেদি ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা এই জনগোষ্ঠীসমূহক "ৰেলগাড়ী"ৰ যোগেদি আমদানি কৰি অনা হয়। সেই সময়ত এই চাহ জনগোষ্ঠীয়ে শিক্ষা-দীক্ষাত একেবাৰে পিছপৰা আছিল। কোনো দিশতে আগবাঢ়িব পৰা নাছিল। কোনো ধৰণৰ বিষয়ত অসমত গৌৰৱ কঢ়িয়াই আনিব পৰা নাছিল। কাৰণ ইংৰাজসকলে ভাবিছিল যে এই চাহ জনগোষ্ঠীসকল আজিয়ো শ্ৰমিক আৰু কালিও শ্ৰমিক হৈয়ে থাকিব বুলি ইংৰাজসকলে কামনা কৰি শ্ৰমিকসকলক শিক্ষা-দীক্ষা দিশত আগভেটি ধৰিছিল আৰু এই চাহ জনগোষ্ঠীসকল ইংৰাজসকলে শোষণ কৰি ৰাখিছিল। এই চাহ জনগোষ্ঠী সকলে ইংৰাজৰ হৈ অশেষ কষ্ট সহ্য কৰি হাড়ক মাটি কৰি তেজক পানী কৰি নিজৰ কৰ্মত বিচলিত নহৈ সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈকে কাম কৰি কামৰ নিৰিখ পুৰা কৰিছিল। সেই সময়ত এই চাহ জনগোষ্ঠীবিলাকে তেওঁলোকৰ নিজৰ নিজৰ পৰম্পৰাগত কলা-সংস্কৃতি, আচাৰ-ব্যৱহাৰ, সামাজিক ৰীতি-নীতি আদি অটুট ৰাখে আৰু এতিয়াও পৰম্পৰাগত সাংস্কৃতিক বৈশিষ্ট্য বিদ্যমান।

এই মৰ্মে চাহ জনগোষ্ঠীৰ নিজৰ গৌৰৱ কেনেকৈ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল এই বিষয়ে ইয়াত আলোচনা কৰা হৈছে। অতীজৰে পৰা ইংৰাজৰ অধীনত গোটেই দিনটো কাম কৰিলেও এই চাহ জনগোষ্ঠীসকলৰ মনত সাহস ভাগি পৰা নাছিল। তেওঁলোকে অতি সাহসেৰে ভাৰতৰ অন্যান্য শ্ৰমিকসকলৰ লগত একত্ৰিত হৈ ১৮৮৬ চনত প্ৰথম মে তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত দ্বিতীয় আন্তজাৰ্তিক অধিৱেশনত বিভিন্ন ৰাজনৈতিক পাৰ্টি আৰু ট্ৰেড ইউনিয়নৰ লগত সংগঠিত শ্ৰমিকসকলে আঠ ঘণ্টা কামৰ সময় ধাৰ্য কৰাৰ গুৰুত্বপূৰ্ণ দাবীসমূহ আদায়ৰ বাবে সংগ্ৰামৰ দিন হিচাপে পহিলা মে দিনটো বাছি লয়।

পৰৱৰ্তী বছৰটো অৰ্থাৎ ১৮৮৬ চনৰ প্ৰথম মেৰ দিনা কামৰ সময় কম কৰাৰ দাবীত গোটেই মাৰ্কিন যুক্তৰাষ্ট্ৰই সহযোগ কৰে। অকল মাৰ্কিন যুক্তৰাষ্ট্ৰই নহয়, সেই সময়ত ইউৰোপৰ আন দেশটো 'মে' দিৱস উদ্‌যাপন কৰা হয়। এনেভাৱে ইউৰোপৰ আন আন বহুত দেশৰ ৰাজধানীতো কৰ্তৃপক্ষৰ বাধা নিষেধ আৰু দমনমূলক নীতিসমূহ উপেক্ষা কৰি সভা, শোভাযাত্ৰা আদি কৰাৰ ব্যৱস্থা কৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰ চিকাগো আৰু নিউইয়ৰ্কৰ শোভাযাত্ৰা বিশেষ তাৎপৰ্যপূৰ্ণ আছিল। হাজাৰ শ্ৰমিকে আঠ ঘণ্টা কামৰ দাবীত মষ্টি-পষ্টি আদি কৰে। ইয়াৰ ফলত বহুতো শ্ৰমিকৰ প্ৰাণ আহুতি দিব লগা হয়। সেই কাৰণে বৰ্তমান আন্তজাৰ্তিক শ্ৰমিকসকলৰ ঐক্য স্মৰণ কৰি প্ৰতি বছৰে মে মাহৰ পহিলা দিনটো পালন কৰা হয়। কামৰ সময় কমোৱাৰ আন্দোলনৰ 'মে' দিৱসৰ জন্ম কাহিনী অবিচ্ছেদ্যভাৱে জড়িত। শ্ৰমিক শ্ৰেণীৰ মাজত ইয়াৰ ৰাজনৈতিক তাৎপৰ্যও যথেষ্ট। সেই সময়ৰ আন্দোলনবোৰৰ স্বৰূপ সদায় যে একেই আছিল এনে নহয়। বেলেগ বেলেগ সময়ত অভিজ্ঞতাৰ ভিত্তিত আৰু প্ৰয়োজনৰ তাগিদাত আন্দোলনবোৰ গতি প্ৰকৃতি আৰু দাবীবোৰৰ মাজত বহুত পাৰ্থক্য দেখা গৈছিল। সেই বুলি আঠঘণ্টা কামৰ দাবী সদায় আনৰ দাবীবোৰৰ ওপৰত

স্থান পাইছিল। এনেকৈ আন্দোলন চালায় থকাৰ ফলত ১৮৮৭ চনৰ এক মেৰ পৰা শ্ৰমিকসকলে আঠ ঘণ্টা কামৰ স্বীকৃতি পায়। সেইকাৰণে বৰ্তমান ভাৰতৰ সমগ্ৰ শ্ৰমিক শ্ৰেণী নহ'লেও শ্ৰমিক শ্ৰেণীৰ এটি বুজন অংশই এতিয়াও শ্ৰদ্ধাৰে স্মৰণ কৰে। সেয়ে নহয় এই চাহ জনগোষ্ঠীসকলে পূৰ্বৰে পৰা ইমান কষ্ট কৰিও নিজৰ সংস্কৃতিকো বাদ দিয়া নাই। ইমান দুখ-কষ্টৰ মাজেদিও অতীজৰে পৰা ভাদ মাহত কৰম পূজা, আহিন মাহত দুৰ্গা পূজা, কাতি মাহত কালি পূজা, মাঘ মাহত টুচু পূজা আদি পাতি আহিছে। বৰ্তমান চাহ জনগোষ্ঠীয়ে আঠ ঘণ্টা শ্ৰম কৰিও নিজৰ পৰা বঞ্চিত থাকিবলগীয়া হৈছে। তথাপিও নিজৰ সাহস, ধৈৰ্য আৰু শক্তি হেৰুৱাই দিয়া নাই। এতিয়া বৰ্তমান শ্ৰমিক তথা চাহ-জনগোষ্ঠী শিক্ষা-দীক্ষাত সকলো দিশত আগবাঢ়ি আহিছে। চাহ শ্ৰমিকসকলে ল'ৰা-ছোৱালীক শিক্ষিত কৰি তুলিবলৈ অভিভাৱকসকলে সক্ষম হৈছে। বৰ্তমান চাহ বাগিচাসমূহৰ ল'ৰা-ছোৱালীবোৰ নিজৰ চেষ্টাৰ বলত পৰীক্ষাত প্ৰথম স্থান পাবলৈ সক্ষম হৈছে। এতিয়া বৰ্তমান চাহ জনগোষ্ঠী গাঁৱে-ভূঞে, বাগিচা-নগৰসমূহত শিক্ষিতৰ হাৰ বৃদ্ধি পাইছে। শিক্ষিত হোৱাৰ বাবে আজি সাংস্কৃতিক সভ্যতাক আদৰি লৈ অসমৰ ভিন ভিন সমাজৰ লগত ভিন ভিন জাতিৰ মানুহৰ লগত খাপ খাই খোজৰ প্ৰতি খোজ মিলাই জীৱন নিৰ্বাহ কৰি অসমত গৌৰৱ কঢ়িয়াই আনিছে। চাহ জনগোষ্ঠী নিজৰ সাংস্কৃতিক দিশটোৰ উন্নতি সাধনৰ বাবে পূৰ্বৰে পৰা ঘৰে-ঘৰে, গাঁৱে-ভূঞে চলি অহা কৰম পূজাক জাতীয় উৎসৱ বিহুৰ লগত স্থান দিবলৈ সক্ষম হৈ চাহ জনগোষ্ঠীয়ে অসমলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰিছে। যেনেকৈ জাতীয় উৎসৱ ৰঙালী বিহু আহিলে অসমীয়া ডেকা-গাভৰুৰ গা-মন থৌকিবাথৌ কৰে। সেইদৰে কৰম পূজাৰ আগমনে চাহ জনগোষ্ঠীৰ জনসাধাৰণৰ মন আনন্দিত কৰি তোলে। ৰঙালী বিহুৰ দৰে কৰম পৰৱেও আমাৰ অসমৰ শান্তি সম্প্ৰীতি। আগতে কৰম পূজা ঘৰে-গাঁৱে পালন কৰিছিল, এতিয়া বৰ্তমান চাহ জনগোষ্ঠীৰ শিক্ষিত যুবক-যুৱতীসকলে সকলো ৰাইজৰ আগত মঞ্চত প্ৰকাশ কৰিলে। এনেদৰে চাহ জনগোষ্ঠীয়ে নিজৰ সংস্কৃতিক জীয়াই ৰাখি নিজৰ জাতিৰ হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে।

জ্ঞানৰ মুকুট পিন্ধি আমি
সত্যৰ কৱচ পিন্ধি,
মৰমৰ পোহৰ বিলাই আমি
চিৰসুন্দৰ আৰাধি
প্ৰগতিৰ পথত আগুৱাই যাম আমি
সোণোৱালী আখৰেৰে
কুসুম কোমল পাহিৰে
প্ৰাণে প্ৰাণে লিখিম আমি
জয় আই অসম
অসমতে জন্ম আমাৰ
অসমতে মৰিম আমি
শত জীৱন ধন্য কৰিম আমি।

❖❖❖❖

# शैर चिकित्सा की एक लघू कथा एसियाई शेर के लिए मीठी गोलियाँ

*दिल्लीराम वर्मा*
*स्नातक प्रथम वर्ष (कला)*

घाघस एक एशियाई शेर चिकित्सा की दुनिया का एक जीता जगता चमत्कार बन गया। बचने की कोई अम्मीद न होने पर भी आज वह जिंदा है और पहले की तरह गरजता है।

घाघस को अकटूबर २००८ की दिल्ली के चिड़ियाघर में लाया गया था। वह चिड़ियाघर के माहौल में अच्छी तरह से रम गया था। १५ मार्च को उसने रोज को तरह अपना काना पुरा नही खाया। चिड़ियाघर के डाँक्टरो ने इस बात पर ध्यान देते हुए उसे तीन दिन तक लगातार सुई लगाई। पर इससे उसे कोई फायदा न हुआ, अब जो उसने खाना एकदम छोड़ ही दिया था और मुँह से लार भी बहने लगी थी।

घाघस की गिरती हुई हालत देख उसके खुन के नमुने जाँच के लिए भेजे गए। हालाँकि इस बीच घाघस ने थोड़ा बहुत जो खाना शुरु कर ही दिया था पर उसकी हालत ठीक नही कही जा सकती थी।

वह अपने पिछले पैरो से लँगड़ाने भी लगा था और ठीक से खड़ा भी नही हो पा रहा था। दिल्ली के चिड़ियाघर के निदेशक डी. एन. सिंह ने बताया ''एक महीने बाद तो हालत यह हो गई कि घाघस अपने शरीर का पिछला हिस्सा उठाने में असमर्थ हो गया। हमने उसे नियमित रुप से दिए जानेवाले माँस के स्थान पर मटन और चिकन खाने के लिए दिया। खाने में किए बदलाब का असर हुआ और घाघस ने ७०-८० प्रतिशत तक खाना खाया जो कि एक अच्छा संकेत था। हालाँकि उसकी हालत में कोई सुधार नजर नही आ रहा था।''

घाघस को इलाज के लिए दुसरे बिशेष छिकिसकीय पिंजरे में रखा गया। उसके इलाज में कोई कोताही नही बस्ती जारही थी, उसके शरीर की भाप से सिंकाई की जाती थी और अब वह भोजन भी अच्छी तरह से लेने लग गया था पर हालत उसकी वेसी ही बनी हुई थी। छिड़ियाघर के सभी लोग चिंतित हो गए।

हालत ऐसी हो गई थी कि अब दिन गिनने के अलावा कोई चारा न था।

घाघस की यह दशा देखकर हमने गुजरात कै वन्यजीव बिशेषज्ञों से यह सीचकर सलाह लेने का निर्णय किया कि सिंह भारत में सिर्फ गुजरात के गिर जंगली में पाए जाते है, शायद वे ही कोई राह शुझा सके'' सिंह ने आगे बताया गुजरात के प्रमुख बन्यजीव संरक्षक ने उन्हे. आंणद के डाँकटर आर. जी. जानी से संपर्क करने का सुझाव दिया।

घाघस के इलाज की रिपोर्ट देखने के बाद डा जानी ने उसे होम्योपैथी दवाइयाँ देने की सलाह दी। होम्योपैथी इलाज शुरु हो ने के दो माह के भीतर ही घाघस की हालत सुधरनी शुरु हो गई और अब वह अपने चारो पैरो पर खड़ा हो पा रहा था। यह बात है अगस्त की यानी कि पुरे छह माह वह तकलीफ में रहा। बीमारी की बजह से बह बहुत कमजोर हो गया है पर हालत में अभी सुधार है।

❖❖❖❖

# NATIONAL CADET CORPS
# राष्ट्रीय कैडिट कोर

*Pawan Jaishy*
*ASD/CGF/34086/06*
*Seniour under officer*
*Digboi College, Digboi*
*T.D.C. 3rd Year (Arts)*

ब्रिटिश शासक भारतीय बिश्वबिद्यालय के छात्रो को सैन्य प्रशिक्षण देना चाहते थे, जिससे उनकी फौज के लिए अच्छे अफसर मिलते रहें। इस उद्देस्य के ध्यान मे रखकर उन्होने युनिबर्सिटी ट्रेनिंग केर (U.T.C) की स्थापना की। आगे चलकर सन 1925 मे U.T.C का नाम बदलकर युनिवर्सिटी आफिसार्स ट्रेनिंग केर (U.O.T.C)कर दिया गया लेकिन इस संगठन का दायरा सीमित था तथा बहुत कम छात्रो ने इसमे भाग लिया।

द्वितीय बिश्व-युद्ध (Second world war) के समय University officerses training Crops अपने उद्देस्य को बिफल रही इसकी बिफलता के ध्यान मे रखते हुये तथा युवकों को सैन्य प्रशिक्षण देने हेतु भारत सरकार ने 1946 मे ड: हृदयनाथ कुंजरू की अध्यक्षता को राष्ट्रीय कैडित कोर (National Cadet Crops) की स्थापना की। इस समिति ने संसार के बिकसित देशो द्वारा युवको मे सैन्य प्रशिक्षण का गहराई से अध्यन करने के पहचान मार्च 1947 मे अपनी विस्तृत रिर्पोट सरकार को देदी। सरकार ने समिति की सिफारिशों स्वीकार करने एक बील तैयार किया जो अप्रैल 1948 मे संसद द्वारा पारित होकर "राष्ट्रीय कैडिट कोर अधिनियम"बन गया। इसी अधिनियम के अन्तर्गत स्कुल, कांलेज बिश्वबिद्यालयो में National Cadet Crops की स्थापना हुई।

National Cadet Crops मे भर्ती होने के बाद कैडिट को ड्रिल, फायरिंग मेपरिडिंग आदि के बिषय में सिखाया जाता था। पर सन 1997 से एसके पाठ्यक्रम मे खेलकुद व स्पोर्टस को भी सामिल कर दिया गया। इसके लिए NCC के द्वारा राष्ट्रीय स्तर पर गणतंत्र दिवस केम्प Republic Day camp (1 जनवरी से 27 जनवरि के बीस) का आयोजन दिल्ली में परिवर्ष किया जाता है। एन. सी. सी. दिवस प्रतिबर्ष नवम्बर माह के चोथे रविवार को मनाया जाता है। वर्तमान मे NCC की स्वीकृती संख्या कुल 15.63 लाख (7.33 लाख SD नथा 8.30 लाख J.D) है। इसको प्रशिक्षित करने हेतु 91 ग्रुप्स हेडकवार्टर्स, 658 आर्मी विंग युनिटस (टेक्नीकल व गर्ल्प सहित) 58, नेबल बिंग युनिट तथा एयर स्कवाड्रन कार्प रत है।

**राष्ट्रीय कैडिट कौर उद्देस्य (Aims of NCC)**

- ☐ देश की युबाओ मे चरित्र, साहचर्प, अनुशासन, नेतृत्व, धर्म निरपेक्षता, रेमांच तथा नि:स्वार्थ सेवा भाव का सयार करना।
- ☐ संगठित, प्रशिक्षित व प्रेरित युबाओ का एक मानव-ससांधन तैयार करना जीवन के प्रत्येक क्षेत्र मे नत्तृत्व प्रदान करना व देश की सेवा के लिए सदेव तत्पर रहना।
- ☐ सशस्त्र सेना को जीविका (कैरियर) बनाने के लिए युवाओ के प्रेरित करने हेतु उचित बाताबरण पेदा करना।

**निसाने बाजी प्रतियोगिता**

NCC निसाने बाजी प्रतियोगिता का चयन CATC (Combine Annual Training camp) के द्वारा बर्ष मे एक या दो बार कोइ युनिट के द्वारा किया जाता है। जिसमे अच्छे प्रतियोगी का चयन करके ग्रुप स्तर के लिए भेजा जाता है वहा से भो अच्छे निसानेबाज का चयन करके East zone laval मे भेजा जाता हे जहा इ क्षेत्र के रहनेवाले (कोलकता, बिहार, असम, उड़िसा) NCC cadet (लड़के और लड़किया) इस

प्रतियोग मे हिस्सा लेते है और बहा से उत्तीर्ण होकर ALL INDIA INTER DIRECTOR NATIONAL SHOOTING COMPETETION मे भाग लेने का मौका मिलता है। जहा हमारे भारतवर्ष के कुछ चुनिंदा NCC के लड़के और लड़किया ही हिस्सा ले सकते है।

ठिक उसी प्रकार से 2008 जुलाई को मे 26 आसाम इंडेपेनडेन्ट कम्पनी एन. सी. सी. के द्वारा एक कम्बाई एनुवल ट्रेनिंग केम्प का रखा गया जहा मैने. 22 हथियार से ग्रुपिंग फायरिंग 1cm के दायरे पर किया था जिसके कारण मुझे स्वर्ण पदक (Gold Medal) मिला था फिर उसके बाद उस स्थान (लेखापानी) पर 63 गल्स बटालिएन के द्वारा भी एक CATC केम्प का आयेजन किया गया। बहा भी मैने 3P (Lying, kneeling, standing, position) के फायरिंग करके कुल 150 अंक पर 131 अंक पाकर प्रथम स्थान प्राप्त किया था ठिक उसी प्रकार मै वहा से नियुक्त होकर मैरे साथियो के साथ ग्रुप स्तर के लिए निकल पड़ा जहा हमारे NER Directed (North East Region) के कुछ चने हुये निसानेबाज आये थे वहा भी मेरा प्रदर्शन अच्छा रहा फिर वहा से East Zone level के लिए गया जो कोलकता के आसानसोल जिला मे हुआ था और वहा से भी और आगे अर्थात All India Inter Directed National Shooting competetion मे पहुचा जो पंजाव राज्य के लुधियाना जिला के पुलिस टेनिंग एकाडमी के फायरिंग रेनज में हुआ था जहा भारत देशभर के चुनिंदा NCC के निसानेबाज आये थे जहा इनके साथ प्रतियोग में हिस्सा लेकर अच्छा स्थान के साथ एक अच्छा सफलता भी मिला जो मेरे जिवन के लिए बहुमुल्य है।

मेरे द्वारा NCC के दौरान फाररिंग किये गये हथियार के नाम -

१। जर्मन पेपसाइट (GERMAN PEPSIGHT)
२। सेलफ लोडिंग रायफल (SELF LODING RIFLE)
३। लाई मशीन गन (LIGHT MACHIN GUN)
४। पईटं टू टू जिलक्स (.22 DILAX)
५। पईटं टू टू मार्क फोर (.22 MARKFOR)

❖❖❖❖

# गोरखा शब्दको भ्रम न राजनीतिको खेल?

*मन बाहादुर छत्री*
*स्नातक तृतीय वर्ष (कला)*

प्रारम्भदेखि नै सामानार्थी र पर्यायवाची रुपमा चलिआएका दुरटा नेपाली शब्द 'गोर्खा' र नेपाली - माझ असीको दशकदेखि नै सोताने झगड़ाको सृष्टि हुन थालेको हो वा झगड़को थालनी गराएको हो। 'गोर्खा' कहलाइने भारतीय र नेपाली भतिने हरु नेपालका व 'विदेशी' जस्ता बयम्फुसे कुराहरु पनि समाचार पत्रहरुमा पदन पाइयो। ट्यसअधिसम्म एउटै सिककाफआ दुइ पाटा जसरी नै यो दुई सहोदर शब्द लेख्न र बोल्नमा व्यपहृत भइरहेका थिए। त्यसपछि कताबाटृ विषको तुवाँलो चिरेर निस्कियो यो दुई शब्दहरुलाई विकृत पाने घारणा यसको जन्म पनि 'गोखा लैण्ड' को आन्दोलन सैगसँगै भएको हो भन्दा पनि अतिरायोक्ति नहोला। 'गोर्खा लैण्ड' आन्दोलनले भारतमा रहने नेपालीहरुमाझ उत्साहको सञ्चार गरेको थियो भने नपसपछि एउटा विषाक्त धारणाले जन्म लिन्ह भन्ने कुराबाट मानिसहरु अनभिज्ञ नै थिए। त्यसैले पनि यस आन्दोलनले परोक्ष वा प्रत्यक्ष रुपले सबेबाट सकदो प्रकारले टेवा र समर्थन पाएको थियो। अन्त्यमा माछो माछो भ्यागुतो। अन्त्यमा काउन्सिलचाहि भेट्रिये, नेताहरु भन्दछन एकआपसमा। तर, यस आन्दलनको अवसानपछि नै हाम्राआधि

जुन दृश्यपटल सामुन्ने आयो न्यो यस प्रकार छ नेपालीहरु विदेशी र गोर्खाहरु भारतीय भनी आन्दोलनको नेतृत्व बर्गले समाचारपत्रहरुमा गरेको वक्तव्य, दार्जीलिङको चोरस्नामा बिदेशी कपि भनेर भानुभक्तको सालिग तोढिनु, नेपाली भन्ने हरुलाइ छ इन्ची होटयाउनु पछे भन्नु, गोर्खा र नेपालीबारे चर्चा गनेहेरुको टाउको फोर्नु पर्छ भन्नु, मेरो गोरुको बाहै टककाम स्ता बलजफनीपुर्ण निरर्थक कुराहरुको निरर्थक प्रकाशन, तथा कथित नेताहरुद्वारा 'गोर्खा धमी वीर जाति' (नेपाली वीर हुँदैन?) जस्ता आवेगिक कुराहरुले साधारण मानिसहरुको मस्तिष्क मन्थन, भारतीय संबिधानको आठौं अनुसूचिमा अन्तर्भुक्त हुने बेलामा अनुसूचिमा गोर्खाली भाषा हुनुपर्छ भनेर दिल्लीमा क्याम्प, हालनु आदि आदि ... नेपाली जातिको इतिहासलाई घामिल्याउने यस्ता कुराहरुले मनमा ग्लानि उत्पन्न हुनु स्वाभाविक हो। अतः थी दुइटा शब्दहरुको मायाजाल र राम्ररी छान बिन गर्नु आवश्यक छ।

वास्तवमा 'नेपाली' एउटा समुच्य बोधक शब्द हो जसले बिभिन्न जाति, उपजातिहरुलाइ समेटेको छ। यो एउटा सम्पूर्ण जाति हो जब कि 'गोर्खा' ले यसमित्रकै युद्धमा निपुण, साहसी गोरिल्ला प्रबृत्तिका मानिसहरुलाइ बुम्फाउँछ। इतिहासमा नेपाली भाषाको उत्पत्तिअधिदेखि नै यस नेपाली जातिको अस्तितल्प रहेफो भेटिन्छ।

नेपालीको अत्पत्तिका बारेमा बिभिन्न मतहरु पाइन्छन। तिब्बतीहरु नेपाललाई 'नेपा' भन्दछन भने पालित वंशावलिमा 'ने' मुनीद्वारा पालित भएकाले सो दोखसो नाउँ 'नेपाल' भएको भोटिन्छ। त्यसदेशमा बसोबास गर्ने जुनसुकै जातिका मानिस हरुलाइ पति 'नेपाली भनिएको छ। उतिखेरको बृहद नेपाल सानासाना चौबिस रजौटाहरुमा बिभक्त थियो तथा आफुलाई प्रत्येक रजौटाका मानिसले नुवाकोटे (नुवाकटका मानिस), लमजुङे (लमजङका मानिस), गोरखाली (घोरखा रजौटाका बासिन्दा) आदि आदि नाउँले परिचित थिए।

अझै एउटा कुरा, सम्पूर्ण सिंगो जाति हुनको लागि न्यस जातिको निजस्व भाषा, संस्कृति र सम्यता हुनु आवश्यक छ। अकोको भाषा, साहित्य र संस्कृतिको वैशाखीमा टिकेर कुनै पनि जाति हिंडन सकदैन। गोरखा भन्नासाथ उसके आफनो भाषा, साहित्य र संस्कृतिको सुवास आउनु पई, नभए माछ मीठा, काँटा तीताजस्तो कुरा हुनजान्छ।

संस्थाथाहरु न कति बनेर कति बिलाएका छन हिसाब छैन, 'अखिल भारतीय गोर्खा लोग' अधिबाट आससम्म कति नेता आए, गए व्यसको पति हिसब हैन। आज खाँचो इमान्दार नेतृत्यको र भारतमा बस्ते नेपालीहरुका समस्टाहरु केलाएर सङ्घर्ष गर्ने रचनात्मक मानसिकताको न कि जाति परिवर्तन, भाषा परिवर्तन ... केटा-केटी खेलाँचीजस्तै ... के भन्लान है अरुले। नेपाली फेरेर गोरखा हुने ... न्यसपछि 'गोरखा' फेरेर के हुने? जाटि एउटा आङ्पुछ्ने लुगा न होइन होला नि?

अतः गोरखा भने पति नेपाली भने पति गोरखा थो सहोदर शब्द पर्यायवाची रुपमा चलिआएका छन, चली नै राम्रो हुनेछ। फोवाले कान लग्यो भनेर कान न छामीकन कोबासँगै उडने बानीको दुरगामी परिणाम केही पति हुनसकछ निको त निश्य हुँदैन।

❖❖❖❖

# তোমাৰেই অপেক্ষাত ... মই !

তৃষ্ণা গগৈ
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

প্ৰায় দহ বছৰৰ আগৰ কথা মনত পৰিছে আজি আকাশৰ, সি ঘৰখনৰ একমাত্ৰ সন্তান; এদিন পৰিস্থিতিৰ দাস হৈ এৰি আহিছিল অনিচ্ছা স্বত্তেও সিহঁতৰ পৰিয়ালটোৰে জন্মভূমি মৰমৰ গাঁওখন আৰু আকাশে আঁতৰি আহিব লগা হৈছিল সি মনতে ভাল পায় থকা তাৰ মৰমী 'তৰালি'ক। সিহঁত সৰুৰে পৰা একেলগে ডাঙৰ হোৱা ধুলি-মাকতি, বোকা-পানী খেলি; পঢ়াশালিলৈও একেলগে গৈছিল, প্ৰায়ভাগ সময় দুয়োটাই একেলগে পাৰ কৰিছিল আৰু এনেকৈয়ে লাহে লাহে আকাশৰ হৃদয়ত তৰালিৰ প্ৰতি অকৃত্ৰিম চেনেহ জাগি উঠিছিল। কিন্তু তেতিয়া সি জনা নাছিল তাৰ সেই স্নেহ-মৰম ভালপোৱা কি আছিল? মাথোঁ ভাল পাইছিল। তাইৰ প্ৰতি আকাশৰ যি অনুভৱ, যি মৰম সহানুভূতি আছিল তাৰ আৰু লগৰ কোনো ল'ৰা-ছোৱালীলৈ তেনে ভাব অহা নাছিল আৰু সেইয়াই চাগে তাৰ প্ৰেমৰ আৰম্ভণি আছিল। সিহঁত দুয়োটাই সৌ নীলিম আকাশৰ বুকুত থকা তিৰ্‌বিৰ্ তৰাবোৰ গণি বৰ আমোদ পাইছিল, সন্ধিয়া হ'লেই দুয়োটাই নিজৰ নিজৰ ঘৰৰ চোতলৰ পৰা তৰাবোৰ গণিছিল আৰু পিছদিনা ইটোৱে সিটোক কৈছিল কোনে কিমান তৰা গণিলে আৰু আকাশে আজিও সদায় নিশা নীলিম আকাশৰ তৰা গণে ...

আকাশে আজিও তৰালিক ভাল পাই মনে মনে, কিন্তু সি নাজানে তৰালিয়ে তাক ভাল পাই নে নাই, কিন্তু আকাশৰ বিশ্বাস তৰালিয়ে নিজে নজনাকৈ হ'লেও তাৰবাবে ৰৈ আছে বুলি কিয়নো সি অনুভৱ কৰে তৰালিৰ বুকুৰ স্পন্দনবোৰ। আকাশৰ জীৱনলৈ ৰাস্তাত থকা গাঁতবোৰৰ দৰে কেতিয়াবা দুই-এজনী ছোৱালী আহিছে, কিন্তু সি কাকোৱে সঁহাৰি জনোৱা নাই। নিজকে কেতিয়াও জীৱন পথৰ সেই গাঁতত পেলোৱা নাই কিয়নো সিহঁতক দেখিলে তাৰ এনে কোনো অনুভৱ নহয়, যি অনুভৱ তৰালিৰ মাত্ৰ কথা ভাবিলেই হয়। তৰালিৰ কথা সি সদায় ভাবে কিন্তু আজি গাঁওখনৰ কথাও ভাবিছে। তাৰ শৈশৱৰ লগৰবোৰৰ কথা মনত পেলোৱাৰ চেষ্টা কৰিছে, কিয়নো? আজি সি তাৰ শৈশৱৰ গাঁওখনিলৈ যাব, শৈশৱৰ লগৰবোৰক লগ পাব আৰু তৰালিকো!

আজি সম্পূৰ্ণ বছৰৰ মূৰত সি নিজ গাঁৱৰ মাটিত খোজ দিছে। গাঁৱত তাৰ ককাক, আইতাক, দদায়েক, খুড়ীয়েকহঁত এতিয়াও থাকে। মাজে সময়ে সিহঁতৰ চহৰলৈ যায় দুই-এদিন থাকি গুছি আহে। তাৰ মাক-দেউতাকো গাঁৱৰ ঘৰলৈ আহি থাকি যায়হি। কিন্তু; আকাশহে অহা নাই একেবাৰে তাহানিৰে পৰা। বহুদিনৰ মূৰত অহা বাবে তাৰ গাঁৱৰ আলি-পদূলিবোৰ অচিনাকি যেন লাগিছে। পৰিবেশটোও তাৰ কিবা অদ্ভুত সলনি হোৱা যেন লাগিছে হয়তো কৰ্মময় জীৱনৰ ব্যস্ততাই বাধ্য কৰিছে গাঁৱৰ সহজ সৰলতাক সলনি কৰাবলৈ। গাঁৱখনো কিছু সলনি হৈছে, উন্নতিও হৈছে সেয়া সি বাটত আহি থাকোতেই দেখিছে।

যদিও সি আইতাকৰ ঘৰত, তাৰ মনটো কিন্তু তাত বহা নাই তৰালিক লগ পোৱাৰ অসীম হেঁপাহ তাৰ বুকুত জাগি উঠিছে। সি হাত-মুখ ধুই চাহ খাই পদূলি মুখ পালেগৈ। বহুদিন হ'ল তাৰ, খালি ভৰিৰে মাটিত খোজ নিদিয়া। কিন্তু আজি তাৰ খালি ভৰিৰে খোজ কাঢ়িবৰ মন গ'ল। কিজানি অতীতৰ কথা ভাবিয়ে তাৰ এই হেঁপাহো জাগিল, সৰুতে খালি ভৰিৰে সি ভাল পাইছিল।

জোতা-চেণ্ডেল প্ৰায় ব্যৱহাৰ নকৰিছিলেই। সন্ধিয়া হৈ গ'ল, কিন্তু সি তৰালিহঁতৰ কাকো দেখা নাপালে এবাৰো; তৰালিহঁতৰ ঘৰটো আইতাকৰ ঘৰৰ পৰা দেখিয়ে থাকে মাত্ৰ আলিটোৰ ইপাৰ সিপাৰ। আকাশৰ মনটো গধুৰ হৈ পৰিল, নীলিম আকাশখনো কিবা গোমা যেন হৈ আছে। শুকুলা ডাৱৰবোৰে নীলিমৰ সুবাস কমাই বিষাদ কৰি তুলিছে। লাহে লাহে সি ঘৰমুৱা হ'ল। ৰাতি ভাত-পানী খাই বিচনাত বাগৰি মাথোঁ দুটামান কথাই ভাবি থাকিলে বাৰে বাৰে — তৰালি বাৰু আজিকালি তাৰ আইতাকৰ ঘৰলৈ নাহে নেকি? যদি নাহে কিয় নাহে আৰু নে সিহঁতো এই গাঁও এৰি ক'ৰবালৈ গুছি গ'ল । সি কাক বাৰু তৰালিৰ কথা সুধিব ভাবি ভাবি পাৰ পোৱা নাই! সি বিচনাত ইকাটি-সিকাটি কৰি আছে। দুচকুত তাৰ টোপনি নাই, পুৱা হোৱালৈ ব্যাকুল তাৰ হৃদয়।

পুৱা সি আজি সোনকালে সাৰ পালে। এনেয়ে কিন্তু সাধাৰণতে সি প্ৰায় দেৰিকৈ শুই উঠে। শুই উঠিয়ে ব্ৰাছ কৰি কৰি ৰাস্তালৈ ওলাই গ'ল। সি আচৰিত হৈছে, কালি অহাৰে পৰা তৰালিহঁতৰ ঘৰৰ মানুহ কাকো এবাৰো দেখা নোপোৱাত সি লাহে লাহে আগুৱাই গ'ল। অলপ দূৰ গৈ তৰালিহঁতৰ ঘৰৰ পৰা চাইকেল এখন লৈ ল'ৰা এটা ওলাই অহা দেখিলে। ল'ৰাটোৱেও তাক দেখি কাষ চাপি আহি হাঁহি এটা মাৰি সুধিলে ? এয়া আমাৰ আকাশ নহয়নে ; বুলি সি ল'ৰাটো চিনি পাই ভাৰ্গৱ দা বুলি মাত দিলে। দুয়োটাই অলপ সময় কথা পাতিলে আৰু আবেলি লগ কৰাৰ কথা কৈ ভাৰ্গৱে কামলৈ গুছি গ'ল। ভাৰ্গৱ তৰালিৰ ককায়েক। সি তাৰ পৰা জানিব পাৰিলে তৰালি ঘৰত নাই বুলি। চহৰৰ হোষ্টেলত থাকি পঢ়ি আছে বুলি কথাটো জানি তাৰ ভালেই লাগিল। কিন্তু তৰালিক লগ নোপোৱাৰ বেথাত মনটো অলপ বেয়াও লাগিল।

আবেলি আকৌ ভাৰ্গৱক লগ পালে, সিহঁতৰ ঘৰলৈ গ'ল, ভাৰ্গৱ এতিয়া পৰিয়াল থকা মানুহ। তাৰ বিয়াৰ দুবছৰেই হ'ল হেনো সিহঁতৰ সৰু এবছৰীয়া ছোৱালী এজনী আছে, বৰ মৰম লগা। নামটোৰ তাইৰ 'স্নিগ্ধা'। নামটো হেনো আচলতে তৰালিয়েহে দিয়া, কথাই কথাই এইবাৰ এটা ভাল খবৰ পালে আকাশে, তৰালি হেনো এইকেইদিনতে ঘৰলৈ আহিব। কথাটো শুনি তাৰ ভাল লাগিল, নিশা বেছি হোৱাত সি গুছি আহিল। সকলোৰে যেন তাৰ বাবেই অপেক্ষা কৰি আছিল সি অহাৰ লগে লগেই ভাত বাঢ়ি সকলোৱে লগতে খালে। আকাশৰ পেটলৈ ভাত নাযায় হে নাযায়, সি সোনকালে খাই উঠিলে। আইতাকে 'ভাত এৰিলি যে বোপা' বুলি কোৱাত সি ভোক নাই, ভাৰ্গৱ দা হঁতৰ ঘৰত জলপান খাইছিলো বুলি ক'লে, সি গৈ বিচনাতে বাগৰিলে। আজিও তাৰ টোপনি নাই, নষ্টালজিয়াই তাক আমনি কৰিছে, নিশা যিমানেই গভীৰ হৈছে সিমানেই যেন অতীতৰ স্মৃতিবোৰে শিতানত বহি ৰু-ৰুৱনি তুলিছে।

সি আজি দিনটো নঙলা মুখতে বহি আছে অকলে অকলে। মাক-দেউতাকে তাক ফুৰিবলৈ লগ ধৰিছিল যদিও সি কিন্তু নাযাও বুলি ক'লে। চাওঁতে চাওঁতে পিছবেলা হ'ল। স্কুলৰ ল'ৰা-ছোৱালীবোৰ ঘৰলৈ উভতিছে। দুটামান সৰু সৰু ল'ৰাই তাক অচিনাকি দেখি কেইবাবাৰো তাৰ মুখলৈ চালে আৰু নিজৰ মাজতে কিবা-কিবি আলোচনা কৰি গৈ আছে। সন্ধ্যা হ'ল, তৰালি আজি নাহিল। মনটো তাৰ বিষন্নতাই ভৰি পৰিছে; আজিও বিচনাত বাগৰি টোপনি নাই, বহু কিবা-কিবি ভাবনাই তাক জুমুৰি দি ধৰিছেহি। তাৰ মনলৈ কেইটামান সুৰ, কেইটামান কবিতা আহিছে —

*অতীতৰ গুঞ্জৰণিত নিশা নাহে টোপনি*
*বেদনাই ভৰা হৃদয়ত করুণতাৰ বাঁহীৰ বিননি*
*স্বপ্নাতুৰ মনত অনেক আমনি নামনি*
*গোট মাৰি শিল হোৱা চকুলোঁ আহিছে বাগৰি*
*প্ৰতি নিশাই সৃষ্টি হয় বিচনাত বাগৰিলেই*
*মোৰ কবিতাৰ অবুজ যন্ত্ৰণা আৰু*
*কলিজা দহা যাতনা*

আজি দিনটোও সি অপেক্ষা কৰি আছে নঙলা মুখতে ৰৈ তৰালিৰ বাবে; দুপৰীয়া প্ৰসৰ ৰ'দত দুজনী ছোৱালী সি আহি থকা দেখা পাইছে ৰিনিৰিনিকৈ, সি উৎফুল্লিত হৈ পৰিছে তাৰেই এজনী তৰালিয়ে হ'ব বুলি ভাবি, লাহে লাহে সিহঁত দুজনী ওচৰ

পালেহি। আকাশে তৰালিক দেখা মাত্ৰকেই চিনি পালে। হৃদয়ত তাৰ অবুজ আবেস উজাই আহিলে। কিন্তু; সি কি বুলি মাতিম মাতিম বুলি ভাবি থাকোতেই সিহঁত দুজনী তাৰ সন্মুখেদি পাৰ হৈ গ'ল। সি মাথোঁ চাই ৰ'ল তৰালিৰ ফালে একেথিৰে ৰ' লাগি, দুজনীমান পখীৰ মাতত হে যেন সি বাস্তৱলৈ ঘূৰি আহিল। সি এইবাৰ দীঘল উশাহ এটা লৈ ঘৰলৈ গৈ খুড়ীয়েকক চাহ একাপ খাওঁ বুলি কোৱাত লগে লগে চাহ কৰি আনি দিলে। চাহ কাপ খাই উঠি তাৰ কিয় জানো কিবা এটা লিখাৰ হেঁপাহ জাগিল, সি তাৰ ডায়েৰীবুকখন আনি একো নভবাকৈয়ে লিখি গ'ল মনলৈ যি আহিছে তাকেই —

*শীতৰ জাৰৰ নিশাত;*
*জুইৰ উমাল উত্তাপত।*
*হাত হেকি হেকি পাৰ কৰা*
*মাঘৰ মেজি ৰখা সেই ৰাতি —*
*তোমাক ভাবি ভাবি আকাশৰ বুকুৰ*
*কিমান যে তৰা গণিলোঁ —*
*কিমান যে জোন তৰা ধেমালি দেখিলোঁ —*
*তুমিও ভাবানে অজানিতে কেতিয়াবা*
*মোৰ কথা ভাবানে তুমি?*
*নাযায়নে মন তোমাৰো আকাশত*
*জোন, তৰা হৈ জ্বলিবলৈ?*
*মোৰ সাতে নিজান নিশা কথা পাতিবলৈ*
*নাযায়নে মন নাযায়নে বাৰু?*

কবিতাটো লিখি শেষ হৈছিলহে মাত্ৰ। ডায়েৰীখন জপাবলৈ নাপালেই সি। তৰালি আহি ওলালহি তাত। আকাশক তাই অলপ ধমকি দিয়াৰ দৰে ক'লে — "ঐ, ৰাস্তাত দেখি চিনি পালে মানুহ মাতিব নাজান নেকি ?" আকাশেও ধেমালিতে কৈ দিলে , চিনি পোৱাবোৰে আগতে মাতিলেই হৈছিল বুলি। সি কোৱা কথাটো লৈয়ে তাই তাক আৰু বহুত কিবাকিবি ক'লে — "তাৰমানে চহৰত থাকেতো, আমাৰ গাঁৱলীয়াবোৰক ক'ত চিনি পাব।" চহৰত নতুন লগ-সংগ আৰু এনেকুৱা বহুত কথা শুনালে। আকাশে কথা বিষম হোৱা দেখি তাইক ক'লে — "ঐ, তই কি একেবাৰে সলনি হোৱা নাই, কথাতো মই ধেমালিতে কৈছিলো। এতিয়া ক্ষমা কৰ, 'প্লিজ'। " বুলি কৈ হাত যোৰ কৰিলে। তৰালিয়ে ক'লে হ'ব হ'ব, বেছি হাত যোৰ কৰি দেখুৱাব নালাগে। তাৰ পিছত দুয়োটাই বহু কথা পাতিলে। সন্ধিয়া ফুৰিবলৈ গ'ল একেলগে — সিদিনা ৰাতি তৰালিৰো দুচকুত টোপনি নাই। সপোনৰ সফুঁৰাই দোলা দিছেহি তাইৰ চকুৰ পলকত...।

তীব্ৰ বেগেৰে দিনবোৰ বাগৰিছে, আজিকালি সদায়ে সিহঁত দুয়োটাই লগ পায় থাকে। একেখন কলেজতে পঢ়িছে দুয়োটাই। সিহঁতৰ বন্ধুত্ব পুনৰ আগৰ দৰেই হৈ পৰিছে। ইটোক এৰি সিটো নাথাকে। এনেকৈয়ে এদিন হঠাতে আকাশে তৰালিক সুধিলে, তাইৰ কোনোবা প্ৰেমিক আছেনে? তৰালিয়ে যেন আকাশৰ এই প্ৰশ্নটোৰ উত্তৰ দিবলৈহে অপেক্ষা কৰি আছিল। তাই তৎপৰাতে নাই বুলি কৈ আকাশৰ মুখলৈ চাই তোমাৰ .. বুলি কৈ ৰৈ গ'ল। আকাশৰ আজিলৈকে কোনো নাছিল, কিন্তু আজি এই মুহূৰ্তত হয়তো আছে যদি তুমি সঁহাৰি দিয়া বুলি কৈ ৰৈ গ'ল...। তৰালিয়ে আৰু একো নভবা নোকোৱাকৈ আকাশক সাৱতি ধৰি এষাৰ কথাই ক'লে তোমাক মই মোৰ অন্তৰত ঠাই তাহানিতে দি থৈছো, নজনা নুবুজাকৈয়ে আৰু তোমাৰ অপেক্ষাত ইমান দিন মই। মই জানিছিলোঁ, তুমিও মোক ভাল পাইছিলা আৰু এদিন মোক বিচাৰি বিচাৰি হ'লেও এই কথা ক'বা বুলি। আকাশেও তাইক সাৱতি লৈ হয় ময়ো তোমাক ভালপাওঁ তাহানিৰে পৰা বুলি কৈ দুগালত দুচুমা আঁকি দিলে ...।

*মুক্ত পখীজাক সন্ধিয়া ঘৰমুৱা হ'ল —*
*এহাল প্ৰেমিক-প্ৰেমিকা মগ্ন-মুগ্ধ হৈ —*
*আপোন পাহৰি কল্পনাৰ সাগৰত বুৰ গ'ল —*

❖❖❖❖

# অমানিশাৰ শেষত

*ৰেখামণি দাস*
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

'ক্ৰা...ছ্'। তীব্ৰবেগী কেণ্টাৰখনে ব্ৰেক মৰাৰ শব্দত ঘূৰি চালে ৰণজিতে, ব্যস্ত ৰাস্তাটো দৌৰি পাৰ হ'বলৈ ধৰোঁতেই এটা বাইছ-তেইছ বছৰীয়া ল'ৰা কেণ্টাৰখনৰ আগত পৰি গৈছিল। শব্দটো শুনি বহুতৰে সেইফালে দৃষ্টি নিবদ্ধ হ'ল। 'এনেকৈয়ে মৰে' — কোনো এজনৰ মন্তব্য কাণত পৰিল ৰণজিৎৰ। এটা অশ্লীল গালি পাৰি ড্ৰাইভাৰে আকৌ গাড়ীখন চলাই দিলে। কেণ্টাৰখনৰ লগতে পিছত ৰৈ যোৱা গাড়ীবিলাকো চলিবলৈ ধৰিলে। মুহূৰ্তৰ বাবে ৰুদ্ধ হোৱা গতিশীলতা পুনৰ স্বাভাৱিক হ'ল। গাড়ীৰ হৰ্ণ, ট্ৰেফিক পুলিছৰ হুইছেলৰ শব্দত পুনৰ মুখৰিত হ'ল সদা ব্যস্ত গণেশগুৰি চাৰিআলিটো।

ৰণজিতে কিন্তু ল'ৰাটোৰ পৰা দৃষ্টি আঁতৰোৱা নাছিল। যাৰ সামান্য অসাৱধানতাত সদা ব্যস্ত গণেশগুৰি চাৰিআলিটো স্থবিৰ হৈ পৰিছিল।

তাৰ কিন্তু কেনিও ভ্ৰূক্ষেপ নাই। একেটা গতিৰে সি গৈ ৰাস্তাৰ আনটো মূৰে ফুটপাথত থিয় হৈ থকা ছোৱালীজনীৰ ওচৰ পালেগৈ। ৰনজিতে এইবাৰ ছোৱালীজনীলৈ চালে। কিন্তু সিহঁতৰ মাজৰ ব্যৱধান যথেষ্ট হোৱাৰ বাবে সি তাইৰ অবয়বটো ধৰিব নোৱাৰিলে। তাৰ দৃষ্টিত ধৰা পৰিল মাথোঁ ছোৱালীজনীৰ দীঘল চুলিকোছা আৰু নীলা চুৰিদাৰযোৰ। দুয়োটাই সেইখিনিতে কেইমিনিটমান ৰ'ল। ছোৱালীজনীয়ে চাগে তাৰ অসাৱধানতাৰ বাবে তাক গালি পাৰিছে। হয়তো এক মুহূৰ্তৰ ইফাল-সিফাল হোৱাহেঁতেন ল'ৰাটোক কেণ্টাৰখনে মহতিয়াই পেলালেহেঁতেন। উৎসুক জনতাৰ ভিৰৰ ঠাইডোখৰ ভৰি পৰিলেহেঁতেন। জীয়াই থাকিলে ল'ৰাটোক হস্পিতেললৈ নিলেহেঁতেন। পুলিচৰ হুইছেলৰ শব্দত ঠাইডোখৰ মুখৰিত হ'লহেঁতেন আৰু ছোৱালীজনী ? তাইৰ অৱস্থা বাৰু কি হ'লহেঁতেন ? এক অপৰাধবোধে গোটেই জীৱনটো তাইক খেদি নুফুৰিলেহেঁতেন নে ?

ছোৱালীজনীৰ নীলা চুৰিদাৰযোৰ দেখি ৰণজিতৰ নিজলৈ মনত পৰিল। লিজাৰো এনেকুৱা চুৰিদাৰ এযোৰ আছিল। বৰ ধুনীয়া লাগিছিল তাইক সেইযোৰে। লিজা, লিজা বৰুৱা। এতিয়া লিজা হাজৰিকা। অতনু হাজৰিকাৰ পত্নী। এইজনী লিজাক লৈ সি কম কল্পনা কৰা নাছিল। তায়ো বহুবাৰ তাক জীৱনটো সঁপি দিলোঁ বুলি কৈছিল। যোৱা এটা বছৰে সি তাইক দেখা নাই। অতনু হাজৰিকা নামৰ মানুহজনে তাইক বাৰু তাৰ সমান ভাল পাইনে ? ওঁহো, পাব নোৱাৰে। সি তাইক যিমান ভাল পাই আন কোনেও সিমান ভাল পোৱাটো সম্ভৱ নহয়। মনে মনে ৰনজিতে ভাবিলে।

'দাদা, কি ভাবি আছে ?' দোকানী ল'ৰাটোৰ মাতত সি বাস্তৱলৈ উভতি আহিল। জনাৰ্দন নামৰ এই ল'ৰাটো তাৰ বহুদিনৰ চিনাকি। সিহঁতে হায়ৰ ছেকেণ্ডাৰীত নাম লগোৱাৰ পৰাই জনাৰ্দনৰ দোকানত আড্ডা। হায়াৰ ছেকেণ্ডাৰীৰ দুবছৰ, ইঞ্জিনীয়াৰিঙৰ চাৰিবছৰ তাৰ বেকাৰ জীৱনৰ দুবছৰ এই আঠ বছৰে সি জনাৰ্দনৰ গ্ৰাহক।

ঃ ঐ জনা.., চিগাৰেট এটা দে। তোৰ পইচাটো দুই এদিনতে দি আছোঁ দেই।

ঃ হ'ব, হ'ব দাদা। পইচানো আপোনাক কোনে বিচাৰিছে?

চিগাৰেটটো জ্বলাই সি দোকানখনৰ ওচৰৰ পৰা আঁতৰি গ'ল। ক'লৈ যাব চিন্তা নকৰাকৈয়ে সি ফুটপাথেৰে এখোজ-দুখোজকৈ আগবাঢ়িল। এইখিনি সময়ত সি ঘৰত নাথাকে। আচলতে দেউতাকৰ মুখামুখি হ'বলৈ সি বেয়া পায়। মানে অস্বস্তি

পায়। কিন্তু দেউতাকে তাক বেয়া নাপায়। দুমাহমানৰ আগতে দেউতাকে তাক মাতি নি কৈছিল — "তই বৰকৈ চিন্তা কৰি নাথাকিবি বাবা, কিবা এটা হ'ব। আমিতো কাৰো অন্যায় কৰা নাই। মই অন্যায়কৈ টকা ঘটাহেঁতেন তোৰ চাকৰি এটাৰ বাবে টকাৰ যোগাৰ হ'লহেঁতেন। কিন্তু মই শান্তিত থাকিব নোৱাৰিলোহেঁতেন। অৱশ্যে মোৰ আদৰ্শ বজাই ৰাখিবলৈ গৈ তহঁতক কিছু কষ্টত পেলাইছোঁ সঁচা, কিন্তু মোৰ ল'ৰা হিচাপে তই নিশ্চয় সেইখিনি কষ্টক চেলেঞ্জ হিচাপে ল'ব পাৰিবি।" সি নিৰৱে আঁতৰি আহিছিল। সি জানে, তাৰ দেউতাকে চাকৰি কৰা বিভাগটো চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়েও এই গুৱাহাটী হেন মহানগৰীত অট্টালিকা সঁজাইছে। তাৰ দেউতাকে কিন্তু সৰু এই আছাম টাইপ ঘৰটো বনাওঁতে হাউছ বিল্ডিং ল'ন ল'ব লগা হৈছে। ল'নটো এতিয়াও পৰিশোধ কৰি শেষ হোৱা নাই। অৱশ্যে ৰনজিতেও পিছ দুৱাৰেদি চাকৰি লোৱাৰ পক্ষপাতি নহয়। সেয়েহে সি চাকৰিৰ বাবে কাকো খাটিৰ কৰা নাই। ইটোৰ পিছত সিটোকৈ ইন্টাৰভিউ দি গৈছে।

চিটিবাছ ষ্টপেজটো পালেগৈ সি। অফিচ ছুটিৰ এই সময়খিনিত ইয়াত যথেষ্ট ভিৰ হয়। বাছবোৰতো ভিৰ হয় যথেষ্ট। কাষতে থকা লোহাৰ ৰেলিং ডালতে বহিল সি। ইতিমধ্যে চিগাৰেটটো শেষ হৈ আহিছিল।

আকৌ তাৰ নিজৰ কথা মনত পৰিল। এদিন লিজাই আলোচনী এখনত কোনোবা শিল্পী এজনক কৰা প্ৰশ্ন এটা সুধিছিল — নিৰ্জন দ্বীপ এটাত অকলে এমাহ থাকিবলগীয়া হ'লে সি লগত কি বিচাৰিব? সি তৎক্ষনাত উত্তৰ দিছিল তোমাক। একেটা প্ৰশ্নকে সি তাইক সোধাত তাই হাঁহি হাঁহি কৈছিল — মানুহৰ মাজত নাথাকি নিৰ্জন দ্বীপ এটাত এমাহ ব'ৰ হৈ থাকিমগৈ কিয়?

বাছখন চিৰিয়াখানাৰ ওচৰ পাওঁতে কণ্ডাক্টৰে ভাড়া বিচাৰি তালৈ হাতখন আগবঢ়াই দিলে। এতিয়াহে তাৰ মনলৈ আহিল সি ক'লৈ যাব, ঠিক নকৰাকৈয়ে বাছখনত উঠিছিল। তথাপি কিবা এটা ভাবি সি কণ্ডাক্টৰক দহটকীয়া নোটখন দি ক'লে — লাইব্ৰেৰী, এজন। নিৰ্দিষ্ট ভাড়াটো ৰাখি কণ্ডাক্টৰে তাক বাকী পইচাখিনি ঘূৰাই দিলে। ৰনজিতৰ আকৌ অলপ আগতে বাছৰ আগত পৰা ল'ৰাটোলৈ মনত পৰিল। সি ভাবিলে, কিয়বাৰু সি কেনিও নোচোৱাকৈ ব্যস্ত ৰাস্তাটোৰ মাজেৰে দৌৰি গৈছিল। হয়তো প্ৰেয়সীক লগ পোৱাৰ দুৰ্বাৰ হেঁপাহে তাক সকলোবিলাক পাহৰাই পেলাইছিল। প্ৰেয়সীৰ প্ৰতি কিমান মৰম থাকিলে এনেকৈ কোনোবাই নিজৰ জীৱনকো তুচ্চ কৰি ব্যস্ত ৰাজপথৰ মাজেৰে দৌৰি যাব পাৰে? সিহঁতৰ বিয়া হ'বগৈনে বাৰু? নে লিজাই তাক এৰি যোৱাৰ দৰে তায়ো তাক এৰি আন কাৰোবাক আপোন কৰি ল'ব। ল'ৰাটোৰ অৱস্থা বাৰু তেতিয়া কি হ'ব?

'লাইব্ৰেৰী, লাইব্ৰেৰী...' — হেণ্ডিমেটোৰ চিঞৰত বাস্তৱলৈ উভতি আহিল ৰনদিৎ। ল'ৰালৰিকৈ নামি পৰিল সি। ৰাস্তাৰ কাষৰ পাণ দোকানখনৰ পৰা চিগাৰেট এটা লৈ জ্বলাই ল'লে সি। ইতিমধ্যে সন্ধিয়া নামি আহিছিল। জ্বলি উঠিছিল ষ্ট্ৰিট লাইটবোৰ। দীঘলী পুখুৰীৰ পাৰে পাৰে সি আগবাঢ়িল। পুখুৰীৰ কাষত পাৰ্কখনত ইতিমধে বহুত মানুহ গোট খাইছে। তাৰ বেচিভাগেই যুবক-যুৱতী। কেবাখনো সৰু সৰু পেডেল মৰা নাও চলি আছে পুখুৰীত। গছ এজোপাৰ তলত থকা পকাৰ পিলাৰটোৰ ওপৰতে বহি পৰিল সি। আকৌ সি পুখুৰীটোৰ মাজলৈ চালে। সি আৰু লিজাই কেবাবাৰো ইয়াত বটিং কৰিছিল। লাহে লাহে তাৰ বেছিকৈ মনত পৰিছে লিজালৈ। তাৰ পিছফালে গাড়ী এখন ৰোৱাৰ শব্দ শুনিলে। ইচ্ছা কৰিয়েই উভতি নাচালে সি। কেইমুহূৰ্তমানৰ পিছত এখন হাতে তাৰ কান্ধ স্পৰ্শ কৰিলেহি।

চক্ খাই ঘূৰি চালে সি। পবিত্ৰ। ইঞ্জিনিয়াৰিঙৰত একেলগে পঢ়িছিল। পবিত্ৰক ইয়াত দেখি আচৰিত হ'ল সি। দুবছৰমান তাক লগ পোৱা নাই। ঘৰ যোৰহাটত।

ঃ এই, অকলে অকলে ইয়াত কি কৰি আছ? স্মৃতি ৰোমন্থন নহয়তো?

ঃ এনেয়ে বহি আছোঁ, তইযে ইয়াত?

ঃ অ', মই ফ্লাড কণ্ট্ৰোলত সোমালোঁ নহয়, যোৱা বছৰ?

ৰনজিতে ওচৰত ৰখাই থোৱা পবিত্ৰৰ গাড়ীখনলৈ চালে। ৰঙা ৰঙৰ শেহতীয়া মডেলৰ গাড়ীখনলৈ চাই থকা দেখি

পবিত্ৰই ক'লে — 'দুমাহমান হৈছে লোৱা। ব'ল, অলপ ফুৰি আহোঁ।'

বিশেষ চিন্তা নকৰাকৈ ৰনজিৎ গাড়ীত বহিল। মহানগৰীৰ এখন দামী ৰেস্তোৰাৰ সন্মুখত পবিত্ৰই গাড়ীখন ৰখালেগৈ। নীলা গ্লাছ লগোৱা পুচ ড'ৰখন ঠেলি দুয়োটা সোমাই গ'ল। চুকৰ ফালে টেবুল এখন অধিকাৰ কৰি দুয়োটা বহিল। অৰ্ডাৰ পবিত্ৰই দিলে।

তাৰ খবৰ-খাতি সোধাৰ পিছত পবিত্ৰই ক'লে — 'বুজিছ, এক লাখ। এক লাখ দিব লগা হ'ল চাকৰিটোৰ বাবে। বুঢ়াই নিজেই চব ফিটিং কৰিলে। মিনিষ্ট্ৰি লেভেলত ভাল 'হল্ড' আছেতো ! মই মাত্ৰ এপইণ্টমেণ্ট লেটাৰ লৈ জইন কৰিবলৈহে গৈছোঁ। উঠাই লৈছোঁ বাপেকে সুদে-মূলে।' ৰনজিতে পাতলকৈ হাঁহিলে। তাৰ মনত এতিয়া চিন্তাৰ ধুমুহা। পবিত্ৰৰ দৰে প্ৰাচুৰ্য থকাহেঁতেন লিজাই তাক এৰি গ'লহেঁতেননে?

খোৱা-বোৱা যথেষ্ট হৈছিল, সিহঁতৰ বিল পবিত্ৰই দিছিল। ৰেষ্টুৰেণ্টৰ পৰা ওলাই পবিত্ৰই তাক চিটিবাছ ষ্টপেজলৈ আগবঢ়াই দিলে। যাবৰ সময়ত তাক মাজে মাজে অফিচত লগ ধৰিবলৈ জোৰকৈ ক'লে। ফোন নম্বৰটো দিলে সি। ৰনজিতে যন্ত্ৰবৎ শলাগি গ'ল। সি জানে সি কেতিয়াও পবিত্ৰক লগ ধৰিবলৈ অফিচলৈ নাযায় বা ফোনো নকৰে। ইতিমধ্যে বাছৰ সংখ্যা কমি আহিছিল। পাঁচ মিনিটমান ৰোৱাৰ পিছতহে বাছ এখন আহিল। যথেষ্ট ভিৰ আছিল যদিও ৰনজিৎ উঠিল। দুটামান ষ্টপেজ যোৱাৰ পিছত এটা চিট খালি হোৱাত সি বহি পৰিল।

ঘৰ পাই দেখিলে ইতিমধ্যে সকলোবোৰ ভাতৰ পাতত বহিছে। সি সোমাই যোৱা দেখিয়েই মাকে ক'লে — "বাবা, হাত-মুখ ধুই ইয়ালৈকে আহ।"

পেটত ভোক নাছিল যদিও সি আহি খোৱাৰ টেবুলত বহিলহি।

ঃ ক'ৰবালৈ গৈছিলি? — দেউতাকে সুধিলে।

ঃ এনেয়ে ওলাই গৈছিলোঁ।

ঃ তোৰ ইণ্টাৰভিউ কেতিয়া আছে?

ঃ এসপ্তাহ আছে।

ঃ ভালদৰে পঢ়ি ইণ্টাৰভিউটো দেছোন। এইবাৰ যদি নহয় এটা কাম কৰিম বুলি ভাবিছোঁ। মই ভলণ্টিয়াৰী ৰিটায়াৰমেণ্ট ল'লে দুই লাখমান টকা পাম। তাৰে ডেৰলাখমান টকা তোক দি দিম। তই ব্যৱসায় কৰিলেও কৰিব পাৰ বা চাকৰিৰ বাবে দিলেও দিব পাৰ। চাকৰিৰ বাবে দিলে মই মনত কিছু অশান্তি পাম যদিও তোৰ ভৱিষ্যতৰ বাবে যদি সেয়া প্ৰয়োজন বুলি ভাব, তেন্তে মোৰ আপত্তি নাই।

ৰনজিতে দেউতাকলৈ চালে। বেয়া লাগি গ'ল তাৰ। সি সিদ্ধান্ত ল'লে দেউতাকৰ পৰা যদি টকা ল'ব লগা হয় তেন্তে সি ব্যৱসায়হে কৰিব। সৎ ব্যৱসায়। কষ্ট কৰিব সি। তাক পবিত্ৰহঁতৰ দৰে দ্ৰুত উন্নতি নালাগে। কিয়নো দেউতাকে তিল তিলকৈ গঢ়ি তোৱা সততা আৰু নৈতিকতাৰ মথাউৰিটো যদি দুৰ্নীতিৰ বানত ভাগি যায় তাৰদৰে হাজাৰটা ইঞ্জিনিয়াৰেও তাক মেৰামতি কৰিব নোৱাৰে।

ঃ মই ব্যৱসায় কৰিম দেউতা। সৎ ব্যৱসায়। ৰনজিতে ক'লে দেউতাকক।

গভীৰ মমতাৰে দেউতাকে তালৈ চালে। ৰনজিতে লক্ষ্য কৰিলে দেউতাকৰ চকুৰ কোণত গোট খাইছেহি আনন্দৰ দুটোপাল চকুলো। সিদ্ধান্তটো লৈ ভাল লাগি গ'ল তাৰ। ইতিমধ্যে সি ক'ব নোৱাৰাকৈয়ে তাৰ কাহীৰ ভাতখিনি শেষ হৈছিল। সি মানা কৰাতো মাকে ভাত কেইটামান তাৰ কাহীত দি দিলে।

❖❖❖❖

# মদাৰৰে ফুল

*জোনমনি বৰুৱা*
*উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ (কলা শাখা)*

এটা বিশেষ দিন বিশেষ দিন সকলোৰে জীৱনলৈ আহে। কিন্তু ইমান অপ্ৰত্যাশিতভাৱে আহিব বুলি তাই ভবা নাছিল। কিবা এটা ভয় ভয় ভাব, কিছু আনন্দ, কিছু বেজাৰ লগা যেন অনুভৱ হৈছে। তাই ক'ব পৰা নাই কিয় এনে লাগিছে ...

ঘৰখনৰ সকলোৰে আজি যেন আহৰি নাই। কাৰোৰে যেন ৰ'বলৈ সময় নাই; ঘৰখনৰ সকলো মানে মাক-দেউতাক, ভনীয়েক-ভায়েক, খুড়ীয়েক-খুড়াক, খুড়াকৰ সৰু ল'ৰা-ছোৱালীহাল। নীলিৰ মনতো আনন্দ নলগা নহয়। আচলতে এনে এটা দিনৰ বাবে প্ৰত্যেক নাৰীয়ে আশা কৰে আৰু এই আশা যেতিয়া পূৰ্ণ হয় তেতিয়াতো কথাই নাই। নীলি আজি সকলোতকৈ আগতে শুৱাৰ পৰা উঠিছে। হওঁতে যোৱা ৰাতি তাইৰ ভাল টোপনি অহা নাছিল। কালিলৈ সোনকালে উঠিবি, আলহী আহিব। ডাক্টৰ হয়। অলপ চাফ-চিকুন কৰিব লাগিব। ৰন্ধা-বঢ়াও ভাল হ'ব লাগিব। গতিকে আজি তাই সোনকালে উঠিছে। ৰাতিপুৱা নিজৰ কৰণীয়খিনি কৰি ভাবিছে, মাক-ভনীয়েক উঠালেকে যিখিনি পৰা যায় কৰা যাওঁক। চোতালখন তাই সাৰিলে। পদুলিৰ বকুল জোপা যেন আজি বৰকৈ ফুলিছে। তাইৰ এনে লাগিছিল বৰ যতনেৰে ৰোৱা তেজ ৰঙা গোলাপ জোপা চুইচালে, তাইৰ যত্নত ঠন ধৰি উঠা ফুলনিখন চাই তাই সুখত অজানিতে এটা মিচিকীয়া হাঁহি ওলাই আহিল। চাবনে বাৰু তেওঁ এই ফুলনিখন, সুধিবনে বাৰু কোন এইখনৰ মালিনী ... ?

প্ৰত্যেক নাৰীৰ জীৱনলৈ এবাৰ হ'লেও প্ৰেম আহে, কিন্তু তাই জানে, তাইৰ জীৱনলৈ অহা নাই, কিন্তু কিয় তাৰ কথা বাৰে বাৰে মনত পৰে। সেই কলা ভুতটোৰ কথা ...। সি যে তাইৰ শৰীৰত কুৰুকি কুৰুকি সোমাই গৈছে। তাই এল.পি. স্কুলৰ দিনৰ পৰাই তাই ক'লা। কিচ্‌কিচিয়া ক'লা নাক ভোটা, ৰঙা চকুৰ ভুতটোৰে লগ এৰা নাই ... তাই য'লৈকেযায় ক'লা ভুতটো যেন লগ লাগে। কি সময় আছিল বাৰু তেতিয়া। তাই ডাঙৰ হোৱা বেছি দিন হোৱা নাছিল। দুই কি তিনি মাহ হৈ গৈছিল ছাগে। আগদিনাখন বৰষুণ দি গোটেই ৰাস্তাটো বোকাময় কৰি তুলিছিলি, তাই স্কুলৰ পৰা আহি থাকোতে হঠাৎ চাইকেলখন এটা গাঁতত সোমাই যোৱাত তাই লুটি খায় পৰি গৈছিল। হঠাৎ যেন ধুমুহাৰ গতিত তাত ক'লা ভুতটো আহি তাইক ডাঙি উঠাই দিলে, ভুতটোৱে উঠাই দিবলৈহে পালে লগতে এটা নহয় দুটা তিনিটা কথা ... কি হ'ল ... মোলৈ নৌ আহোঁতেই ডাঙিব লগা হৈছে, আহিলে বা কিমান ডাঙিব লাগিব আৰু তাইতো মোলৈ নাহি উপায় নাই। তোৰ বৰণ চাই, তোৰ মুখলৈ চাই তোৰ কাৰণে যে ৰাজকুমাৰ নাহে সেইটো মোৰ জনা আছে। যা সৌ হৰিপ্ৰসাদৰ হোটেলখনত দমকল আছে। অলপ বোকাবোৰ ধুই ল'। তাৰ পাছত তাইক সিয়েই দমকলৰ পানী মাৰি দি সহায় কৰি দিছিল, তাই একো ক'ব পৰা নাছিল, মাথো মৌনতাৰে তাৰ কথা মতে কামবোৰ কৰি গৈছিল। তাৰ হাতৰ পৰশ আজিও তাইৰ নিজৰ শৰীৰত অনুভৱ কৰে, কিমান নিৰ্ভয় আছিল বাৰু সেই পৰশ। ভীষণ ভয় লাগিছিল সেইদিনাখন তাইৰ, সেই ভয় আজিও তাইৰ শৰীৰত, মনত, তাইৰ সমগ্ৰ সত্ত্বাত। সেই ক'লা আপচু ভুতটো তাইতকৈ কিমান বছৰ ডাঙৰ হ'ব বাৰু, দুবছৰ... তিনিবছৰ ... তাৰ সেই পেশীবহুল শৰীৰটো, কিচ্‌কিচিয়া ক'লা, তাৰ বহল বুকুখন ... চকুত ভাঁহি আহে ... আৰু তাইৰ চকু অজানিতে জাপ খাই আহে ভয়ত ... নে ... আনন্দত ... নে অন্য কিবা ...। নীলি ... নীলি ... মাকৰ চিঞৰ ... হঠাৎ তাই তন্ময়তা ভংগ হ'ল ... ক'ত আছ তই .... সোনকালে আহ .... গৈছো মা ... তাই মাকৰ ওচৰলৈ গ'ল ... ইতিমধ্যে সকলো উঠিছে ... মাত্ৰ দেউতাক উঠা নাই ... কি হ'ল মা ... অ', ক'ত আছিলি তই ... হেৰি নহয় ... পদিনাখিনি তুলিলি নেকি ? চাটনি এখন বনাব লাগিব। আজি আকৌ কাম কৰা ছোৱালীজনিও এতিয়ালৈকে অহা নাই। ইফালে তাইক কৈছিলো ... বোলো কালিলৈ সোনকালে আহিবি,

এতিয়ালৈকে খা-খবৰ নাই...। মাছখিনি ভলকৈ ধুবিছোন, সৰু মাছখিনি টেঙা দি ৰান্ধিব লাগিব, মাটিমাহখিনি জানো জেউতাই কোন দোকানৰ পৰা আনিছিল, যোৱাকালি চাওঁতে বৰ ভাল যেন নালাগিল...। বলীনক পঠাইছো হোটেললৈ পনিৰখিনি আনিবলৈ ... ইত্যাদি ইত্যাদি। মাকে কৈ গৈছে বিভিন্ন ৰন্ধাৰ কথা, তাই মাত্ৰ কেইটামানহে শুনিছে। এই ... তোৰ কি হ'ল ... থৰ লাগিলি দেখোন ... মাকে হেঁচুকি দিয়াতহে তাই চক্ খাই উঠিল ... হেৰৌ তেওঁলোকে দহ বজা মনতে পাবহি, ডাঙৰ মানুহ, সময়ৰ মূল বুজে আৰু তহঁত দুজনীও অলপ সাজি-কাচি থাক। কৈ, মাক আঁতৰি গ'ল...। যাওঁতে আৰু কিবা-কিবি এসোপামান কৈ গৈছে ... তাই ... এটা দীঘলীয়া উশাহ টানি ল'লে ... আৰু মাকৰ পাছে পাছে যাবলৈ ধৰিলে ...।

আহিছে... আহিছে... আলহী আহিল ... খুড়াকৰ ল'ৰা-ছোৱালীহালৰ চিঞৰ ... অ' নীলি বা ... নীলি বা ... আহিছে দেই ... খুড়াকৰ ল'ৰাটোৱে এটা দুষ্ট হাঁহি মাৰি ক'লে, যা এইটো তাই এনেয়ে ... হাতখন দাঙি খেদি গ'ল ... সি দৌৰ মাৰিলে ...। আহক, আহক ... আমি বাট চাইয়েই আছিলো ... বাটত একো অসুবিধা পোৱা নাইতো, মাকৰ একেৰাহে প্ৰশ্ন ...? নাই নাই, কিনো অসুবিধা পাম ... বাটত এই ডিপু এটাত সোমাব লগা হ'ল কাৰণেহে অলপ ৰ'ব লগা হ'ল। তাই চালে খিৰিকি পৰ্দাখন কোচাই ...। এহাল বয়োজ্যেষ্ঠ লোক এজনী ছোৱালী আৰু এজন ... তাইৰ বুকুখন কঁপি উঠিল ... কোন তেওঁ, এই ৰাজকুমাৰ ... এজন সুন্দৰ, সুঠাম ওখ, বলীষ্ঠ পুৰুষ। এবাৰ বাৰু তেওঁ এই খিৰিকিখনলৈ চাইছিল নেকি ... তাইক দেখিলে নেকি? অজানিতে তাইৰ এটা লাজ লাজ ভাৱ আহিল। ভিতৰত বহা কোঠাত মাক-দেউতাক, খুড়া-খুড়ীয়েকৰ লগত তেওঁলোকৰ বিভিন্ন ধৰণৰ কথা,.. কথাৰ মাজতে পৰিচয় ... তাইৰ ভনীয়েক ... বৰ্ণালীৰ ... বিভিন্ন ধৰণেৰে ... বৰ্ণালীৰ গুণগান ... কি আচৰিত! আলোচনাৰ উদ্দেশ্য তাইহে হ'ব লাগিছিল ... বৰ্ণালী কেনেকৈ হ'ল ... সৌজনী তাই ... হাতত চৰবত ট্ৰেখন লৈ ... এইয়া আমাৰ সৰুজনী বৰ্ণালী। এইবাৰ বি. এ. পাছ কৰিছে ... তাইৰ আকৌ বৰ ফ্ৰি ফ্ৰেংক দেই ... মানুহক সহজতে আকোঁৱালি ল'ব পাৰে ... ইত্যাদি ইত্যাদি, মাকৰ কথা ...।

আপোনালোকৰ ডাঙৰ ছোৱালীজনী নাইনেকি? সকলোকে লগ পালোদেখোন ... অ' তাই ... তাই বৰ লাজকুৰীয়া, কিবা এক ভাবোকধৰণৰ ... দেউতাকে ক'লে ... আচৰিত ... আচৰিত ... দেউতাকে এনে ধৰণেৰে পাৰেনে ... তাই কাণখনকে যেন বিশ্বাস নকৰিব। তাইৰ কিবা এক ভয় ভয় লাগি আহিবলৈ ধৰিলে ... তাই চাৰিওফালে যেন আজি কোনো নাই ... তাইৰ মগজে কাম কৰিবলৈ এৰি দিয়া যেন লাগিলে ... তাই ক'ব নোৱাৰাকৈয়ে তাইৰ ৰুমৰ দৰ্জাখন বন্ধ কৰি দিলে ...।

কিমান সময় হ'ল ... বাৰু ... হঠাৎ দৰ্জাত শব্দ ... অ নীলি বা ... নীলি বা ... সেইটো মাত খুড়াকৰ ছোৱালীজনীৰ। দৰ্জাখন খোলা। আলহী গ'লগৈ ...

তাই দৰ্জাখন খুলি দিলে ... সন্মুখত খুড়াকৰ ছোৱালী প্ৰেৰণা ... মুখত হাঁহি। হাঁহি হাঁহি ক'বলৈ ধৰিলে ... সিদ্ধান্ত হৈ গ'ল নহয় ... তুমিটো নাজানিলাই ... ফাগুণৰ ১৪ তাৰিখ ... মানে ... আৰু দুমাহৰ পাছত বৰ্ণালী বাৰ বিয়া ...। বিয়া! শব্দটো শুনি তাই মূৰটো ঘূৰি গ'ল ... তাই মুখৰ পৰা এটা চিঞৰ ওলাই আহিল মা ... মাক দৌৰি আহিল ... কিয় ইমান ডাঙৰকৈ চিঞৰিছ। চিঞৰিছো ... মই নিচিঞৰিম ... কি কাৰণে তহঁতৰ মোক আনৰ ওচৰত পৰিচয় দিয়াত আপত্তি থাকে ... যিখন বিয়া মোৰ হোৱাৰ কথা আছিল ... তাৰ মাজত বৰ্ণালী সোমাল কেনেকৈ ... মই লাজকুৰীয়া ... মই ভাবোক ... মই নে তহঁত ... মই দেখিবলৈ তহঁতৰ দৰে নহ'লো ... এইয়া কি মোৰ দুখ ... এজন অচিনাকি এদিনৰ আলহী এজনৰ ওচৰত মোৰ বিষয়ে ... ক'বলৈ তহঁতৰ লাজ নালাগে ... মোৰ এই ক'লা কাৰণটো মই কি নিজেই কৰি লৈছো ... ক'লা হ'লো বুলি অলপ চাপৰ-চুটি হ'লো বুলি কি মানুহৰ শাৰীত নপৰো। মোৰ কি আশা-আকাংক্ষা নাই, মই যে এইখন ঘৰৰ প্ৰথম এজনী ছোৱালী তাক স্বীকাৰ কৰাত তহঁতৰ অসুবিধা ক'ত? মোৰ কি কোনো অস্তত্ব নাই ... কোনো এজনৰ ওচৰত বহা ... দুটামান সুখ-দুখৰ কথা পতাৰ মোৰ কি কোনো অধিকাৰ নাই? কেনেকৈ ভাবিলি তহঁতে মই ওলাই অহা হ'লে তেওঁলোকে আমাৰ লগত সম্বন্ধ নকৰিলেহেঁতেন ... ঘৰখনৰ আন কামত মোক তহঁতৰ লগ লাগে ... কিন্তু আজি এই আনন্দৰ মুহূৰ্তটো মইও অংশীদাৰ হোৱাত তহঁতৰ আপত্তি থাকিল কিয়? আৰু কি কি কৈছিল তাইৰ মনত নাই ...।

অসম্ভৱ এক দুখে খুন্দা মাৰি ধৰাত তাই ধম্ কৈ নিজৰ ৰুমৰ দৰ্জাখন বন্ধ কৰি দিলে ...। ❖❖❖❖

# SOULS' PRAYER

*Subhasish Das*
*T.D.C 1st year (Arts)*
*English Dept.*

Gone, O' Lord ! a trace of Pure soul
Like a Spring affer, a dawn for Autumn ;
But no comparison to the cycles
Whose atoms can never regain'of.

Circles of hour past in couples
Till then, cock finish'd anniversaries of morning alarm,
Droplet of tears form into streams
Gone -- where the heal of wounds ?

Feels her towards presence of mine;
Neither faries, nor the soote tone in slumber
Doth flow in the air, seeing mine prayer,
Or has lost beyond time and Space ?



# YOU AND ME .....

*Chandan Dey*
*BSC Part III*

You and me,
We both provide
Totality to each other ;
Through the veil of reality

You peep at me
In your company
Secretly, after sunset.

Each moonlite evening
Becomes sweeter !

Like the golden paddy
Fields of Agham

The star - studded
Sky of Sarath ;

The budding leaves
of Basanta,
Or
From the depth of
Beloved's koh ! - traced eyes
You grope in the dark
Lanes of my heart
Like the way you've built
Your home in my bosom
Permit me too,

To dwell in your heart
As your closest one

# চিলা

*দিব্যজ্যোতি কাকতি*
*স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা*

ফটা গেঞ্জীটোৰে বুকুৰ
কেঁচা ঘা ডোখৰ ঢাকি
সৌৱা সি চিলা উৰুৱাইছে
ৰঙীন সুন্দৰ এখন "চিলা"
মহলৰ উপৰিও মহল থকা
গগণচুম্বী বিল্ডিংবোৰৰ
ওপৰ মহললৈকে মানুহ
তললৈ চাবলৈ আহৰি নথকা,
তাৰো বেছি উচ্চতালৈ
উৰি যায় চিলাখন
কি আচৰিত!
এডাল ছিগোঁ ছিগোঁ সূতাৰেই
চিলা উৰুৱাই সি! ইমান উৰ্দ্ধলৈ!
ঘূৰ্ণী বতাহত পাকঘূৰণী খোৱা
তাৰ চিলাখন
পচা সূতাডাল ছিগি হেৰায় যায় শূন্যতে
কাৰো চকুত নপৰে ...
কিন্তু,
উৰুৱাবলৈ, হেৰুৱাবলৈ
চিলাৰ অভাৱ নাই তাৰ
মাঞ্জা সূতাৰহে অভাৱ ...

# বিনিদ্ৰ ৰাতিৰ প্ৰহৰী

*বিনীতা শইকীয়া*
*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিভাগ*

ক্ৰমশঃ!
অস্তমিত হৈ আহে পশ্চিমাকাশৰ সূৰ্য্য
পৃথিৱীক আগুৰি ধৰে
স্ফটিক স্বচ্ছ এক নিৰব সন্ধ্যাৰ তমসাই
আৰু
সন্ধ্যাৰ আঁচলৰ আঁৰত জীৱাইহি
পৰিত্যক্ত নিদ্ৰাহীন
নীলা বেদনাসিক্ত এটি নিশা
ক্ৰমশঃ!
গভীৰৰ পৰা গভীৰ হয় জোনাকবিহীন নিশা
বুকুত ঝংকাৰ উঠে তানপুৰাৰ
ছট্‌ফটাও কিবা পোৱা নোপোৱাৰ আশাত
নে পায় হেৰুৱাৰ আশংকাত
তীব্ৰ হয় তানপুৰাৰ সুৰ
কঁপি উঠে স্পন্দনহীন আঙুলিৰ মূৰ
ক্ৰমে ক্ৰমে ...
হেৰুৱাৰ আশংকা বিয়পি পৰে তেজৰ ধমনীত
জপিয়াই উঠো, এই যেন মৰুভূমিৰ
উদ্‌গিৰিত তপত লাভা
দলিয়াব খোজো বুকুৰ গধূৰ শিলটো
নদীৰ মাজলৈ, কিন্তু নোৱাৰো
সৰাপাত পচাদি পচে বুকুৰ চুক কোণ
উৰি যায় ফাগুনৰ পখিলা
কাণে কাণে গুণগুনাই যায়
লগন উকলিল
ক্ৰমশঃ!
এনেদৰেই পাৰ হয়
প্ৰতিটোপাল বিনিদ্ৰ নিশা।

# পোহৰ

*হৰিকান্ত চেতিয়া*
*কৰ্মচাৰী*

মোৰ মন আজি বিষাক্ত,
কোনোবাই জ্ঞানৰ দুৱাৰ মেলি
সুপ্ত জ্ঞানক দিলেহি এধানি পোহৰ,
সুউচ্চ উৰ্মিমালাৰ দৰেই পৰিবৰ্তিত মন।
শান্ত হৈ বৈ গৈছে তেওঁৰ পৰশত,
আহিবনে তেনে আৰু লোক??
যিয়ে আমাৰ জ্ঞানৰ শলিতা জ্বলাই,
পোহৰাব আমাৰ সংস্কৃতিক।
দেখুৱাই দিব আমাক প্ৰকৃত পথ,
যিয়ে বচাব আমাৰ সংস্কৃতি।
কৰযোৰে কৰিছে তোমাক কাকুতি
উভতি নেযাবা হেৰা, আঁহা উলটি
নকৰিবা বঞ্চিত পোহৰৰ পৰা
তোমাৰ অবিহনে স্খলিত সংস্কৃতি
সুপ্ত হৈয়ে বৈ যাব।
সেয়ে আজি বিষাক্ত মন,
তোমাৰ অবিহনে কোনে দিব পোহৰ?



# SMILE FILE

***Abhiram Hasa Arah***
***T.D.C 2nd year (Arts)***

I',ve discovered a new kind of flue.
Its the smile flue
When you smile at some one
He too smiles at you.
When you realize that you
have passed him the flue
The smile flue.

I thought over this smile,
and realized its worth.
A single smile can travel
around the earth.

So if you like to smile
don't stop that smile
and get everyone infected
around farther than a mile.

# তৰ প্যাৰ কেৰ কচম

*মানৱপ্ৰতীম বাঘ্চি*
*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিভাগ*

তুয়েই ত্
মৰ মথাই হাত ৰাখে
কচম খাঢ়ে ৰাহি,
তখে কনদিন চৰব।
যয়ে ধুমুহা আচোক
মই চঙ্গেই চহব
প্ৰলয় আইলও
চঙ্গে মৰব।
আজ তৰ কি হয়ল
তুই চব জনাই গেলি
হামাদেৰ চপোচ গিলা
মৰ চকেৰ আগে ভস্ম কৰে দিলি
যৰত্ আজ খুনকেৰ আচু গিৰচে।
এই পৃথিৱীতাই একদম একলাই একলাই লাগচে।
